গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত
জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
একাদশ বছৰ ■ সংখ্যা ১০০ ■ গুৱাহাটী ■ দেওবাৰ, ১৫ নৱেম্বৰ, ২০২০, ২৯ কাতি, ১৯৪২ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মুঠ পৃষ্ঠা =১২ ■ মূল্য ঃ ৭.০০ টকা
VOL. 11 ISSUE NO. 100 Dainandin Barta ■ Guwahati, Sunday ■ 15 November 2020 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only




## ৰাজ্যৰ চুকে-কোণে সেউজ দীপাৱলী উদ্‌যাপন









# শিশু দিৱস পালন

■ এছ অ’ এছ শিশু গাঁৱলৈ গৈ শিশুসকলক মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰিলে উপহাৰ আৰু ফলমূল
■ এছ অ’ এছ শিশু গাঁৱৰ শিশুসকলক উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ নৱেম্বৰ ঃ** শিশু দিৱসৰ লগত সংগতি ৰাখি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মহানগৰীৰ আজাৰাস্থিত এছ অ’ এছ শিশু গাঁৱলৈ গৈ শিশুসকলক উৎসাহ আৰু প্ৰেৰণা যোগায়। মুখ্যমন্ত্ৰীয়ে শিশুসকলৰ মাজত ফল-মূলৰ লগতে উপহাৰো বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে শিশুসকলক শিশু দিৱসৰ লগতে দীপাৱলীৰ আন্তৰিক শুভেচ্ছাও জ্ঞাপন কৰে। শিশুসকলক উদ্দেশ্যি দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে কয় যে শিশুসকলে কঠোৰ পৰিশ্ৰমেৰে অধ্যয়নত মগ্ন হোৱাৰ বাবে প্ৰতিজ্ঞাবদ্ধ হ’ব লাগিব। উপযুক্ত শিক্ষা লাভ কৰি জ্ঞান আহৰণৰ জৰিয়তে সমাজখনলৈ নিষ্ঠাৰে সেৱা আগবঢ়াব লাগিব বুলিও তেওঁ কয়। শিশুসকল দেশৰ ভৱিষ্যত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আদৰ্শ নাগৰিক হিচাপে নিজকে গঢ় দিয়াৰ বাবে প্ৰয়াস চলাব লাগিব। শিক্ষা, সংস্কৃতি, ক্ৰীড়া, সাহিত্য, বিজ্ঞান, বৌদ্ধিক জগতকে ধৰি সকলো ক্ষেত্ৰতে পাকৈত আৰু ■ ৮ পৃষ্ঠাত



### গোগামুখত লোমহৰ্ষক ডকাইতি কাণ্ড
## দুজনীয়া ডকাইতৰ দলে গাড়ীচালকক পিষ্টলেৰে গুলীয়াই লুটি নিলে কেইবা লক্ষ টকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোগামুখ, ১৪ নৱেম্বৰ ঃ** ধেমাজি জিলাৰ বাণিজ্যক নগৰ গোগামুখ থানাৰ অন্তৰ্গত গোগামুখ-লখিমপুৰ পথত এটা লোমহৰ্ষক ডকাইতি কাণ্ড কালি নিশা সংঘটিত ■ ৮ পৃষ্ঠাত

## জোৱান হৰধন চন্দ্ৰ ৰায়ৰ মৃত্যুত মুখ্যমন্ত্ৰীৰ শোক

হৰধন চন্দ্ৰ ৰায়ৰ সাহস, ত্যাগ আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধতাৰে আগবঢ়োৱা সেৱাই নতুন প্ৰজন্মক সদায়ে অনুপ্ৰেৰণা যোগাই যাব ঃ মুখ্যমন্ত্ৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ নৱেম্বৰ ঃ** কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাৰ উৰি খণ্ডত পাকিস্তানী সেনাবাহিনীয়ে চলোৱা আকস্মিক গোলাবৰ্ষণত নিহত ভাৰতীয় ■ ৮ পৃষ্ঠাত

## সাংবিধানিক ৰক্ষা কৱচ আৰু ‘কা’ৰ নাম লৈ পুনৰ টেঙা আম বেচিবলৈ ওলাইছে আছুৱে ঃ হিন্দু যুৱ-ছাত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ নৱেম্বৰ ঃ** অসম চুক্তিৰ ৬ নং দফাৰ সাংবিধানিক ৰক্ষা কৱচ আৰু ‘কা’ অমান্যৰ নামত পুণৰবাৰ প্ৰতিবাদ-আন্দোলন আদিৰে অসমৰ জনগণক বুৰ্বক সজাই ৰাজনৈতিক মুনাফা আদায়ৰ বাবে ■ ৮ পৃষ্ঠাত

# পৰাজয়ৰ আশংকা নেকি

মন্ত্ৰীয়ে নিজৰ সমষ্টিৰ বাহিৰে অন্যান্য দৰ্শনাৰ্থীক দিব নোৱৰা হৈছে সময়

### দিছপুৰত প্ৰশাসনৰ শিথিলতাক লৈ ৰহস্য

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৪ নৱেম্বৰ ঃ** ক’ৰনা ভাইৰাছৰ সংক্ৰমণৰ আতংক আৰু কঠোৰ লকডাউনৰ পিছত যোৱা এমাহ ধৰি স্বাভাৱিক অৱস্থা ঘূৰি আহিছে ৰাজ্যৰ প্ৰশাসনলৈ। কিন্তু আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে আতংকিত আৰু চিন্তিত হৈ পৰিছে মন্ত্ৰী-বিধায়কসকল। সেয়েহে লকডাউনৰ শিথিলতাৰ আঁৰে আঁৰে তেওঁলোকে এতিয়া নিজৰ সমষ্টিবাসীৰ কাষলৈ যোৱাৰ পদক্ষেপ লৈছে। ফলত দিছপুৰত এতিয়া প্ৰশাসনৰ মজিয়াত চৰম শিথিলতা আহি পৰিছে। উল্লেখ্য যে লকডাউনৰ শিথিলতাৰ বাবে দূৰ-দূৰণীৰ পৰা বিভিন্নজনে দিছপুৰলৈ তাতবাতি কাঢ়িছে নিজৰ কাম-কাজৰ বাবে। ইয়াত আহি দিনৰ পিছত দিন প্ৰচেষ্টা চলায়ো ■ ৮ পৃষ্ঠাত



### তামুলপুৰত সাংসদ বিশ্বজিত দৈমাৰীৰ বিস্ফোৰক মন্তব্য

বিগত সোতৰ বছৰে একনায়কত্ব ব্যৱস্থাৰে চলি আছিল বিটিচি

## বিপিএফৰ গেলা-পচা ডাষ্টবিনত থকাতকৈ বিজেপিৰ চাফ-চিকুণ ডাষ্টবিনত থকাই ভাল

আগন্তুক পৰিষদীয় নিৰ্বাচনত বিজেপি দলেই একক সংখ্যা গৰিষ্ঠতা লাভ কৰি বিটিচিত চৰকাৰ গঠন কৰাটো নিশ্চিত



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৪ নৱেম্বৰ ঃ** বিটিআৰ অঞ্চলৰ ৰাজনীতিত এক প্ৰকাৰ ধুমুহাৰ সৃষ্টি কৰি বিপিএফ দলৰ কাৰ্যকৰী সভাপতি তথা ৰাজ্য সভাৰ সাংসদ বিশ্বজিৎ দৈমাৰীয়ে বিপিএফ দলৰ কাৰ্যকৰী সভাপতি পদৰ পৰা পদত্যাগ কৰাৰ পিছত আজি প্ৰথমবাৰৰ বাবে তামুলপুৰ প্ৰেছ ক্লাবত এক সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলখন সম্বোধন কৰি সাংসদ দৈমাৰীয়ে কয়— বিপিএফ ■ ৮ পৃষ্ঠাত

### সেনাৰ মাজত প্ৰধানমন্ত্ৰী মোডীৰ দেৱালী উদ্‌যাপন
## জয়শালমেৰত উপস্থিত হৈ মনোবল বৃদ্ধি কৰিলে ভাৰতীয় সেনাৰ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৪ নৱেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি জয়শালমেৰত উপস্থিত হৈ সেনা আৰু নিৰাপত্তা বাহিনীৰ জোৱানসকলৰ সৈতে দেৱালী উদ্‌যাপন কৰে। ইয়াৰ পূৰ্বে ৰাজস্থানৰ লংগেৱালা অঞ্চলৰ বিষয়ে ■ ৮ পৃষ্ঠাত



আজি নীতিশ কুমাৰক মনোনীত কৰিব দলনেতা হিচাপে

## উপ-মুখ্যমন্ত্ৰী দুজন ? হঠাৎ চৰ্চিত কামেশ্বৰ চৌপাল



কাকপথাৰত মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ১৪ নৱেম্বৰ ঃ** অহা সোমবাৰে বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব জনতা দল সংযুক্তৰ মুৰব্বী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰে। এই উপলক্ষে কাইলৈ এনডিএ মৰ্চাৰ বিহাৰ গোটৰ বিধায়িনী দলৰ বৈঠক আছে। এই বৈঠকতে নীতিশ কুমাৰক এনডিএ মৰ্চাৰ দলনেতা হিচাপে মনোনীত কৰা হ’ব। নিৰ্বাচনৰ পূৰ্বেই এনডিএ মৰ্চাই নীতিশ কুমাৰক মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপ কৰিছিল। সেয়েহে কথাৰ হেৰফেৰ নকৰে তেওঁলোকে। কিন্তু পূৰ্বৰ দৰে নীতিশ কুমাৰে নিজৰ মৰ্জিৰে চৰকাৰ চলাব হয়তো নোৱাৰিব। নিৰ্বাচনত ■ ৮ পৃষ্ঠাত

## প্ৰয়াত সাংবাদিক পৰাগ ভূঞাৰ পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিৰাক সীমান্ত, ১৪ নৱেম্বৰ ঃ** ১১ নৱেম্বৰত ৰহস্যজনক পথ দুৰ্ঘটনাত আহত হৈ পাছত মৃত্যু হোৱা কাকপথাৰৰ সাংবাদিক পৰাগ ভূঞাৰ আজি তিলনি হৈ যায়। ধৰ্মীয় আৰু সামাজিক ৰীতি-নীতি অনুসৰি এক শোকাকুল পৰিৱেশৰ মাজেৰে সকলোবোৰ ■ ৮ পৃষ্ঠাত

বাইহাটা চাৰিআলিত ১০ বিঘা ভূমিত প্ৰস্তাৱিত ক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলা স্থাপন হিমন্ত বিশ্ব শৰ্মাৰ

## এটা ৰাজনৈতিক ধমকিতে ভাৰত জিন্দাবাদো দিব, মিঞা মিউজিয়ামো নোহোৱা হ’ব

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাইহাটা চাৰিআলি, ১৪ নৱেম্বৰ ঃ** উত্তৰ কামৰূপ বিশেষকৈ বাইহাটা চাৰিআলি অঞ্চলৰ এক দীৰ্ঘদিনীয়া অভাৱ মোচন কৰি আজি দেউদুৱাৰত ১০ বিঘা ভূমি সামৰি এখন ক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰে অসমৰ বিত্ত, স্বাস্থ্য তথা লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰি সাংবাদিকৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দি অস্বাভাৱিক মৃত্যুৰ বলি হোৱা তিনিচুকীয়াৰ সাংবাদিক পৰাগ ভূঞা সন্দৰ্ভত যদি হত্যা হৈছে হত্যাকাৰীয়ে শাস্তি পাব আৰু যদি দুৰ্ঘটনা হয় আমি সমবেদনাহে জনাব পাৰোঁ বুলি তুলুঙা মন্তব্য কৰে ।শংকৰদেৱ কলাক্ষেত্ৰ সন্দৰ্ভত বদৰুদ্দিন আজমলৰ সাম্প্ৰতিক ভাষ্যৰ বিষয়ে মত প্ৰকাশ কৰি কয় ■ ৮ পৃষ্ঠাত





## লাহৰীঘাটৰ বমতলা গাঁৱৰ এটি পুখুৰীৰ গুলপীয়া ভেট ফুলৰ দৃশ্যই মোহিত কৰিছে বহু প্ৰকৃতি প্ৰেমীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৪ নৱেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ ধূপগুৰি চাৰিআলিৰ দক্ষিণত অৱস্থিত বমতলা গাঁৱৰ পোৱালি ৰবিদাসৰ ঘৰৰ পুখুৰীত ফুলি থকা অগণন গুলপীয়া ভেট ফুলৰ দৃশ্য। আৰু এই দৃশ্যই মোহিত কৰিছে প্ৰকৃতি প্ৰেমীক। এবিঘা মাটিত অৱস্থিত পুখুৰীত ফুলি থকা অগণন গুলপীয়া ভেট ফুলৰ দৃশ্য চাবলৈ বা ফটো উঠাবলৈ বহু লোকে সময়ে সময়ে নিজৰ কেমেৰাত বন্দী কৰি লৈ যায়। অৱশ্যে পুখুৰীত পানী যথেষ্ট ■ ৮ পৃষ্ঠাত

NEMCARE
Group of Institutions, Mirza
Shantipur, Mirza, Kamrup, Assam-781125
AFFILIATED TO: SSUHS, ASTU, and ANC Govt. of Assam
APPROVED BY: HFW Govt of Assam, AICTE, PCI, and INC Govt of India
APPLY ONLINE
Our Courses
Pharmacy
B Pharm
D Pharm
B Pharm (L)
Nursing
BSc Nursing
GNM
Allied Health Science
HS Science/Arts, Under SALTBROOK Mirza
Contact Us
98540-07355/56
info@ngiguwahati.in www.ngiguwahati.in

# অসমৰ বিভিন্ন প্ৰান্তত শিশু দিৱস পালনেৰে নেহৰুক স্মৰণ



## শিশু দিৱসত সত্ৰীয়া নৃত্য-গীতেৰে উজলিল মঙলদৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ ঃ** ১৪ নৱেম্বৰ আজি শিশু দিৱস। সমগ্ৰ দেশজুৰি পালন হৈছে শিশুৰ বাবে এটা বিশেষ দিন। এই বিশেষ দিনটোৰ সৈতে সংগতি ৰাখি দৰঙৰ ঔতলাত আজি অসমৰ আপুৰুগীয়া সত্ৰীয়া নৃত্য-গীতেৰেও উজলি উঠিল। ঔতলা উচ্চৰ মাধ্যমিক খেলপথাৰত কেইবাশ শিশুৱে প্ৰদৰ্শন কৰিলে মাটি আখৰা, কৃষ্ণ নৃত্যসহ এবিধ এবিধ আপুৰুগীয়া নৃত্য। বাস্তৱিকতে দাঙি ধৰিলে অসমৰ এজাক শিশুৱে কিদৰে নিবিড়ভাৱে চৰ্চা কৰি আছে গৌৰৱী অসমীয়া কৃষ্টি। ৰাজনীতি, প্ৰতিবাদ, হত্যা-হিংসাৰ পৰা কেবাশ মাইল দূৰৈত অৱস্থান কৰা এই শিশুসকলেই অসমৰ কৃষ্টি-সংস্কৃতিৰ উত্তৰসুৰী। যিসকলে ধূলিসাৎ কৰিলে মিঞা মিউজিয়াম প্ৰসংগ। লক্ষণীয় যে, মঙলদৈৰ ঔতলাত দু-দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে সত্ৰীয়া সংস্কৃতি দিৱস কেন্দ্ৰীয়ভাৱে আয়োজন কৰা হৈছে। সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি অৰ্জনৰ দিনটোক অসম সত্ৰ মহাসভাই সত্ৰীয়া সংস্কৃতি দিৱস হিচাপে পালন কৰি আহিছে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি আজি শিশু দিৱসো পালন কৰা হয় আৰু এবিধ এবিধকৈ সত্ৰীয়া সংস্কৃতিৰ আপুৰুগীয়া সমল শিশুসকলে প্ৰদৰ্শন কৰে। স্বাভাৱিকতে শিশুসকলৰ এনে সত্ৰীয়া কৃষ্টি-সংস্কৃতি চৰ্চাই উজীৱিত কৰি তোলে শিশু দিৱস। মনকৰিবলগীয়া যে, সত্ৰীয়া নৃত্যই ৰাষ্ট্ৰীয় স্বীকৃতি অৰ্জনৰ দিনটো সত্ৰীয়া সংস্কৃতি দিৱস (১৫ নৱেম্বৰ) পালন কৰি আহিছে। এই বাৰ দৰঙৰ ঔতলাত কেন্দ্ৰীয়ভাৱে আজিৰে পৰা দু-দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি আজি পুৱা ৫ বজাত স্থানীয় বেঙাবড়াস্হ শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ নামঘৰীয়া প্ৰমোদ ডেকাৰ উষা কীৰ্তনৰে আৰম্ভ হয়। পৰ্যায়ক্ৰমে, পৰিৱেশ নিকাকৰণ, ধৰ্ম ধ্বজা উত্তোলন, স্মৃতি তৰ্পন, নাম প্ৰসংগ আৰু দিনৰ ১০ বজাত মুখ্য দ্বাৰ মুকলি কৰে মঙলদৈৰ বিধায়ক গুৰুজ্যোতি দাসে। ইয়াৰ পাছত, ১০.৩০ বজাত ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজন কৰা ক্ষেত্ৰ মুকলি কৰা হয়। পাছলৈ কেবাটাও কাৰ্যসূচী ৰখা হৈছে যদিও আবেলি ৩ বজাত দৰং জিলা সত্ৰ মহাসভাৰ সভাপতি ৰাজেন মহন্তৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত ৩খনকৈ বিশেষ গ্ৰন্থ মুকলি কৰা হয়। সন্ধিয়া ৫.৩০ বজাত বন্তি প্ৰজ্বলন আৰু নিশাৰ ভাগত ভাওনা প্ৰদৰ্শনেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ অন্ত পৰিব। আয়োজক সমিতিৰ হৈ সভাপতি জিতেন্দ্ৰ নাথ প্ৰধানী, প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্ত আৰু আদৰণী সমিতিৰ হৈ সভাপতি বাবুল চন্দ্ৰ ডেকা আৰু সম্পাদক যতীন্দ্ৰ নাথ কৃষ্ণদাসে দুয়োদিনৰ কাৰ্যসূচীত সকলোৰে সহায়-সহযোগিতা তথা উপস্থিতি কামনা কৰিছে। কাইলৈ মুকলি সভাত ৰাজ্যৰ মুখ্যমন্ত্ৰী উপস্থিত থাকিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে।

## শিৱসাগৰত কৌমুদালয় আৰু ঐক্য সেনাৰ শিশু দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ ঃ** আধুনিক ভাৰতৰ নিৰ্মাতা তথা স্বাধীন ভাৰতৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী প্ৰয়াত জৱহৰলাল নেহৰুৰ ওপজা দিনটোৰ লগত সংগতি ৰাখি পালন কৰি অহা ৰাষ্ট্ৰীয় শিশু দিৱসটি আজি দেশৰ অন্যান্য প্ৰান্তৰ লগতে শিৱসাৰতো বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ ওপৰি শিৱসাগৰ 'কৌমুদালয' আৰু জাতীয় সংগঠন ঐক্য সেনা অসমৰ উদ্যোগত উদ্‌যাপন কৰা হয়। বিশেষভাৱে সক্ষম শিশু সকলৰ শাৰিৰীক-মানসিক উন্নতি সাধন কৰাৰ লক্ষৰে 'কৌমুদালয়ে' ধাৰাবাহিকভাৱে চলাই অহা প্ৰচেষ্টাৰ মাজতে আজি এই সকল বিশেষভাৱে সক্ষম শিশুৰ মাজত শিশু দিৱসৰ লগত সংগটি ৰাখি অনুষ্ঠিত কৰা হয় চিত্ৰাংকণ, খেল-ধেমালি, গীত-নৃত্য আদি কৰি কেইবাটাও শিশুৰ মন পচন্ধৰ অনুষ্ঠান। এই অনুষ্ঠানত কৌমুদালয়ৰ কৰ্তৃপক্ষৰ লগতে বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। একেদৰে ঐক্য সেনা অসমৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত শিৱসাগৰ নগৰৰ আটলাণ্টা হোটেলত আয়োজন কৰা হয় শিশু দিৱস। ঐক্য সেনাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক ফৰিদ ইছলাম হাজৰিকাৰ উপস্থিতিত আন্তঃৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ভিত্তিত বিভিন্ন বিষয়ত অভিলেষ গঢ়িবলৈ সক্ষমহোৱা লোক সকলক ঐক্য সেনাৰ তৰফৰ পৰা বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## চিন্তামণিগড়ত শৈক্ষিক সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান ঃ** সমগ্ৰ দেশৰ লগতে টীয়কৰ চিন্তামণিগড়তো শিমলুগুৰি মৌজা আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত চিন্তামণিগড় মধ্য ইংৰাজী বিদ্যালয়ৰ সহযোগত শিশু দিৱস উদ্‌যাপন কৰাৰ লগতে কিছু পৰিমাণে ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ শৈক্ষিক সামগ্ৰী বিতৰণ কৰে। এই শিশু দিৱসৰ কাৰ্যসূচীত উপস্থিত থাকে বিদ্যালয়ৰ প্ৰধান শিক্ষক মৃদুল লাহন, সহঃ শিক্ষক প্ৰদীপ ৰাজখোৱা, সদৌ অসম ছাত্ৰ সন্থাৰে নতুনকৈ নিৰ্বাচিত হোৱা ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য জিতু নেওগ, সদৌ যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক যদুমণি বৰুৱা, আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি, সম্পাদক আৰু ছাত্ৰ কৰ্মীসকল। জিতু নেওগে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ দিনত পাঠদান গ্ৰহণ কৰাৰ ওপৰত মন্তব্য ৰখাৰ উপৰি ভাৰতৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী প্ৰয়াত জৱাহৰলাল নেহৰু জন্মদিনটো শিশু দিৱস হিচাপে কিয় উদ্‌যাপন কৰা হয় তাৰ ওপৰত ছাত্ৰ-ছাত্ৰী সকলক চমু মন্তব্য দাঙি ধৰে।



## সকলো শিশুৰ অধিকাৰ সুৰক্ষিত হ'ব লাগিব ঃ এন এ ৰুবুল মিৰ্জা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেল্লা ঃ** আগশাৰীৰ সামাজিক তথা স্বেচ্ছাসেৱী সংস্থা চাইল্ড ফ্ৰেইণ্ডলী গুৱাহাটীয়ে আজি আড়ম্বৰপূৰ্ণভাৱে শিশু দিৱস পালন কৰে। গুৱাহাটীৰ দক্ষিণ জনকপুৰত দক্ষিণগাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণেৰে স্বেচ্ছাসেৱী সংগঠনটোৱে শিশু দিৱস পালন কৰে। সমগ্ৰ দেশে দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ জন্ম দিৱসটো শিশু দিৱস হিচাপে পালন কৰি আহিছে। একেদৰে চাইল্ড ফ্ৰেইণ্ডলী গুৱাহাটীয়েও আজি পালন কৰা শিশু দিৱস অনুষ্ঠানত পণ্ডিত জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সাংবাদিক চাইজুৰ ৰহমান আৰু স্বেচ্ছাসেৱী সংস্থাটোৰ বিষয়াববীয়া ডেভিদ গগৈয়ে। আনহাতে অনুষ্ঠানটোত উপস্থিত থকা এগৰাকী ছাত্ৰীৰ দ্বাৰা জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি উপস্থিতসকলে নেহৰু খুড়াক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। ইয়াৰ পাছতে শিশু দিৱস সন্দৰ্ভত বক্তব্য প্ৰদান কৰে ডেডিদ গগৈয়ে।



সাংবাদিক চাইজুৰ ৰহমানে উপস্থিত ছাত্ৰ-ছাত্ৰী সকলক উদ্দেশ্যি শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত বক্তব্য প্ৰদান কৰাৰ লগতে আন এগৰাকী সাংবাদিক চাবিনা ইয়াছমিনে ছাত্ৰ-ছাত্ৰীসকলক সু-নাগৰিক হিচাপে নিজকে গঢ়ি তোলাৰ বাবে যত্নবান হ'বলৈ নিজৰ বক্তব্যৰ জৰিয়তে আহ্বান জনায়। ফ্ৰেইণ্ড চাইল্ড গুৱাহাটীৰ আন এগৰাকী বিষয়ববীয়া তথা যুৱ সমাজকৰ্মী এন এ ৰুবুল মিৰ্জাৰ তত্বাৱধনাত ছাত্ৰ-ছাত্ৰী সকলক লৈ এক সমদল উলিওৱা হয়। দক্ষিণ জনকপুৰৰ পৰা সিজুবাৰী মাজাৰলৈ আৰু মাজাৰৰ পৰা পুনৰ দক্ষিণ জনকপুৰলৈ উলিওৱা সমদলৰ নেতৃত্ব বহন কৰি যুৱ সমাজকৰ্মী এন এ ৰুবুল মিৰ্জাই কয় যে আজিৰ শিশু যিহেতু কাইলৈ দেশৰ ভৱিষ্যৎ, সেয়ে সকলো শিশুৱে শিক্ষাৰ অধিকাৰ লাভ কৰিব লাগিব। শিশু শ্ৰম বন্ধ কৰাৰ ক্ষেত্ৰত চৰকাৰ-প্ৰশাসন কঠোৰ হ'ব লাগিব বুলি মতপ্ৰকাশ কৰি তেওঁ লগতে কয় যে প্ৰতিগৰাকী শিশোৱে নিজৰ অধিকাৰ লাভ কৰিব লাগিব। শিশুৰ অধিকাৰ সুৰক্ষিত হ'ব লাগিব। অনুষ্ঠানৰ শেষত ছাত্ৰ-ছাত্ৰী সকলৰ স'তে প্ৰীতি ভোজভাতৰ আয়োজন কৰা হয়।

## নাজিৰা, শিমলুগুৰি আৰু গেলেকীত নেহৰুক স্মৰণ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, গেলেকী ঃ** আজি শিশু দিৱস। সমগ্ৰ দেশ, ৰাজ্য তথা নাজিৰাতো নেহৰুক স্মৰণ। ভাৰতৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৰ জন্মদিনটো প্ৰতিবছৰে দেশবাসীয়ে পালন কৰি আহিছে শিশু দিৱস হিচাপে। পণ্ডিত নেহৰুৱে শিশুসকলক বৰ ভাল পাইছিল। সেয়েহে তেওঁৰ ওপজা দিনটোক শিশু দিৱস হিচাপে উদ্‌যাপন কৰা হয়। সম্প্ৰতি নাজিৰা, নামতি, শিমলুগুৰি আৰু গেলেকীৰ বিভিন্ন ৰাজহুৱা প্ৰেক্ষাগৃহত আজি শিশুসকলক লৈ বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা দেখা গৈছে। য'ত সমাজকৰ্মী, শিক্ষক-শিক্ষয়িত্ৰী, শিল্পী, সাংবাদিক আৰু স্থানীয় ৰাইজসকলে ভাগ লয়। জৱাহৰলাল নেহৰুৰ জন্ম হৈছিল ১৮৮৯ চনৰ ১৪ নৱেম্বৰত। ওপজা দিনত দেশৰ প্ৰথম প্ৰধানমন্ত্ৰী গৰাকীক স্মৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ। দেশৰ আন প্ৰান্তৰ লগতে অসমতো শিশু দিৱসত স্মৰণ কৰা হৈছে দেশৰ প্ৰথমগৰাকী প্ৰধানমন্ত্ৰীক। দেশজুৰি জৱাহৰলাল নেহৰুক স্মৰণৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

## শলগুৰিত শিশু দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও ঃ** শলগুৰিৰ স্বেচ্ছাসেৱী সংগঠন 'গ্ৰাম্যজ্যোতি'ৰ উদ্যোগত আজি ১৪ নবেম্বৰৰ শিশুদিৱস উদ্‌যাপন কৰা হয়। শিশুসকলক লৈ সামাজিক দূৰত্ব আৰু মাস্ক ব্যৱহাৰ কৰি শিশু ধৰ্ষণ বন্ধ কৰক, শিশু হত্যা বন্ধ কৰক, শিশু শ্ৰমিক বন্ধ কৰক আদি বিভিন্ন শ্ল'গানৰ প্লেকাৰ্ড লৈ এক শোভাযাত্ৰা বাহিৰ কৰা হয়। ইয়াৰ পাছতেই শিশুসকলৰ দ্বাৰা কবিতা আবৃত্তি, গীত, মাস্কপাৰ্চ আদি প্ৰদৰ্শন কৰা হয়। 'গ্ৰাম্যজ্যোতি'ৰ সম্পাদক অমৃত কুমাৰ দত্তই আঁত ধৰা উক্ত কাৰ্যসূচীত যোগেশ্বৰ সন্দিকৈ, প্ৰান্তনু দত্ত, নিৰ্বানজ্যোতি দত্ত, দাদুল দত্ত, প্ৰফুল্ল শইকীয়া, ৰীতা নেওগ, ৰূপামণি শইকীয়া হাজৰিকাকে আদি কৰি ভালে সংখ্যক ব্যক্তি উপস্থিত থাকে।

## মিৰ্জাত শিশুসকলৰ মাজত খাদ্য সামগ্ৰী বিতৰণ

**দৈনন্দিনবাৰ্তা, মিৰ্জা ঃ** সমগ্ৰ দেশ কিম্বা ৰাজ্য খনৰ সমান্তৰাল কৈ ৰাজধানী মহানগৰী গুৱাহাটীতো পালন কৰা হয় শিশু দিৱস । স্বাধীন ভাৰতৰ প্ৰথম গৰাকী প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ আজি জন্ম দিৱস । পোহৰৰ উৎসৱ দীপান্বিতৰ সমান্তৰাল কৈ গুৱাহাটীটো পালন কৰা হয় শিশু দিৱস । শিশু সকলৰ বাবে উৎসৰ্গিত আজিৰ এই মহান দিনটোত আজি গুৱাহাটী মহানগৰীৰ ধাৰাপুৰ চাৰিআলিস্থিত পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ কেইগৰাকী মান ছাত্ৰ - ছাত্ৰীয়ে এক আদৰণীয় পদক্ষেপ গ্ৰহণ কৰে । উল্লেখযোগ্য যে পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ তৃতীয় যাণ্মাসিকৰ কেইগৰাকী মান ছাত্ৰ - ছাত্ৰীয়ে উপস্থিত হয় মহানগৰী ৰ পশ্চিম প্ৰান্তৰ লংকেশ্বৰস্থিত শিশুগৃহত । তৃতীয় যাণ্মাসিকৰ ছাত্ৰ - ছাত্ৰী ক্ৰমে মৃদুল শৰ্মা , মাচুম দাস , চৈয়ব ইছলাম , ইছিকা দাস আৰু সুনিতা ইংতিয়ে লংকেশ্বৰৰ শিশু গৃহত উপস্থিত হৈ অনাথ শিশু সকলৰ সৈতে মতবিনিময় কৰাৰ লগতে তেওঁলোকৰ মাজত কিছু খাদ্য সামগ্ৰী বিতৰণ কৰে । ছাত্ৰ - ছাত্ৰী কেইগৰাকীৰ এনে পদক্ষেপৰ প্ৰতি শলাগ লয় শিশু গৃহৰ শিশু সকলে ।

## এজাক কণমানিৰ কল্লোলত মুখৰ বঢ়মপুৰৰ শিঙীয়া পোটনী অঞ্চল

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ ঃ** ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে বঢ়মপুৰৰ সমীপৱৰ্তী শিঙিয়া পোটনী হাইস্কুলৰ সন্মুখৰ ডঃ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিস্থলীত আজি শিঙিয়া পোটনী যুৱকবৃন্দৰ উদ্যোগত শিশু দিৱস উদযাপন কৰা হয়। দুলাল শৰ্মাই জৱাহৰলাল নেহৰুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা এই অনুষ্ঠানত মাল্যপ্ৰদান কৰে যুগল শৰ্মাই । অঞ্চলটোৰ সচেতন যুৱক নিৰঞ্জন বৰাই আঁতধৰা অনুষ্ঠানটিত মুখৰিত হয় শিশু সকলৰ গীত-কবিতা-সাধু-নৃত্যৰে। শিঙিয়া পোটনী হাইস্কুলৰ শিক্ষক দিলীপ বৰা, উদ্যমী যুৱক অংকুৰ বৰাই শিশু দিৱসৰ গূঢ়াৰ্থ বাখ্যা কৰে।

## অসম-অৰুণাচল সীমান্তৰ বৰডুমচাত শিশু দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰডুমচা ঃ** স্বাধীন ভাৰতবৰ্ষৰ প্ৰথমগৰাকী প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰুৰ জন্মদিন ভাৰতবৰ্ষত "শিশু দিৱস" হিচাপে পালন কৰা হয়। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্ত বৰডুমচা অঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান মাধৱপুৰ জাতীয় বিদ্যালয়ত উলহ-মালহেৰে পালন কৰা হয় শিশু দিৱস। শিশু দিৱসৰ লগতে সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ মাজত ৰচনা প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, মুকলি কুইজ আদি প্ৰতিযোগিতা আয়োজন কৰা হয়। তদুপৰি নৱম শ্ৰেণীৰ ছাত্ৰী অনুষ্কা দিহিঙীয়াক সভানেত্ৰী আৰু নৱম শ্ৰেণীৰে ছাত্ৰ বিপ্লৱজ্যোতি শইকীয়াক নিৰ্দিষ্ট বক্তা হিচাপে লৈ এখনি মুকলি সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাখনত মুখ্য অতিথি হিচাপে ফিলবাৰীৰ সুযোগ্য সন্তান ৰাষ্ট্ৰসংঘত অসমৰ পৰা নিৰ্দিষ্ট বক্তা হিচাপে আমন্ত্ৰণ লাভ কৰা পৰশজ্যোতি মৰাণ উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যৎ উত্তৰণৰ বাবে বিভিন্ন দিশৰ ওপৰত গুৰুত্বপূৰ্ণ আলোচনা আগবঢ়ায়। লগতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলেও শিশু দিৱসৰ মহত্ত্বৰ ওপৰত উক্ত সভাত নিজৰ নিজৰ বক্তব্য আগবঢ়ায়। সদৌ শেষত ছাত্ৰ-ছাত্ৰীসকলে নৃত্য,গীত পৰিৱেশন কৰি অনুষ্ঠানটোৰ সমাপ্তি ঘটায়।



## মাজ পাঠৰীত "সান্যাল শিশু বিকাশ মঞ্চ"ৰ শাখা প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ ঃ** নগাঁৱৰ অন্যতম অগ্ৰণী শিশুৰ সৰ্বাংগীণ বিকাশৰ অনুষ্ঠান "সান্যাল শিশু বিকাশ মঞ্চ"ৰ এটি শাখা প্ৰশিক্ষণ কেন্দ্ৰ শনিবাৰে মাজপাঠৰীত আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। এই উপলক্ষে অনুষ্ঠিত এখন সভাত সমাজকৰ্মী সৎৰাম বৰুৱা, সাংবাদিকদ্বয় জয়ন্ত বৰা, নীলৰঞ্জন শৰ্মাই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। সমাজকৰ্মী ভাৰত চন্দ্ৰ শইকীয়াই আঁত ধৰা এই অনুষ্ঠানত সমাজকৰ্মী পুষ্প বৰা, শিল্পীদ্বয় নিৰঞ্জন বৰুৱা, মৃণ্ময় বৰা, ৰঞ্জু বৰুৱা, খিৰোদ বৰা, ৰাতুল বৰুৱা প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে। উক্ত অনুষ্ঠানত কেইবাটিও শিশোৱে কবিতা পাঠ কৰি সৌষ্ঠৱ বৃদ্ধি কৰে। উল্লেখ্য যে এই প্ৰশিক্ষণ কেন্দ্ৰৰ জৰিয়তে শিশুসকলক চিত্ৰকলা, সংগীত, নৃত্য, বিভিন্ন বাদ্যৰ প্ৰশিক্ষণ প্ৰদান কৰি অহা হৈছে।

## দেৰগাঁৱৰ ড্ৰীমলেণ্ড ক্লাবৰ উদ্যোগত শিশু দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও ঃ** আজি দেৰগাঁৱৰ ড্ৰীমলেণ্ড ক্লাবৰ উদ্যোগত জোনাকী মহিলা সমিতিৰ সহযোগত শিশু দিৱস উদ্‌যাপন। পুৱা ৯ বজাত বন্তি প্ৰজ্বলনে গাঁৱৰে শিশুসকলে সমৱেত সংগীত পৰিৱেশন



কৰি অনুষ্ঠানটোৰ পাতনি মেলে। তেওঁলোকে কবিতা আবৃত্তি প্ৰতিযোগিতা আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰি শিশুসকলক উৎসাহ যোগায়। উক্ত অনুষ্ঠানত ড্ৰীমলেণ্ড ক্লাবৰ সভানেত্ৰী আকাশী হাজৰিকা, সম্পাদিকা সংগীতা নেওগকে ধৰি ড্ৰীমলেণ্ড ক্লাবৰ উপদেষ্টা ৰাহুল হাজৰিকা, ৰূপক হাজৰিকা আৰু সুপ্ৰভৱ জ্যোতি নেওগ, জোনাকী মহিলা সমিতিৰ সভানেত্ৰী-সম্পাদিকাকে আদি কৰি শিশু, চেমনীয়া তথা বহুসংখ্যক লোক উপস্থিত থাকে।

## ২১ আৰু ২২ নৱেম্বৰত সদৌ বিটিচি সূত্ৰধৰ যুৱ-ছাত্ৰ সন্থাৰ ২০সংখ্যক কেন্দ্ৰীয় অধিৱেশন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ১৪ নৱেম্বৰ ঃ** সদৌ বিটিচি সূত্ৰধৰ যুৱ ছাত্ৰ সন্থাৰ ২০ সংখ্যক কেন্দ্ৰীয় অধিৱেশনখন অহা ২১ আৰু ২২ নৱেম্বৰত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে চিৰাং জিলাৰ বিজনী মহকুমাৰ অন্তৰ্গত ৬৩০ নং লাউগাঁও ভাটিপাৰা প্ৰাথমিক বিদ্যালয়ৰ খেল পথাৰত অনুষ্ঠিত হ'ব । অধিৱেশন উপলক্ষে খনিন সুত্ৰধৰ আৰু গৌতম সুত্ৰধৰক ক্ৰমে সভাপতি আৰু সম্পাদক হিছাপে লৈ ইতিমধ্যে গঠিত অভ্যৰ্থনা সমিতিয়ে প্ৰস্তুতিৰ কাম ক্ষিপ্ৰ গতিত আৰম্ভ কৰিছে। অধিৱেশনৰ কাৰ্যসূচী অনুসৰি ২১ নৱেম্বৰৰ পুৱা ন বজাত সদৌ বিটিচি সুত্ৰধৰ যুৱ-ছাত্ৰ সন্থাৰ সভাপতি দিনেশ সুত্ৰধৰে পতাকা উত্তোলন কৰিব। ইয়াৰ লগে লগে বিটিচি চাৰিওখন জিলা সমিতি আৰু মহকুমা সমিতিৰ সভাপতিসকলে জিলা তথা মহকুমা সমিতিৰ পতাকা উত্তোলন কৰিব। চাৰে ন বজাত সমাজকৰ্মী সুনিল সুত্ৰধৰে ছহিদ বেদীত বন্তী প্ৰজ্বলনৰ লগতে স্মৃতি তৰ্পণৰ আগধৰিব সুত্ৰধৰ যুৱ-ছাত্ৰ সন্থাৰ প্ৰাক্তনকৰ্মী হৰি চৰণ সুত্ৰধৰে। দহবজাত বিজনী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰূপক কুমাৰ বৰাই অধিৱেশনথলী চৌহদত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। পুৱা এঘাৰ বজাৰ পৰা জিলা তথা মহকুমা সমিতিৰ প্ৰতিনিধি সভা অনুষ্ঠিত হোৱাৰ পিছত বিয়লি চাৰি বজাত সদৌ বিটিচি সুত্ৰধৰ যুৱ-ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ প্ৰতিনিধি আৰু বিষয় বাছনি সভা অনুষ্ঠিত হ'ব। সন্থাৰ সভাপতি দিনেশ সুত্ৰধৰৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগীয়া উক্ত সভাখন উদ্বোধন কৰিব সুত্ৰধৰ যুৱ ছাত্ৰ সন্থাৰ প্ৰাক্তন কৰ্মী অশোক সুত্ৰধৰে। দ্বিতীয় দিনা ২২ নৱেম্বৰৰ পুৱা দহ বজাত এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। বিজনীৰ বিধায়ক কমলসিং নাৰ্জাৰীয়ে উক্ত শোভাযাত্ৰাৰ উদ্বোধন কৰিব। দিনৰ এক বজাত সদৌ বিটিচি সুত্ৰধৰ যুৱ-ছাত্ৰ সমাজৰ মুখ্য উপদেষ্টা নৃপেন্দ্ৰ সুত্ৰধৰৰ সভাপতিত্বত অনুষ্ঠিত হ'ব লগীয়া উক্ত সভাত সভাত মুখ্য অতিথি হিচাপে অসমৰ পৰ্যটন মন্ত্ৰী চন্দন ব্ৰহ্ম , বিশিষ্ট অতিথি হিচাপে প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমনি শইকীয়া, জনপ্ৰিয় অভিনেত্ৰী প্ৰিয়ম পল্লৱী, নিৰ্দিষ্ট বক্তা ৰূপে সদৌ অসম সুত্ৰধৰ সন্মিলনীৰ সভাপতি পৰমেশ্বৰ সুত্ৰধৰ , বিশেষ আমন্ত্ৰিত অতিথিৰূপে কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি গোকুল বৰ্মণ, সদৌ অসম সুত্ৰধৰ ছাত্ৰ সন্থাৰ সভাপতি তুপেন সুত্ৰধৰ , সম্পাদক সুখধন সুত্ৰধৰ ,যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ সহকাৰী প্ৰবক্তা ড° প্ৰাণজিত সুত্ৰধৰ আৰু থামনা আঞ্চলিক মহাবিদ্যালয়ৰ প্ৰবক্তা ড০ মাধৱ সুত্ৰধৰ উপস্থিত থাকিব বুলি সন্থাৰ উপ সভাপতি প্ৰাণ সুত্ৰধৰে জনাইছে।

## লাহৰীঘাটৰ দেৰাগুৰিত এ আই ইউ ডি এফৰ নিৰ্বাচনৰ ৰণডংকা-কৰ্মী সভা

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ১৪ নৱেম্বৰ ঃ** আগন্তুক বিধান সভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ অহাৰ লগে লগে ৰাজ্যৰ ৰাজনৈতিক দল সমূহৰ মাজত বৃদ্ধি পাইছে নিৰ্বাচনী তৎপৰতা। কংগ্ৰেছ দলৰ দুৰ্গ হিচাপে খ্যাত লাহৰীঘাট বিধান সভা সমষ্টি আগন্তুক ২০২১ৰ বিধানসভাৰ নিৰ্বাচনত এ আই ইউ ডি এফ দলৰ দখললৈ নিয়াৰ বাবে দলটোৰ নেতা-সকলে দলটোৰ সাংগঠনিক ভেটি শক্তিশালী কৰাত গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। লাহৰীঘাট বিধান সভা সমষ্টিৰ অন্তৰ্গত দেৰাগুৰিত আজি এ আই ইউ ডি এফ দলৰ মৰিগাঁও জিলা সমিতিৰ সৌজন্যত এখনি কৰ্মী সভা অনুষ্ঠিত হয়ঞ্জ। সভাখনত ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলাম, জনিয়া সমষ্টিৰ বিধায়ক ড০ হাফিজ ৰফিকুল ইছলামৰ লগতে দলটোৰ কেন্দ্ৰীয় নেতৃত্বৰ কেইবা গৰাকী বিষয়-ববীয়া উপস্থিত থাকে। সভাখনত প্ৰাক্তন মন্ত্ৰী তথা লাহৰীঘাট সমষ্টিৰ বিধায়ক ডা নজৰুল ইছলামৰ লগতে বিজেপি-আৰ এছ এছ ক তীব্ৰ সমালোচনা কৰে। এ আই ইউ ডি এফ দলৰ বিধায়কৰ লগতে দলটোৰ কেন্দ্ৰীয় নেতৃত্বৰ বিষয়-ববীয়া সকলে। কৰ্মী সভাখনত কেইবা সহস্ৰাধিক লোক উপস্থিত থাকে। আগন্তুক নিৰ্বাচনত যে বিধায়ক ডা নজৰুল ইছলামে বৃহৎ প্ৰত্যাহ্বান সন্মুখীন হব সেয়া এক প্ৰকাৰে নিশ্চিত।

## ই আলোচনী উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মদাৰখাত, ১৪ নৱেম্বৰ ঃ** লাহোৱাল প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনৰ একৈশটা মণ্ডল সমল কেন্দ্ৰৰ দ্বাৰা শিশু দিৱস উপলক্ষে প্ৰতিটো কেন্দ্ৰৰ প্ৰচেষ্টাত আজি ই আলোচনী প্ৰথমবাৰৰ বাবে উন্মোচন কৰা হয়। খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ৰিণ্টি দিহিঙ্গীয়া আৰু জ্যেষ্ঠ শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা উন্মোচিত আলোচনী কেইখনে অনন্য মাত্ৰা প্ৰদান কৰিছে বুলি ৰিণ্টি দিহিঙ্গীয়াই মত পোষণ কৰে। শিশু সকললৈ শিশু দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সকলো শিক্ষক তথা তত্ত্বাবধায়কসকলক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। ডিব্ৰুগড় জিলা প্ৰাথমিক শিক্ষা বিভাগৰ আহ্বানৰ প্ৰতি সহাঁৰি জনাই ই আলোচনী মুকলি কৰা হয়। উল্লেখ্য যে পৰীক্ষামূলকভাৱে কৰা কাৰ্যই বিদ্বৎ মহলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

## ৰাশিফলত আজিৰ দিনটো

**২৯ কাতি, দেওবাৰ, ১৫ নৱেম্বৰ, ১৪২৭ ভাস্কৰাব্দ**
**তিথি ঃ তৃতীয়া, নক্ষত্ৰ ঃ উত্তৰভাদ্ৰপদ, জন্মৰাশি ঃ মেষ**
**সূৰ্যোদয়-০৪.৩৫, সূৰ্যাস্ত-০৬.০৩**



■ **মেষ** ঃ ব্যয় বৃদ্ধি। ■ **বৃষ** ঃ স্বাস্থ্য ক্ষতি । ■ **মিথুন** ঃ আনৰ সহায়। **কৰ্কট** ঃ মাতৃৰ সহায়। ■ **সিংহ** ঃ আলহী আগমন। ■ **কন্যা** ঃ আনৰ সহায়। ■ **তুলা** ঃ প্ৰেমত শুভ। ■ **বৃশ্চিক** ঃ ব্যৱসায়ত লাভ। ■ **ধনু** ঃ মন পৰিৱৰ্তন। ■ **মকৰ** ঃ প্ৰেমত নিৰাশ। ■ **কুম্ভ** ঃ ব্যয়বহুলতা। ■ **মীন** ঃ অৰ্থ ব্যয়।

## নাগ্ৰিজুলীত বিজেপিৰ যোগদান সমাৰোহ
### ৫ শতাধিক বিপিএফ নেতা কৰ্মীৰ বিজেপিত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১৪ নৱেম্বৰ ঃ** বিটিআৰ নিৰ্বাচনত বিপিএফৰ প্ৰাৰ্থী সকলে আত্মসমৰ্পন কৰক । কিয়নো বিটিআৰত এতিয়া বিপিএফৰ অৱস্থা সোলক ঢোলক - এই ভাষ্য তামুলপুৰ সমষ্টিৰ বিধায়ক ইমানুৱেল ম'ছাহাৰীৰ । তামুলপুৰ বিধান সভা সমষ্টিৰ অন্তৰ্গত ২৭ নম্বৰ নাগ্ৰীজুলি পৰিষদীয় সমষ্টিৰ ৩ নম্বৰ ডোঙাৰগাওঁ ৰাম অৱতাৰ প্ৰাথমিক বিদ্যালয়ৰ খেলপথাৰত আজি বিয়লি নাগ্ৰীজুলি মণ্ডল বিজেপিৰ উদ্যোগত অনুষ্ঠি এখন যোগদান সমাৰোহত অংশ গ্ৰহণ কৰি এইদৰে কয় তামুলপুৰ বিধায়ক ইমানুৱেল মছাহাৰীয়ে । বিধায়ক গৰাকীয়ে পুনৰ কয় যে, হাগ্ৰামা মহিলাৰী আৰু তেওঁৰ কথাত উঠা বহা কৰা একাংশ নেতাৰ অতপালিৰ বাবে এতিয়া বিপিএফৰ বহু নেতা কৰ্মী দল ত্যাগ কৰি বিজেপি দলত যোগদান কৰিছে । একনায়কত্ববাদেৰে বিগত সোতৰ বছৰে বিটিচিত শাসন চলোৱা হাগ্ৰামা মহিলাৰী কৰ্ম কাণ্ডত অতিষ্ঠ হৈ শেহতীয়াকৈ ৰাজ্য সভাৰ সাংসদ তথা বিপিএফ দলৰ কাৰ্যকৰী সভাপতি বিশ্বজিৎ দৈমাৰীও বিপিএফ দলৰ কাৰ্যকৰী সভাপতি পদৰ পৰা পদত্যাগ কৰিছে । অচিৰেই তেওঁ বিপিএফ দলৰ পৰা পদত্যাগ কৰি বিজেপি দলত যোগদান কৰিব । হাগ্ৰামা এতিয়া অকলশৰীয়া । এইবাৰ বিটিআৰ নিৰ্বাচনত বিপিএফ দলৰ শোচনীয় পৰাজয় হব । তামুলপুৰ সমষ্টিৰ অন্তৰ্গত পাচোটা পৰিষদীয় সমষ্টিটো এজনো বিপিএফ দলৰ প্ৰাৰ্থী নিৰ্বাচনত জয়ী হব নোৱাৰে । সেয়েহে তামুলপুৰ সমষ্টি কেইটাৰ বিপিএফৰ দলৰ প্ৰাৰ্থী কেইজনক নিৰ্বাচনত অযথা টকা পইচা খৰচ কৰাতকৈ নিৰ্বাচনী যুজৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায় । সভাত ২৭ নম্বৰ নাগ্ৰীজুলি সমষ্টিৰ বিজেপি দলৰ প্ৰাৰ্থী ধৰ্ম নাৰায়ন দাসে নিজৰ বক্তব্যত কয়, হাগ্ৰামা নেতৃত্বাধীন বিপিএফৰ ১৭ বছৰীয়া অপসানৰ পৰা পৰিত্ৰান বিচাৰি এতিয়া বিটিআৰ বাসী বিভিন্ন জাতি জনগোষ্ঠীৰ লোকে পৰিৱৰ্তন বিচাৰি বিজেপি দলৰ প্ৰতি সমৰ্থন আগবঢ়াই দলত যোগদান কৰিছে । বিজেপি দলৰ প্ৰতি বিটিআৰ বাসীৰ অভূতপুৰ্ব সহাৰিয়েই বিটিআৰত বিজেপিৰ শাসন নিশ্চিত কৰিছে । শেহতীয়াকৈ তামুলপুৰৰ বিপিএফ দল ত্যাগ কৰি তামুলপুৰৰ বিধায়ক ইমানুৱেল ম'ছাহাৰী আৰু ৰাজ্য সভাৰ সাংসদ বিশ্বজিৎ দৈমাৰীয়ে বিজেপিত যোগদান কৰাৰ পাছত বিটিআৰত বিজেপিৰ শক্তি দুগুণ বৃদ্ধি হব । নাগ্ৰীজুলি মণ্ডল বিজেপিৰ সম্পাদক অৰবিন্দ দাসে আত ধৰা আৰু সভাপতি ৰাম বাচতোলাৰ সভাপতিত্বত অনুষ্ঠিত যোগদান সমাৰোহত প্ৰাক্তন ভিচিডিচিৰ অধ্যক্ষ দেবেন মেধী আৰু বিশিষ্ট সমাজ কৰ্মী অমৰ প্ৰধানৰ নেতৃত্বত প্ৰায় পাঁচশ গৰাকী বিপিএফ দলৰ নেতা কৰ্মী আজি বিজেপি দলত আনুষ্ঠানিক ভাৱে যোগদান কৰে । আজিৰ যোগদান সমাৰোহত বা'ক্সা জিলা বিজেপিৰ সভাপতি ৰাম দাহাল,সম্পাদক ৰাজেশ বড়ো, বা'ক্সা জিলা বিজেপিৰ প্ৰাক্তন সভাপতি কৃষ্ণ স্বৰ্গীয়াৰী, বা'ক্সা জিলা যুৱ মৰ্চাৰ সভাপতি কৰণ ছেত্ৰী,উপ সভাপতি ভজন দাসৰ লগতে বহু কেইজন নেতা কৰ্মী উপস্থিত থাকে ।





# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

১৫ নৱেম্বৰ, ২০২০ দেওবাৰ, গুৱাহাটী ২৯ কাতি ১৯৪২ শক






## ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শিমলুগুৰি আঞ্চলিক সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৪ নৱেম্বৰ ঃ** ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শিমলুগুৰি আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভাখন শিমলুগুৰি এছ বি আই বেংকৰ কাষত থকা সভাগৃহত আজি অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শিৱসাগৰ জিলাৰ সভাপতি ৰিতুমনি হাজৰিকাই। ছাত্ৰ প্ৰতিনিধিসকলৰ আগত এটা ছাত্ৰ সংগঠন হিচাপে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ দায়িত্ব আৰু কৰ্তব্য সন্দৰ্ভত বক্তব্য আগবঢ়ায় জিলাৰ সহঃ সম্পাদক আছিফ ইছলামে। লগতে সংগঠনটোৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক পৰাশৰ কোঁৱৰে বৰ্তমান বিজেপি চৰকাৰখনে দেশৰ জনসাধাৰণৰ ওপৰত লোৱা জনবিৰোধী নীতিসমূহৰ সমালোচনা কৰে। আজিৰ সভাত সংগঠনটোৰ সাংগঠনিক তথা সংগঠনটোৰ কৰ্মসূচী সন্দৰ্ভত বিশদ আলোচনা কৰে। শিমলুগুৰি অঞ্চলৰ শিক্ষক মুনিন্দ্ৰ লাহন, জিলাৰ যুটীয়া সম্পাদক ৰাজু চেতিয়া ফুকনকে ধৰি ভালেকেইজন বিষয়ববীয়াই অংশগ্ৰহণ কৰা প্ৰতিনিধি সভাৰ শেষত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ শিমলুগুৰি আঞ্চলিক সমিতিখন গঠন কৰা হয়। সভাই সৰ্বসন্মতিক্ৰমে বিকাশ ফুকনক সভাপতি, ইমৰান আলী আৰু ইদুল ইছলামক কাৰ্যকৰী সভাপতি, শোভন চাও, ৱাকিল হক, ৰেকিবুৰ ৰহমানক উপ-সভাপতি, পৰাগ কুমাৰ গগৈ, দীপক নৰহক সাধাৰণ সম্পাদক হিচাপে লৈ এখন ৩১জনীয়া সমিতি গঠন কৰা হয়।

## ৰাইজৰ দলৰ দেৰগাঁও সমষ্টি সমিতিৰ কাৰ্যালয় মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৪ নৱেম্বৰ ঃ** দেৰগাঁও বিধান সভা সমষ্টিৰ অন্তৰ্গত পানীচকুৱাৰ সমীপৱৰ্তী আমতলত 'ৰাইজৰ দল'ৰ সমষ্টি সমিতিৰ এখন কাৰ্য্যনিৰ্ব্বাহক সভা 12 নৱেম্বৰত অনুষ্ঠিত কৰাৰ লগতে ৰাইজৰ দলৰ সমষ্টি সমিতিৰ কাৰ্যালয় মুকলি কৰা হয় । অনুষ্ঠানটোত নৱগঠিত দলটোৰ ৰাজ্যিক আহ্বায়ক প্ৰবীন দাস, গোলাঘাট জিলাৰ আহ্বায়ক নৃপেন দত্ত, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ গোলাঘাট জিলা সমিতিৰ উপ সভাপতি বিপ্ৰ বৰা আৰু চাহ শ্ৰমিক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় যুটীয়া সম্পাদক দীপক ৰবিদাস, আদি অন্যান্য নেতা কৰ্মী উপস্থিত থাকে । গোলাঘাট জিলাৰ ৰাইজৰ দলৰ মুখ্য আহ্বায়ক নৃপেন দত্ত ডাঙৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাত দেৰগাঁও সমষ্টি সমিতিৰ কেইবাজনো বিষয়ববীয়া উপস্থিতিত বিভিন্ন দলৰ নেতা কৰ্মীয়ে আনুষ্ঠানিকভাৱে ৰাইজৰ দলত যোগদান কৰে । । উক্ত সভাত প্ৰবীন দাস ডাঙৰীয়াই বৰ্তমানৰ অ গপ-বিজেপি চৰকাৰৰ লগতে পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ অকৰ্মন্য বিধায়কৰ চূড়ান্ত দায়িত্বজ্ঞানহীনতাক সমালোচনা কৰি আগন্তুক নিৰ্বাচনত আঞ্চলিকতাবাদী দলৰ ঐক্যবদ্ধ শক্তিৰ সন্মুখত যে মুখঠেকেচ্ছা খাব এই কথা স্পষ্টকৈ দাঙি ধৰে । সভাত নৃপেন দত্ত ডাঙৰীয়াৰ দলৰ পৰৱৰ্তী কাৰ্যক্ৰমনিকাৰ বিষয়ে ৰাইজক অৱগত কৰি ৰাইজৰ দলত ৰাইজৰ যোগদান কাৰ্যসূচী চলাই নিয়ে । বিভিন্ন সংগঠনৰ বহু লোকে নতুন দলটিক আঁকোৱালি লোৱাটো দলটোৰ বাবে এক শুভ লক্ষণ বুলি দেৰগাঁও সমষ্টি সমিতিৰ সাধাৰণ সম্পাদক সঞ্জীৱ বৰাই জানিবলৈ দিয়ে ।

## বিশিষ্ট সাজকৰ্মী প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ দেহাৱসান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ নৱেম্বৰ ঃ** বিশিষ্ট্য সমাজকৰ্মী তথা অসম চৰকাৰৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত অধীক্ষক গুৱাহাটী পাঞ্জাবাৰী নিৱাসী প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ হৃদৰোগত আক্ৰান্ত হৈ ৭৬ বছৰ বয়সত আজি পুৱা ৫.৩০ ত দেহাৱসান ঘটে । গুৱাহাটী জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সক্ৰিয় সদস্য ,সমাজকৰ্মী বৰুৱাৰ মৃত্যুত সমগ্ৰ অঞ্চলত শোকৰ ছা পৰিছে । ১৯৪৬ চন ৩১ জুলাইত নগাওঁ জিলাৰ ৰহাত জন্ম গ্ৰহণ কৰা প্ৰফুল্ল চন্দ্ৰ বৰুৱা সৰুৰে পৰাই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰে জড়িত থাকি ৰাইজৰ সেৱা আগবঢ়াই আহিছিল । অসম চৰকাৰৰ স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ কৰ্মজীৱনত নিজৰ একনিষ্ঠ সেৱাৰ দ্বাৰা অতি জনপ্ৰিয় হৈ পৰা অতি অমায়িক বৰুৱা সেই সময়ত বিভাগৰ বিষয়া-কৰ্মচাৰীৰো অতি প্ৰিয় আছিল। একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে ৰাইজৰ সেৱা আগবঢ়োৱা প্ৰয়াত বৰুৱাই ২০০৪ চনত অৱসৰ গ্ৰ হণ কৰি গুৱাহাটী পাঞ্জাবাৰীৰ কৈলাশ নগৰত নিগাজিকৈ থাকিবলৈ লয় । বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰে জড়িত বৰুৱাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে অশেষ গুণমুগ্ধই তেখেতৰ বাসগৃহত উপস্থিত হৈ শেষ শ্ৰদ্ধা নিবেদন কৰে । মৃত্যুৰ সময়ত বৰুৱাই পত্নী সহ এজন পুত্ৰ, এগৰাকী কন্যাৰ লগতে বহুতো আত্মীয়স্বজন,গুণমুগ্ধক এৰি থৈ যায় । প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ মৃত্যুত বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তীয়ে গভীৰ শোক প্ৰকাশ কৰিছে । এক শোক বাৰ্তাত এচক্ৰৱৰ্ত্তীয়ে কয় যে একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত বৰুৱাই ৰাজ্যখনৰ সামাজ জীৱনলৈ অভূতপুৰ্ব বৰঙণি আগবঢ়াই গৈছে । তেখেতৰ মৃত্যুত সামাজ জীৱনৰ অপূৰণীয় ক্ষতি বুলি অভিহিত কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। বৰুৱাৰ মৃত্যুত অসম জ্যেষ্ঠ নাগৰিক সন্মিলন, গুৱাহাটী জ্যেষ্ঠ নাগৰিক সন্মিলন,পাঞ্জাবাৰী উন্নয়ন সমিতি আদি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

## ডুমডুমাত কংগ্ৰেছৰ বৃহৎ যোগদান সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ১৪ নৱেম্বৰ ঃ** যিমানেই বিধানসভাৰ নিৰ্বাচন চমু চাপি আহিছে সিমানেই ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনকেন্দ্ৰিক বতাহ গৰম হৈ উঠিছে। তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টিও পিছপৰি ৰোৱা নাই। আগন্তুক অসম বিধানসভাৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছ দলে ডুমডুমা সমষ্টিত নিজৰ সাংগঠনিক ভেটি শক্তিশালী কৰি ৰাখিবলৈ যৎপৰোনাস্তি চেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ অংশ হিচাপে আজি কংগ্ৰেছ দলৰ অ', বি, চি, শাখাৰ সাধাৰণ সভাৰ লগত সংগতি ৰাখি ডুমডুমাত এক যোগদান কাৰ্যসূচী আয়োজন কৰে। কাৰ্যসূচীত ডুমডুমা সমষ্টিৰ বিভিন্ন অঞ্চলৰ পৰা অহা প্ৰায় এশ বিশজন লোকে কংগ্ৰেছত যোগদান কৰে। যোগদান কাৰ্যসূচীৰ সভাত কংগ্ৰেছ দলৰ তিনিচুকীয়া জিলাৰ সভাপতি জয়ন্ত কলিতা, প্ৰাক্তন মন্ত্ৰী পৱন সিং ঘাটোৱাৰ, প্ৰণতি ফুকন, থাওৰা সমষ্টিৰ প্ৰাক্তন বিধায়ক সুশান্ত বুঢ়াগোহাই আৰু ডুমডুমা বিধান সভাৰ বিধায়ক দুৰ্গা ভূমিজ উপস্থিত থাকি ২০২১ত অসমৰ বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দল পুনৰ ক্ষমতালৈ আহিব বুলি উল্লেখ কৰাৰ লগতে বিজেপি চৰকাৰৰ বিৰুদ্ধে যুৱ প্ৰজন্মৰ ক্ষোভে তীব্ৰ ৰূপ ধাৰণ কৰা বুলি উল্লেখ কৰে । ২০২১ৰ অসম বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলক জয়যুক্ত কৰিবলৈ যুৱ চামে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলিও প্ৰাক্তন মন্ত্ৰীদ্বয় পৱন সিং ঘাটোৱাৰ আৰু প্ৰণতি ফুকনে মত পোষণ কৰে। সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ ডুমডুমা আঞ্চলিকৰ উপদেষ্টা ৰাম প্ৰজাৰ নেতৃত্বত 20 জন কৰ্মকৰ্তাই আজি কংগ্ৰেছত যোগদান কৰে।

## নিৰ্ভীক সাংবাদিক পৰাগ ভূঞালৈ ডুমডুমা প্ৰেছ ক্লাবৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ১৪ নৱেম্বৰ ঃ** দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিৰ বাতৰি পৰিৱেশন কৰি কিছু লোকৰ চকুৰ কুটা দাঁতৰ শূল হৈ পৰা কাকপথাৰৰ নিৰ্ভীক সাংবাদিক পৰাগ ভূঞাক গাড়ীৰে খুন্দিয়াই হত্যা কৰাৰ প্ৰতিবাদ সকলো স্তৰৰ সাংবাদিক আৰু সংস্থা-সংগঠনৰপৰা হৈ থকাৰ মাজতে আজি সন্ধিয়াপৰত মৃতকৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ অৰ্থে স্থানীয় গান্ধী মূৰ্তিৰ ওচৰত এটি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। ডুমডুমা প্ৰেছ ক্লাবৰ সদস্যসকলৰ উপৰি স্থানীয় প্ৰায় সকলো সংগঠনৰ প্ৰতিনিধি উপস্থিত হৈ তেওঁৰ অকাল বিয়োগৰ কাৰণত সকলোৰে শোকত ভাগি পৰে। প্ৰেছ ক্লাবৰ সভাপতি অনুজ কলিতাই বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানটো আৰম্ভ কৰে। তাৰ পিছতে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰকাশজ্যোতি বৰঠাকুৰ, যুৱ-ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলাৰ সভাপতি সুৰজিত মৰাণ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱা, ডুমডুমা শাখা সাহিত্য সভাৰ সভাপতি বিমলা বৰুৱা, কণ্ঠশিল্পী অনামিকা লহকৰ আদি কৰি শতাধিক লোকে গান্ধীমূৰ্তিৰ চৌপাশে একোগচি বন্তি প্ৰজ্বলন কৰি পোহৰাই তোলে । সমৱেত সকলোৰে নিৰ্ভীক সাংবাদিকগৰাকীৰ হত্যাকাণ্ডৰ চি বি আইৰ তদন্ত কৰিবলৈ দাবী উত্থাপন কৰে।



*বি জে পি নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে নাজিৰাত যুৱ কংগ্ৰেছ - এন এছ ইউ আইৰ উত্তাল প্ৰতিবাদ*

## ৰাজপথেৰে যোৱা খবৰ সন্ধানী সাংবাদিকলৈ চোঁচা

# ৪৬নং ৰাঙ্গাপানী গাঁও পঞ্চায়তৰ সভানেত্ৰীৰ স্বামীৰ গুণ্ডাগিৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৪ নৱেম্বৰ ঃ** ১৪ নৱেম্বৰ দক্ষিণ কামৰূপ জিলাৰ ৪৮ নং বকো বিধানসভা সমষ্টিৰ ছমৰীয়া ব্লকৰ ৪৬নং ৰাঙ্গাপানী গাঁও পঞ্চায়তত খামিডাঠ স্বামীৰ শকতিৰে সোঁৰে-বাঁৰে লুণ্ঠনৰাজ চলাইছে পঞ্চায়ত সভানেত্ৰী ৰংফুল নেছাই। আনহাতে সভানেত্ৰীৰ স্বামী জহৰ আলী পত্নীৰ পদৱীৰ বলত ইমানেই সাহসী আৰু বলীয়ান হৈ উঠিছে যে নিজৰ অনুমতি অবিহনে পঞ্চায়তী এলেকাত যিকোনো লোকৰে প্ৰৱেশ পৰ্যন্ত নিষিদ্ধ কৰিছে। বৃহস্পতিবাৰে সভানেত্ৰীৰ স্বামীৰ অনুমতি অবিহনে বাতৰি সংগ্ৰহৰ বাবে যোৱা সাংবাদিকৰ দল এটাক বাট আগচি ধৰি ফটো লোৱা বাবেই সাংবাদিকৰ মোবাইল পৰ্যন্ত কাঢ়ি নিবলৈ ওলোৱা আৰু মাৰিবলৈ চোঁচা লয় যদিও কথমপি সাংবাদিকৰ দলটি স্থান পৰিত্যাগৰ বাবে বাধ্য হয়। নগৰবেৰা প্ৰেছ ক্লাবৰ তৰফৰ পৰা বাতৰি সংগ্ৰহৰ বাবে অঞ্চলটোৰ ৰাজপথেৰে গৈ বেয়া ৰাস্তাৰ ফটো লোৱা অৱস্থাত পঞ্চায়ত খনৰ ২নং ৱাৰ্ডৰ সদস্য চোলেমান আলীয়ে প্ৰথমে সাংবাদিকক ফটো লোৱা বাৰণ কৰে আৰু ফোনযোগে কাৰোবাক মাতে । কিছুপৰৰ পাছত উক্ত স্থানত পঞ্চায়ত সভানেত্ৰী ৰংফুল নেছাৰ স্বামী জহৰ আলী উপস্থিত হয় আৰু সাংবাদিকক কাৰ অনুমতি লৈ ৰাস্তাটোত সোমাইছে বুলি তৰ্জন-গৰ্জন কৰিবলৈ লয় । সাংবাদিকৰ দলৰ এজনে ৰাজহুৱা স্বাৰ্থজড়িত বাতৰি সংগ্ৰহৰ বাবে কাৰো অনুমতি নালাগে বুলি উত্তৰ দিয়াত খৰ্গহস্ত হৈ পৰে সভানেত্ৰী স্বামী জহৰ আলী আৰু সাংবাদিকক শাৰীৰিকভাৱে প্ৰহাৰৰ বাবে চোঁচা লয়, আনকি এজনৰ মোবাইল ফোন পৰ্যন্ত কাঢ়ি নিব বিচাৰে যদিও সফল নহ'ল। জহৰ আলীয়ে সাংবাদিকক প্ৰাণে মৰাৰো ভাবুকি দিয়ে। উল্লেখ্য যে ১নং দক্ষিণ ৰাঙ্গাপানীৰ পৰা বদলা বজাৰ (জাহাঙ্গীৰৰ ঘৰৰ পৰা তাচেৰ আলীৰ ঘৰ) পৰ্যন্ত পথটি চলিত বৰ্ষৰ ২০ জুনতেই প্ৰায় ১১ লাখ টকা ব্যয়ৰে এম জি এনৰেগ আঁচনিৰ কামৰ শুভাৰম্ভ কৰা হৈছিল যদিও আজিকোপতি কাম সম্পূৰ্ণ হোৱা নাই । যি তথ্য ৰাস্তাৰ স্থাপন কৰা তথ্য ফলকত উল্লেখ আছে অৱশ্যে উপৰ্যুপৰি হোৱা বানপানীৰ বাবেই কাম লেহেমীয়া হোৱাৰ অনুমান কৰি সাংবাদিকৰ দলটো দুখনমান ফটো লৈয়েই তাৰ পৰা আঁতৰিব খুজিছিল যদিও হেন সময়তে আগ-পিছ নুগুণি পঞ্চায়ত সভানেত্ৰীৰ পত্নীৰ বাহাদুৰিতেই গুৰু-গোসাঁই নমনা স্বামী জহৰ আলীয়ে এনে অবাঞ্ছিত কাণ্ড সংঘটিত কৰাৰ দুঃসাহস গোটোৱা বুলি সকলোৰে ধাৰণা কৰিছে । স্মৰ্তব্য যে জহৰ আলীৰ পঞ্চায়তত সাংবাদিক দূৰৰে কথা প্ৰশাসনৰ লোকেও জহৰ আলীৰ পূৰ্বানুমতি অবিহনে প্ৰৱেশ কৰিব নোৱাৰে বুলিও সদম্ভে ঘোষণা কৰে । ইফালে বাতৰি সংগ্ৰহৰ বাবে গৈ পঞ্চায়ত সভানেত্ৰীৰ স্বামীৰ নিগ্ৰহৰ সন্মুখীন হ'বলগীয়া হোৱাত সাংবাদিকৰ দলটিও বিব্ৰত হয় আৰু নিৰাপত্তাহীনতাত



ভোগে। ঘটনা সন্দৰ্ভত অভিযুক্ত ৱাৰ্ড সদস্য ছোলেমান আলী আৰু কংগ্ৰেছী পঞ্চায়ত সভানেত্ৰীৰ স্বামী জহৰ আলীৰ বিৰুদ্ধে সোণতলী থানাত ভুক্তভোগী সাংবাদিকে এটা গোচৰ তৰিছে যদিও এই মুহূৰ্তলৈ পলাতক হৈ আছে দুয়োজনে। সচেতন ৰাইজৰ লগতে নগৰবেৰা প্ৰেছ ক্লাবৰ তৰফৰ পৰা এই সন্দৰ্ভত অভিযুক্ত ৱাৰ্ড সদস্য ছোলেমান আলী আৰু জহৰ আলীৰ বিৰুদ্ধে সংশ্লিষ্ট কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

## শ্ৰীশ্ৰীনৰাবাৰী সত্ৰত অতিথিশালাৰ আধাৰশিলা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ১৪ নৱেম্বৰ ঃ** অসম চৰকাৰে অসমৰ সত্ৰসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ জৰিয়তে সত্ৰসমূহৰ ঐতিহ্য, আধ্যাত্মিক চৰ্চা আৰু সাংস্কৃতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদানসমূহক স্বীকৃতি দিয়াৰ মানসেৰে ৰূপায়ণ কৰা 'অসম দৰ্শন' আঁচনিৰ অধীনত কালি নাজিৰা উন্নয়ন খণ্ডৰ জয়মতী গাঁও পঞ্চায়ত এলেকাৰ জতকীয়া গাঁৱত অৱস্থিত শ্ৰীশ্ৰীনৰাবাৰী সত্ৰত এটি অতিথিশালাৰ আধাৰশিলা স্থাপন কৰা হয়। এই উপলক্ষত আয়োজিত এক চমু অনুষ্ঠানত অংশগ্ৰহণ কৰি নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি তথা অতিৰিক্ত উপায়ুক্ত লখিমী দত্তই আধাৰশিলা স্থাপন কৰে। অতিথিশালা নিৰ্মাণ সমিতিৰ সদস্য সচিব তৰুণ চন্দ্ৰ নাথে আঁত ধৰা অনুষ্ঠানত ভাষণ দি মহকুমাধিপতিগৰাকীয়ে অসম চৰকাৰৰ এনে পদক্ষেপক ভূয়সী প্ৰশংসা কৰাৰ লগতে নাজিৰা মহকুমাৰ ভিতৰতে সীমামূৰীয়াত অৱস্থিত অতি পুৰণি সত্ৰ হিচাপে পৰিচিত শ্ৰীশ্ৰীনৰাবাৰী সত্ৰই উক্ত আঁচনিভুক্ত হোৱাত সন্তুষ্টি প্ৰকাশ কৰে। লগতে উক্ত অতিথিশালাটি যাতে নিৰ্মাণ সমিতিয়ে আটকধুনীয়াকৈ নিৰ্মাণ কৰি সত্ৰখনৰ লগতে স্থানীয় অঞ্চলৰ ৰাইজকো উপকৃত কৰিব পাৰে সেই আশা ব্যক্ত কৰে। অনুষ্ঠানত অসম সত্ৰ মহাসভাৰ প্ৰাক্তন সভাপতি লক্ষ্মীকান্ত মহন্ত আৰু শিৱসাগৰ জিলা সত্ৰ মহাসভাৰ সভাপতি তুলসী শেনচোৱাই চমু বক্তব্য দাঙি ধৰে। সত্ৰ চৌহদত অস্থায়ী সভাগৃহত আয়োজিত অনুষ্ঠানটিত শিৱসাগৰ জিলা সত্ৰ মহাসভাৰ সম্পাদক গৌতম কোচ, নাজিৰা উন্নয়ন খণ্ডৰ কনিষ্ঠ অভিযন্তা প্ৰাণজিৎ ভূঞা, উন্নয়ন খণ্ড কাৰ্যালয়ৰ কৰ্মচাৰী সমীৰন দত্ত, সত্ৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি তথা শিক্ষাবিদ উপেন চন্দ্ৰ নাথ, নৰাবাৰী সত্ৰৰ সত্ৰাধিকাৰ হীৰানাথ মহন্ত, স্থানীয় গাঁওবুঢ়া শোণিত কুমাৰ গগৈ, বিশিষ্ট সমাজকৰ্মী বিমল ভৰালী, মহকুমাধিপতি কাৰ্যালয়ৰ কনিষ্ঠ সহায়ক বিশ্বজিৎ নাথ, স্থানীয় সংবাদসেৱী-লেখক হৰেন চন্দ্ৰ নাথ, ৱাৰ্ড সদস্য ফণীধৰ গগৈ, শিক্ষক ৰত্নেশ্বৰ গগৈ, সমাজকৰ্মী অমিয় মাধৱ গগৈ, সুখেশ্বৰ নাথ, গোলাপ নাথ, ৰমেশ নাথকে মুখ্য কৰি বহুসংখ্যক ব্যক্তি উপস্থিত থাকে।

কলাইগাঁৱত গণ সুৰক্ষা পাৰ্টী ওদালগুৰি জিলা সমিতিৰ সংবাদ মেল

## বিটিচিত ৩০খন আসন পাই এইবাৰ বিটিচিত গণ সুৰক্ষা পাৰ্টীৰ চৰকাৰ গঠন কৰাটো নিশ্চিত ঃ নৰেন্দ্ৰ চন্দ্ৰ ডেকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১৪ নৱেম্বৰ ঃ** শনিবাৰে কলাইগাঁৱত অৱস্থিত ওদালগুৰি জিলা গণ সুৰক্ষা পাৰ্টীৰ অস্থায়ী কাৰ্যালয়ত ওদালগুৰি জিলা গণ সুৰক্ষা পাৰ্টীৰ সভাপতি যাদৱ শইকীয়া আৰু ওদালগুৰি জিলা গণ সুৰক্ষা পাৰ্টীৰ সাধাৰণ সম্পাদক তথা মুদৈবড়ী পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী নৰেন্দ্ৰ চন্দ্ৰ ডেকাই এক সংবাদ মেল সম্বোধন কৰে। সংবাদ মেলত ওদালগুৰি জিলা গণ সুৰক্ষা পাৰ্টীৰ সভাপতি যাদৱ শইকীয়াই কয় যে, আমি ইতিমধ্যে কিছু সুত্ৰৰ পৰা জানিবলৈ পাইছে যে আমি অন্য দলৰ পৰা কিছু টকা পইচাৰ বিনিময়ত বিটিচি নিৰ্বাচনত বহি গৈছো এনে ধৰণৰ এটা অপৰ প্ৰচাৰ চলিছে। আচলতে বিটিচি অঞ্চলত আগন্তুক বিটিচি নিৰ্বাচনক লৈ গণ সুৰক্ষা পাৰ্টীৰ ভাবমূৰ্তি দেখি বাকীবোৰ ৰাজনৈতিক দল সংকিত হৈছে। যাৰ ফলত তেওঁলোকে যিকোনো কথা কবলৈ আৰম্ভ কৰিছে। আমাৰ দল এটা নীতি আদৰ্শ থকা দল, এনেকুৱা নহয় যে আমি কাৰোবাৰ পৰা টকালৈ বহি যাম। আনফালে ওদালগুৰি জিলা গণ সুৰক্ষা পাৰ্টীৰ সম্পাদক তথা মুদৈবড়ী পৰিষদীয় সমষ্টিৰ প্ৰাৰ্থী নৰেন্দ্ৰ চন্দ্ৰ ডেকাই কয় যে, মই প্ৰায় ১ মাহ সময় অসুস্থ হৈ থকাৰ বাবে সমষ্টিত নিৰ্বাচনী প্ৰচাৰৰ বাবে ঘূৰি ফুৰিব পৰা নাছিলো কিন্তু মই নিৰ্বাচনত বহি যোৱা নাই। মই অসুস্থ হৈ থকাৰ সুযোগ লৈ কিছু দলৰ লোকে উলিয়াই দিছে যে মই আন দলৰ পৰা টকা লৈছো সেয়া কেতিয়াও নহয় আৰু হ'ব নোৱাৰে। সেই কথা শাম কটাৰ লগে লগে আকৌ আজিৰ পৰা ৩-৪ দিন ধৰি আকৌ মোৰ নামত ধন লোৱাৰ এক অপপ্ৰচাৰ আৰম্ভ কৰিছে সেয়া কেতিয়াও হোৱা নাই আৰু নহয়। কোনো কাৰণতে আমি কোনো ৰাজনৈতিক দলৰ পৰা টকা লোৱা নাই। আমি বিটিচিৰ ৰাইজৰ বাবে ৰাইজৰ চিন্তাত ওলাই আহিছো কেৱল নিজৰ চিন্তাত ওলাই অহা নাই সেয়া আমাৰ স্পষ্ট কথা। বৰ্তমানলৈকে আমি ব্ৰহ্মপুত্ৰ নদীৰ তলৰ সোঁতৰ দৰে আগবাঢ়ি গৈ আছো। বৰ্তমানলৈকে আমি বাইকৰেলী কৰা নাই, গণসমাৱেশ অনুষ্ঠিত কৰা নাই আৰু পদযাত্ৰা কৰা নাই কিন্তু সেইখিনিও আমি অতি শীঘ্ৰেই কৰিম। ডেকাই কয় যে হাতী এটা ৰাস্তাৰ কাষেৰে গ'লে কুকুৰে ভুকে কিন্তু কামুৰিব নোৱাৰে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য প্ৰকাশ কৰাৰ লগতে বিটিচিত ৩০খন আৰু ইয়াৰ ভিতৰত ওদালগুৰি জিলাৰ ৬খন আসন পাই এইবাৰ বিটিচিত গণ সুৰক্ষা পাৰ্টীৰ চৰকাৰ গঠন কৰাটো নিশ্চিত বুলি জানিবলৈ দিয়ে।




*ওদালগুৰিৰ গণ সুৰক্ষা পাৰ্টীৰ মনোনীত প্ৰাৰ্থী নৰেন্দ্ৰ চন্দ্ৰ ডেকাৰ হৈ এক প্ৰচাৰ সভা*

## প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক পুলেন তাচাৰ বিয়োগ


**দৈনন্দিন বাৰ্তাৰ সেৱা, মাহমৰা, ১৪ নৱেম্বৰ ঃ** চৰাইদেউ জিলা সোণাৰি (চেপন) প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত মাহমৰা বাঁহবাৰী বাগান প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক পুলেন তাচা (৫৫) কালি নিশা ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয় । দীৰ্ঘদিন ধৰি উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হৈ থকা প্ৰয়াত তচা বাঁহবাৰী বাগান প্ৰাথমিক বিদ্যালয় স্থাপন কৰি প্ৰধান শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল । চৰাইদেউ জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সদস্য প্ৰয়াত তচাৰ আজি বিয়োগৰ খবৰ বিয়পি পৰাৰ লগে লগে শতাধিক গুণমুগ্ধ তেখেতৰ বাসগৃহত উপস্থিত হয় । ইয়াৰ পিছতে প্ৰয়াত প্ৰধান শিক্ষকগৰাকীৰ চোতালত এখন শোক সভা অনুষ্ঠিত হয় । সভাত চৰাইদেউ জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰাক্তন সম্পাদক জীতেন দাসে প্ৰয়াত তচাৰ জীৱন কালৰ বিভিন্ন কথা ব্যক্ত কৰে । সভাত বাঁহবাৰী বাগান প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি সমাজকৰ্মী দিলাৱৰ তাঁতী, কিৰণ চৱৰকে ধৰি বহুকেইজন ব্যক্তিয়ে প্ৰয়াত তচাৰ জীৱনৰ সম্পৰ্কত ব্যাখ্যা কৰে । উক্ত অনুষ্ঠানতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়াত প্ৰধান শিক্ষকগৰাকীক অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে । মৃত্যুৰ সময়ত শিক্ষকগৰাকীয়ে পত্নী, তিনি পুত্ৰ আৰু এগৰাকী কন্যাক ইহসংসাৰত এৰি থৈ যায়।

## সাংবাদিক পৰাগ ভূঞালৈ শিৱসাগৰৰ সাংবাদিক সমাজৰ শ্ৰদ্ধাঞ্জলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৪ নৱেম্বৰ ঃ** সাংবাদিক পৰাগ ভূঞালৈ শ্ৰদ্ধাঞ্জলি জনাই বৃহস্পতিবাৰে সন্ধিয়া শিৱসাগৰৰ সাংবাদিকসকলে নগৰৰ দ'লমুখ চাৰিআলিৰ সম্নিপত অৱস্থিত ড° ভূপেন হাজৰিকাৰ পূৰ্ণাঙ্গ প্ৰতিমূৰ্তিৰ তলত প্ৰয়াত সাংবাদিক গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বন্তিপ্ৰজ্বলন কৰাৰ লগতে মৌন প্ৰাৰ্থনা কৰে। লগতে শিৱসাগৰৰ সাংবাদিকসকলে শ্ৰদ্ধাঞ্জলি স্থানৰ পৰাই প্ৰয়াত সাংবাদিক পৰাগ ভূঞাৰ ৰহস্যজনক মৃত্যুৰ উচিত তদন্তৰ দাবী জনায়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি শিৱসাগৰ জিলাৰ প্ৰেছক্লাৱ, শিৱসাগৰ জিলাৰ ই-মেডিয়া সন্থা, শিৱসাগৰ জিলা বাৰ্তাজীৱী সংঘ, জিলা গ্ৰাম্য সাংবাদিক সন্থা, সাংবাদিক পৰিষদ অসম, শিৱসাগৰ জিলা সমিতিৰ কৰ্মকৰ্তাসকলৰ লগতে বিশিষ্ট ব্যক্তিসকলে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ গ্ৰহণ কৰে।

## দীপাৱলী ঃ ভয়ংকৰ পৰিস্থিতিৰ পৰা ৰক্ষা মৰাণ সমষ্টিৰ কেইবাটাও অঞ্চল

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৪ নৱেম্বৰ ঃ** আজি পোহৰৰ উৎসৱ দীপাৱলী। মৰাণ সমষ্টিৰ অন্তৰ্গত কোটোহাৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ এন আৰ এল পেট্ৰল ডিপোত ৰখাই থোৱা অৱস্থাত সংঘটিত হয় এক ভয়ংকৰ ঘটনা। গছৰ ডাল পৰি গেছভৰ্তি টেংকাৰৰ প্ৰেচাৰ মিটাৰ খুলি যোৱাৰ লগে লগে ভয়ংকৰ ভাবে এল পি জি গেছ নিৰ্গত হয়। ঘটনাস্থলীত ডিব্ৰুগড় গেছ ক্ৰেকাৰ প্ৰকল্পৰ অগ্নিনিৰ্বাপক বাহিনী আৰু অসম ৰাজ্যিক অগ্নিনিৰ্বাপক বাহিনীৰ দল উপস্থিত হৈ গেছ নিৰ্গমন সাময়িক ভাবে বন্ধ কৰিবলৈ সক্ষম হয়। অগ্নি নিৰ্বাপক বাহিনীয়ে কাঠৰ গোটকা আৰু এম ছিল লগাই গেছবন্ধ কৰে যদিও সমগ্ৰ অঞ্চলত বৰ্তমান তীব্ৰ আতংক সৃষ্টি হয়। কিয়নো সমীপতে গেছ ক্ৰেকাৰ প্ৰকল্প আৰু মানুহৰ জনবসতিপূৰ্ণ এলাকায অৱস্থিত। যাৰ বাবে যিকোনো মুহূৰ্তত পৰিস্থিতি ভয়ংকৰ প্ৰকট হোৱাৰ আশংকাত দেখা দিছিল । কিন্তু আৰক্ষীৰ তৎপৰতাত স্থানীয় লোকক আতৰাই আৰু বিদ্যুৎ যোগান বন্ধ কৰি দিয়ে সমগ্ৰ অঞ্চলটোত। পিছত গেছ নিৰ্গত বন্ধ কৰিবলৈ সক্ষম হোৱাত আৰু বিশেষজ্ঞসকলে নিৰাপদ বুলি কোৱাত আতংকৰ পৰা শাম কাটে আৰু টেংকাৰখন খালী কৰিবলৈ আৰক্ষীয়ে ডিগবৈ আইঅ' চি লৈ পঠিয়াই দিয়ে। উল্লেখযোগ্য যে, এইএছ-০৪ বি চি-১৩৮৮ নম্বৰৰ এল পি জি গেছ পৰিবাহী টেংকাৰখনে যোৱা কলিকতাৰ পৰা ৪ নৱেম্বৰত ডিগবৈ অভিমুখে আহিছিল। আনহাতে, যোৱা ১০ নৱেম্বৰ এইএন আৰ এল পেট্ৰল ডিপোত পাৰ্কিং কৰি ৰাখিছিল। আজি পুৱা ভাগত গছৰ ডাল পৰি হঠাৎ গেছ নিৰ্গত ঘটনাটো সংঘটিত হয়। ডিগবৈ আই অ' চি পৰা বিশেষজ্ঞ দল আহি গেছ টেংকাৰৰ গেছ নিৰ্গত বন্ধ কৰি ডিগবৈ আই অ' চিলৈ প্ৰেৰণ কৰে।

# আত্মনিৰ্ভৰশীল নাৰী জুৰি শৰ্মা

■ হৰেন গগৈ



প্ৰাকৃতিক সম্পদত চহকী তথা প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ অসমত বিভিন্ন ক্ষেত্ৰত বিভিন্ন নাৰীয়ে বিভিন্ন সময়ত নিজস্ব পাৰদৰ্শিতা প্ৰদৰ্শন কৰি জনসমাদৰ লাভ কৰি আহিছে যে তাৰ উদাহৰণ স্বৰূপে মূলাগাভৰু আৰু সতী জয়মতীকে আদি কৰি মামণি ৰয়ছম গোস্বামীলৈকে বহুতো নাৰীৰ নাম উল্লেখ কৰিব পাৰি। অৱশ্যে আজিৰ আৰ্থিক সংকটৰ সময়তো বিভিন্ন ক্ষেত্ৰত নিজস্ব পাৰদৰ্শিতা প্ৰদৰ্শনৰ জৰিয়তে আত্মনিৰ্ভৰশীল হোৱা নাৰী নথকা নহয়। এনে এগৰাকী নাৰী হৈছে গুৱাহাটীৰ অন্তৰ্গত চেনিকুঠী হিল ছাইডৰ বাসিন্দা জুৰি শৰ্মা।

১৯৭৬ চনত নলবাৰীত সুবোধ শৰ্মাৰ কন্যা হিচাপে জন্ম গ্ৰহণ কৰি জুৰি শৰ্মাই যথাসময়ত গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছতেই দক্ষিণ ভাৰতৰ বিশাখাপট্টনমৰ এটা জল বিশুদ্ধ কৰণ কোম্পানী এটাত পৰিচালিকা হিচাপে যোগদান কৰে। কিন্তু স্বাধীন মনৰ জুৰিয়ে সেই কোম্পানীতে মাত্ৰ কেইমাহমান চাকৰি কৰাৰ পাছতে, সেই চাকৰি বাদ দি অসমলৈ ঘূৰি আহে। আৰু গুৱাহাটীৰ ৰাধা গোবিন্দ পথত জে কে এছ গ্ৰুপছ নামেৰে এটা কোম্পানী গঢ়ি উঠে। এই কোম্পানীটোৰ দ্বাৰা নিৰ্মিত 'লুইত মিনাৰেলছ' নামৰ পানী বিশুদ্ধকৰণ যন্ত্ৰটো ইতিমধ্যে অসমৰ বিভিন্ন অঞ্চলৰ উপৰি দিল্লী, পুনে, কানপুৰ আদি ভাৰতৰ বিভিন্ন অঞ্চলৰ লোকে ব্যৱহাৰ কৰি আহিছে।

নানা ধৰণৰ বাধা বিঘিনিৰ সন্মুখীন হৈয়ো জুৰি শৰ্মাই ২০০৮ চনৰে পৰাই সাতাইশজন কৰ্মচাৰী সহায়ত চলাই অহা এই প্ৰতিনিধিটোৰ লগত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে তিনি-চাৰিশ মান ব্যক্তি বৰ্তমান জড়িত হৈ আছে।

উল্লেখযোগ্য যে উত্তৰ-পূব ভাৰতত পাঁচশতকৈ অধিক ডিলাৰ থকা এই প্ৰতিষ্ঠানটো কেৱল ব্যৱসায়-বাণিজ্য কৰাতেই আবদ্ধ থকা নাই। সৰ্বসাধাৰণ ৰাইজৰ মাজত খোৱাপানী কিদৰে বিশুদ্ধ কৰি খাব পাৰি, সেই সম্পৰ্কত এই প্ৰতিষ্ঠানটোৱে সজাগতা আনিছে।

এইখিনিতে এটা কথা উল্লেখ নকৰিলে ভুল কৰা হ'ব যে, বৰ্তমান সমগ্ৰ বিশ্বতে মহামাৰীৰ ৰূপত দেখা দিয়া ক'ভিড-১৯ ৰ বাবে এই প্ৰতিষ্ঠানটোৱে ৰাইজৰ সেৱা আগনবঢ়োৱাকৈ থকা নাই। কাৰণ এই সময়ছোৱাত এই প্ৰতিষ্ঠানটোৰ দ্বাৰা বহুতো যুৱকে সংস্থাপনৰ পথ বিচাৰি পাইছে।

অনুগল্প

## জীৱন সংগ্ৰাম

■ অঞ্জু দেৱী

'তোমাক আৰু কোনোদিন আমনি নকৰোঁ, মনৰ জোখাৰে সুখী হোৱা'

পুৱাতে টেবুলৰ ওপৰত কাগজৰ টুকুৰাটো দেখি আকাশ আচৰিত হ'ল যদিও মনে মনে ভালেই পালে। অন্ততঃ সি এতিয়া নিজৰমতে সকলো কৰিব পাৰিব।সাতবছৰীয়া প্ৰেমৰ অন্তত শিক্ষয়িত্ৰী নিশাক আপোন কৰি লৈছিল বিবাহ বান্ধোনেৰে । বিয়াৰ দুবছৰৰ পিছত আউল লাগিল আকাশ আৰু নিশাৰ সংসাৰত । ব্যৱসায় সূত্ৰে ঘূৰি ফুৰোঁতে আন এগৰাকী ছোৱালীৰ লগত গঢ়ি উঠা অবৈধ সম্পৰ্কৰ বাবেই নিশা তিনিমহীয়া অন্তঃসত্ত্বাৰে আঁতৰি গৈছিল চিৰদিনলৈ আকাশৰ জীৱনৰপৰা। নিশা আচৰিত হৈছিল ,সন্দেহ হৈছিল তাই নিজৰ ওপৰতে ,ক'ত ভুল কৰিলে তাই ক্কতাই হৃদয়ৰ আপোনজনৰ সুখ কামনা কৰি পুৱতিনিশাই উঠি আকাশ শুই থকা অৱস্থাত আকাশৰ ভৰিৰ বুঢ়া আঙুলিৰে তাইৰ কপালৰ জোন যেন ফোটটো মচি লৈ আগবাঢ়িছিল আন এখন জীৱন যুঁজলৈ আজি যোল্ল বছৰৰ পিছত নিশাই আনন্দত চকুলো ধৰি ৰাখিবপৰা নাই। একমাত্ৰ ছোৱালী চিকমিকে হাই স্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যখনৰ ভিতৰতে ২য় স্থান পাবলৈ সক্ষম হৈছে ।আনফালে আকাশে নিউজ চেনেলত নিশা শইকীয়াৰ ছোৱালী চিকমিক শইকীয়াৰ সাফল্যৰ বাতৰি দেখি চিঞৰি চিঞৰি কান্দিছিল। যোল্ল বছৰে আকাশ কোনো সন্তানৰ পিতৃ হ'ব নোৱাৰা দুখ আৰু নিশাৰ লগতে কণমানিজনীক হেৰুৱাৰ দুখত আকাশ অনুশোচনাত বাৰুকৈয়ে দগ্ধ হৈছিল ।সকলো বাতৰি কাকত আৰু নিউজ চেনেলত অকলশৰে জীৱন সংগ্ৰামত জয়ী আৰু মাতৃৰ মমতাৰে বৃহৎ সাফল্য আঁজুৰি আনিবলৈ সক্ষম হোৱা নিশা শইকীয়াৰ একমাত্ৰ জীয়ৰী চিকমিক শইকীয়াৰ বাতৰিৰ শিৰোনাম দখলে চাৰিওফালে তোলপাৰ লগাইছিল।

গ্ৰন্থ সমালোচনা-

# লেখিকা 'অস্তাচলত হেঙুলী ৰহণ' গ্ৰন্থৰ পম খেদি

মাজুলীৰ এগৰাকী পৰিচিত লেখিকা পূৰ্ণিমা শইকীয়া। পেচাত এগৰাকী শিক্ষয়িত্ৰী। সাহিত্যৰ পথাৰত চালুকীয়া খোজেৰে আগবাঢ়ি আহি সাম্প্ৰতিক অসমীয়া সাহিত্যৰ ক্ষেত্ৰখনত স্থিতি সবল কৰি তোলা পূৰ্ণিমা শইকীয়াৰ গল্প, কবিতা, প্ৰবন্ধ আদি বিভিন্ন কাকত আলোচনীত প্ৰকাশ পাই আহিছে। মাজুলী জিলাৰ লেখিকা সমাৰোহ সমিতি আৰু অসম সাহিত্য সভাৰ আজীৱন সদস্যা এইগৰাকী লেখিকাৰ হাতৰ পৰশত প্ৰাণ পাই উঠা বহু কবিতাৰ সমাহাৰ ঘটিছে 'কাঁচিয়লি' নামৰ ছজনীয়া কবিৰ নিৰ্বাচিত কাব্য গ্ৰন্থত আৰু বহুতো অণুগল্প লেখিকা নিৰজা বৰুৱাৰ সম্পাদনাত ৰহস্য প্ৰকাশনে প্ৰকাশ কৰা 'অণুগল্পৰ সমাহাৰ' তো প্ৰকাশিত হৈছে। সৌ-সিদিনা স্বামীক অকালতে হেৰুৱাই দুগৰাকী কণ্যাৰ মাতৃ শইকীয়াই ভাগি নপৰি স্থিৰ কৰি লৈছিল স্বামীৰ কাৰণেই তেওঁ লিখিব। 'অস্তাচলত হেঙুলী ৰহণ' এই গ্ৰন্থখনিও তাৰে ফচল বুলি কলেও ভুল কোৱা নহ'ব। গ্ৰন্থখনত আছে পোন্ধৰটা গল্প। আটাইকেইটা গল্প চুটি গল্পৰ শাৰীত পৰিব বুলি নকওঁ, কিন্তু অণুগল্প হিচাপে মুখপুথিত পাথকে আদৰি লোৱা মই নিজ চকুৰে দেখা। মই মাহী মা নহওঁ, মৰম, আশিস, বনানী কানন, দোমোজা, পুণ্য প্ৰাপ্তি, ম'বাইল নেটৱৰ্কিং, প্ৰেমৰ অবধ্য বীজ, ৰং জীৱনৰ, কালিকা লগা শৈশৱ, অতীতৰ বোকোচাত বৰ্তমানৰ সপোন, সাধুকথা আৰু নাতি ল'ৰা, মাতৃদিৱস, সমাজত বগা মতা ফুল নুফুলে আৰু অস্তাচলত হেঙুলী ৰহণ এই আটাইকেইটা গল্পই মৌ-গুটিৰ দৰে সাহিত্যৰ সুবিশাল ফুলনি খনত অলপ হ'লেও মৌ-ৰসৰ আস্বাদন দিব পাৰিছে বুলি মই ভাবো।

গ্ৰন্থখনত প্ৰকাশিত লেখিকা পূৰ্ণিমা শইকীয়াৰ গল্পকেইটা চুটি চুটি। মেদবহুলতা কম। একোটা কাহিনীৰ আলমত সাৱলীলভাৱে কথাবোৰ শুদ্ধ ভাষাৰে প্ৰকাশ কৰিছে। পাঠকৰ ৰুচিৰ প্ৰতি চকু ৰাখি গল্পকাৰ গৰাকীয়ে গল্পকেইটা হয়তো চুটি কৰিছে। গল্পকাৰ কৰাকীয়ে সেয়েহে অকপটে স্বীকাৰ কৰিছে যে বৰ্তমান সামাজিক মাধ্যমৰ ফেচবুক গ্ৰুপসমূহ সাহিত্য চৰ্চাৰ এখন বিশাল মঞ্চ হৈ পৰিছে। তাত স্বাধীনভাৱে সকলোৱে স্বাধীন মনে লেখা আগবঢ়োৱাৰ দৰে তেখেতেও পাঠক আৰু বন্ধু-বান্ধৱী সকলৰ তাগিদাত তেওঁলোকৰ মনোগ্ৰাহী হোৱাকৈ গল্পবোৰ লিখি গ'ল। আৰু এই গল্পপুথিখনত প্ৰকাশিত আটাইকেইটা গল্পই ফেচবুকৰ একোটা একোটা গ্ৰুপত প্ৰকাশিত গল্পহে। পাঠকে চুটি গল্পৰ শাৰীত ধৰিছেনে নাই তেখেতে বিচাৰ কৰি চোৱা নাই। অৱশ্যে বন্ধু-বান্ধৱীসকলে লাইক-কমেণ্টৰে উপচাই পেলোৱাত তেখেতে সোণগুটি চপোৱা বুলি ব্যক্ত কৰিছে। এইয়া গল্পকাৰ গৰাকীৰ নিজা শৈলী বুলি ক'ব পাৰে। 'অস্তাচলত হেঙুলী ৰহণ' গল্পটোৰ কেইটামান শাৰী পঢ়িলে গল্পকাৰগৰাকীৰ ৰচনাৰ শৈলীৰ উমান পাব পাৰি-

'অসহ্য পেটৰ বিষত চটফটাই আছে মাকে। মূৰৰ শিতানলৈ গৈ কণমানি দিবাকৰে মন মাৰি বহি আছে। মাজে মাজে মাকৰ মূৰটোক পিটিকি মোহাৰি আছে। তাৰ তিনিওজনী ভনীয়েক মাকৰ আশে পাশে থাকি গাটো পিহি আছে, ইটো সিটো যতনাই আছে।

গৰম পানী অকণমান খাচোন মা, তই ভাল পাই যাবি।


আজি তই ঔষধ নাখালি নেকি মা? ভনীয়েকহঁতৰ কথাবোৰ শুনি আছে দিবাকৰে।

দেউতা, ডাক্তৰটোকে মাতি আনকগৈচোন। মায়ে কিয় এনেকুৱা কৰি আছে?

যাম অ' বোপাই, বাহিৰত ঘোৰ অন্ধকাৰ। টৰ্চৰো পোহৰ আজিহে নোহোৱা হ'ল—।' এইদৰে গল্পকাৰে গল্পটো আগবঢ়াই নি মাকৰ মৃত্যু, দেউতাকৰ দ্বিতীয় বিবাহ, সংঘাতপূৰ্ণ জীৱন,পুতেক-জীয়েকৰ বিবাহ আৰু প্ৰেমৰ কাহিনীৰে গল্পটো শেষ কৰিছে। সেইদৰে প্ৰতিটো গল্পই লেখকে একঘেয়ামি সুৰত উপস্থাপন কৰিছে যদিও গল্পবোৰৰ মাদকতা আছে। চুটি গল্পত থাকিবলগীয়া কাহিনীৰ মেদবহুলতা গল্পবিলাকত তেনেকৈ পৰিলক্ষিত হোৱা নাই। হয়তো সেয়েহে বিভিন্ন কাহিনী বৰ্ণনাৰে একোটা গল্প উপস্থাপন কৰাত গল্পকাৰে কোনো কোনো ঠাইত উজুটি নোখোৱাকৈ থকা নাই। কিন্তু এইটো কথা স্পষ্ট যে গল্পকেইটাই পাঠকক একোটা বাৰ্তা নিশ্চয় দিব পাৰিব।

শেষত গল্পকাৰ পূৰ্ণিমা শইকীয়াৰ ভাষাৰে ক'ব খোজো - মাজুলীৰ অগ্ৰণী মহিলা মণিকাঞ্চন প্ৰকাশনৰ স্বত্বাধীকাৰী লখিমী শইকীয়া বৰা; নিকুঞ্জ বৰাৰ সমৰ্থন আৰু মাজুলীৰ গড়মূৰস্থিত 'দেৱ প্ৰিণ্টাৰ্চ'ৰ কৰ্মকৰ্তাৰ তৎপৰতাত প্ৰাণ পাই উঠিল 'অস্তাচলত হেঙুলী ৰহণ' গ্ৰন্থখন। গ্ৰন্থখনৰ প্ৰকাশ কাল ২০২০ চনৰ আগষ্ট মাহ আৰু মূল্য ধাৰ্য কৰা হৈছে মাত্ৰ ১০০ টকা। পাঠক সমাজে গ্ৰন্থখন আদৰি ল'ব বুলি মোৰ বিশ্বাস।

ফোন ঃ ৮৬৩৮৭৫৯৬৭৯




# এটি ভগ্ন সুঁতিৰ আঁত বিচাৰি



■ ৰুমী কলিতা

এখনি সেউজীয়া পথাৰ। পিছফালে শান্ত সীমাহীনভাৱে কুলু কুলু শব্দহে বৈ যোৱা নৈখনি। নৈপৰীয়া ৰাস্তাটোত থকা শেৱালিজোপাৰ সুগন্ধই শৰতৰ শীতলতা দেহে মনে বিয়পাই দিছে। টুপ্ টুপ্‌কৈ সৰি পৰা নিয়ৰৰ টোপালবোৰে যেন এক নান্দনিক ঐশ্বৰ্যৰে বিভূষিত কৰি পেলাইছে সমগ্ৰ ঠাইডোখৰ। হঠাৎ টুপ্‌কৈ সৰি পৰা ডমৰুৰ গুটিটোৱে ৰীমাৰ সন্মোহনী ভাঙি দিলে। ওপৰলৈ চাই দেখিলে কেৰ্কেটুৱাটোৱে জঁপিয়াই ফুৰোঁতে গুটিটো সৰি পৰিল। কেৰ্কেটুৱাটো দেখি কিবা যেন ভাল লাগি গ'ল তাইৰ। কিমান স্বাধীন ইহঁতবোৰ। নিজ ইচ্ছাৰে ঘূৰিছে, ফুৰিছে, জপিয়াইছে। জীৱনত কলুষতা, হিংসা, পোৱা-নোপোৱাৰ এটা জটিল অংক এইবোৰৰ পৰা বহুত আঁতৰত এই চৰাই-চিৰিকটি, জন্তুবোৰ। অংক শব্দটো যেন নিজৰ মাজতেই উচ্চাৰণ কৰি হাঁহি উঠি গ'ল ৰীমাৰ। সঁচাকৈ মানুহৰ জীৱনটোৱেই চোন এটি বৃহৎ অংক। যোগ, বিয়োগ, পূৰণ, হৰণৰ বৃহৎ বৃহৎ কিছুমান সূত্ৰৰ ভিত্তিত প্ৰতিষ্ঠিত একোটি বৃহৎ অংক। কোনোবাই যদি সূত্ৰবোৰৰ প্ৰয়োগত অলপো ইফাল সিফাল কৰে গোটেই অংকটোৱেই যেন খেলিমেলি হৈ যায়। আৰু তেতিয়াই সৃষ্টি হয় জীৱনত ভীষণ সমস্যাও। আগবাঢ়িবও নোৱাৰি, উলটি যাবও নোৱাৰি। ঠিক ৰীমাৰ নিচিনা এটা ব্যৱস্থাৰ। আজি হঠাৎ উলটি চাবলৈ মন গ'ল। ৰীমাৰ চল্লিশ বছৰ আগৰ সেই সময়বোৰলৈ। জিলাখনৰ উপকণ্ঠৰ এখনি সৰু ঠাই। গাঁও নহয়, কিন্তু চহৰতো নপৰে। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় এক কিল'মিটাৰ নিলগত। কিন্তু ৰে'ল ষ্টেচনটি আৰু ধানৰ মিল সমূহ লগতে এফচিআই গুদামটো থকাৰ বাবে যান-বাহনৰ শব্দ প্ৰায়েই শুনা যায়। নামনিমুৱা ট্ৰেইনসমূহ যোৱা সময়খিনি যেন স্থানীয় ৰাইজৰ নখদৰ্পণত। এফচিআই লডিং-আনলডিং কৰা ট্ৰাকবোৰে সৰু শান্ত ঠাইডোখৰৰ ৰাস্তাবোৰ শব্দময় কৰি তোলে। সেই বিশেষ ঘৰখনৰো আছিল গাড়ীৰ ব্যৱসায়। তথাকথিত এখন আঢ্যৱন্ত ঘৰ। ঘৰখনৰ মুৰব্বী বিনন্দ ৰাম কলিতা ওচৰৰে গাঁওখনৰ পৰা উঠি আহি ইয়াত বসবাস কৰা প্ৰায় বিছ বছৰমানেই হ'ল। পেচাত এজন কম্পাউণ্ডাৰ। মাটি-বাৰী বহু গাঁৱৰ খেতি-মাটি, ইয়াতে থকা ঘৰ মাটিৰ উপৰি গুৱাহাটী চহৰতো হাতীগাঁওতো কিছু মাটি লৈ থৈছে। থৈছে মানে ঘৰেই আছে সৰুকৈ। কৰ্মসূত্ৰে তেওঁ তাত এখন ক্লিনিক খুলি লৈ তাতে থাকে। লগত তেওঁৰ সুলক্ষণা পত্নী সাৱিত্ৰী। নামটো যেন মাক-দেউতাকে স্বভাৱ চাইহে থৈছিল। মানুহগৰাকীক দেখিলে তেনেকুৱাই লাগে। চাৰিজন ল'ৰা আৰু দুজনী ছোৱালীৰ মাক হোৱাৰ পিছতো তেওঁৰ শীতলতা, কথাৰ মাধুৰ্যতাত যেন এক সাংঘাটিক শ্ৰদ্ধা ওপজে। কৰ্মসূত্ৰে স্বামী গুৱাহাটীত থাকে কাৰণে তেওঁ লগতে থাকে। আৰু নিজৰ ঘৰখনলৈ মাহেকত আহে, কিছুদিন থাকি যায়। ইয়াত তেওঁৰ ডাঙৰ ল'ৰা আৰু দ্বিতীয়জন ল'ৰা থাকে। গুৱাহাটীত তিনি নম্বৰ ল'ৰাজনে বি কম পঢ়ি আছে আৰু সৰু ল'ৰাজনে উচ্চতৰ মাধ্যমিকত। ছোৱালী দুজনীৰ ডাঙৰজনী ওচৰৰে বজালী অঞ্চলৰ এজন অভিযন্তালৈ বিয়া দিছে আৰু সৰুজনী গুৱাহাটীৰ এখন আঢ্যৱন্ত ঘৰৰ অভিযন্তা জোৱাইলৈ। ডাঙৰ বোৱাৰী একে ঠাইৰে অত্যন্ত ধনী মানী ঘৰ এখনৰ ছোৱালী। কিন্তু ধন ঐশ্বৰ্যৰ দাম্ভিকতা তিলমানো নাই। বয়সো বহু কম। মেট্ৰিক দিবলৈ ওলোৱা ছোৱালীজনীৰ এওঁলোকৰ পছন্দ হ'ল। ভাল ল'ৰা দেখি বিয়া দি দিলে। বাকীকেইজনে বিয়া পতা নাই। ডাঙৰজন ল'ৰাই ব্যৱসায় চম্ভালে। ব্যৱসায় মানে এওঁলোকৰ বাছ আছে, লগতে লাইনত দিয়া ট্ৰাকো চলে। কিন্তু যোৱা বছৰ হোৱা এটা মৰ্মান্তিক দুৰ্ঘটনাৰ পিছত ট্ৰাক লাইন দিয়া বাদ দি অঞ্চলৰ আশে পাশে ভাড়াসমূহেই লয়। আজি এই ঘৰখনত এটি বিশেষ উৎকণ্ঠা। ঘৰখনৰ মুৰব্বী গৃহিণী সাৱিত্ৰী কলিতাৰ বাদে বাকীবোৰ জিলাখনৰ এখন নামী ব্যক্তিগত চিকিৎসালয়ত আছে। সাৱিত্ৰী কলিতাই গোসাঁই ঘৰৰ চাকিগছ জ্বলাই প্ৰাৰ্থনা জনাইছে, প্ৰভু এইবাৰ যাতে কোনো দুৰ্যোগ নহয়। তেওঁৰ মনত পৰি গ'ল কিদৰে চিকিৎসকৰ ভুলৰ বাবে বহু কষ্টৰ অন্তত ডাঙৰ বোৱাৰীয়ে এটি মৃত ল'ৰা সন্তান প্ৰসৱ কৰিছিল। ঘৰখনলৈ অহা প্ৰথমটি কিৰণ পৃথিৱীলৈ পদাৰ্পণ কৰোতে আন্ধাৰ হৈ ৰ'ল। মৃত সন্তানটি ভূমিস্থ কৰোতে ডাঙৰ খুৰাকৰ বৈ পৰা তপত চকুলো তেওঁৰ এতিয়া মনত পৰিলে বুকু হমহমাই যায়। দেউতাকে লাইনৰ ট্ৰাকৰ পৰা কিমান আগ্ৰহেৰে আহি পোৱা খবৰটিয়ে কেনেকৈ বুবু দহিছিল আজিও তেওঁৰ মনত আছে। সেইদিনাই সেই ক্লান্ত মানুহগৰাকীয়ে গিৰিয়েকক নোসোধাকৈয়ে সিদ্ধান্ত লৈছিল যে সেইদিনাৰ পৰা ডাঙৰ ল'ৰা আৰু ট্ৰাকত যাব নোৱাৰে। ঠিক এটা বছৰৰ পিছত আজিৰ দিনটো একেই উৎকণ্ঠা। সৰু ছোৱালীজনীয়ে ইমান কষ্টৰ মূৰত পোৱা দুখটোৰ পিছতো আকৌ এবাৰ কৰা চেষ্টা তেওঁ বুজি পায়। ছোৱালীজনীৰ মনৰ অৱস্থা। কিন্তু নিৰুপায় পৰিস্থিতিৰ তাগিদাত মাইকী মানুহ বহুক্ষেত্ৰত নিৰ্বিকাৰ হৈ থাকিব লাগে। শান্ত নিমাখিত ছোৱালীজনীৰ মুখখন ভাহি আহিল তেওঁৰ সন্মুখত। কি বা কৰিছে তাই। আনফালে জিলাখনৰ নামী বেচৰকাৰী চিকিৎসালয়খনত এগৰাকী মাতৃ। মাত্ৰ এবছৰ পূৰ্বে বহু কষ্টৰ অন্তত পৃথিৱীলৈ অনা তেওঁৰ প্ৰথম পুত্ৰই তেওঁক এবাৰ দেখাও নাপালে। কিমান গধুৰ হ'ব সেই কষ্টৰ বোজা। ন মাহ ধৰি যিটো সন্তানৰ প্ৰতিটো ঢপঢপনি অনুভৱ কৰা যায়, যদি সি ভূমিষ্ঠ হৈ স্পন্দনহীন হয়। তাৰ পিছতো দুখবোৰ মোহাৰি পুনৰ চেষ্টা। কথাবোৰ ভাবি থাকোতে হঠাৎ তলপেটত এটা বিষ অনুভৱ কৰিলে অনিতাই। প্ৰায় এঘণ্টা যোৱা এটি সফল প্ৰচেষ্টাৰ এটি সফল পৰিণতি। নাৰ্চে আহি যেতিয়া পিতৃক ক'লে আপোনাৰ এজনী নোদোকা ছোৱালী হৈ সুখতকৈ বেছি তেওঁৰ মনটো যেন অপৰাধবোধৰ পৰা মুক্ত হ'ল। আজি এবছৰে বুকুত লৈ ফুৰা সেই অপৰাধবোধ যে তেওঁ লাইনৰ ট্ৰাকত নোযোৱা হ'লে হয়তো ঘৈণীয়েকৰ এটি মৃত সন্তান জন্ম দিবলগীয়া নহ'লহেতেন। শিশুটি দেখি খুৰাকৰ মনটোৱে ক'লে আকৌ যেন তেওঁ পুতি থোৱা সন্তানটি উঠি আহিছে একেই গঢ় একেই সাঁচ। (আগলৈ)

ফোন ঃ ৭০০২০৯১৩০৪

## চুটি গল্প



■ জাহাঙ্গীৰ আলম

ৰেহান যোৱা কেইবছৰ ধৰি এটি কোম্পানীত কাম কৰি আছিল । জোন ৰেহানৰ এজন ভাল বন্ধু আছিল। ৰেহানৰ এটি সুখৰ সংসাৰ আছিল আৰু এজনী কন্যা সন্তান আছিল। কিছুদিন পিছত ৰেহান দহদিনৰ বাবে ছুটীত আহিল। ৰেহান - জোন দুয়ো বন্ধু মিলি একদিন চিৰিয়াখানালৈ যোৱাৰ সিদ্ধান্ত ল'লে । জোনে এটি ক'লা জিনছ আৰু হালধীয়া টিশ্বাৰ্ট পৰিধান কৰি ৰেহানৰ ঘৰত গৈ উপস্থিত হ'ল। ৰেহানে জোনক দেখি ৰেহানেও সাইলাখ জোনৰ দৰেই পোছাক পৰিধান কৰিলে আৰু দুয়ো বন্ধু মিলি চিৰিয়াখানালৈ যাবৰ বাবে বাছ ষ্টেচনলৈ খোজকাঢ়ি গৈ আছিল । কিছু মুহূৰ্ত পিছত দুয়ো বন্ধুই ষ্টুডিঅত ফটো উঠাৰ সিদ্ধান্ত ললে । আৰু অৱশেষত দুয়ো মিলি এটি ফটো উঠিল । ৰেহানে সেই ফটো তাৰ ঘৰত এটি ডায়েৰীৰ ভিতৰত থৈ দিছিল । কিছুদিন পিছত ৰেহানৰ পত্নীয়ে সেই ডায়েৰীৰ ভিতৰত ফটোখন পাই সুন্দৰ এটি ফ্ৰেম কৰি তাইৰ ঘৰৰ বেৰত ওলমাই ৰাখিছিল। জোনৰ এজনী প্ৰেয়সী আছিল আৰু দুয়োৰে মাজত এক গভীৰ প্ৰেম আছিল । এদিন জোন ৰেহানৰ লগত থকা অৱস্থাতে জোনে তাৰ প্ৰেয়সী ৰেশমাক ফোন কৰিছিল আৰু তেতিয়া ৰেশমাৰ লগত তাইৰ বান্ধৱী ৰোজী আছিল । জোন আৰু ৰেশমা দুয়ো ফোনত কথা পাতি থাকোতে, জোনৰ বন্ধু ৰেহানে কথা পাতি থাকোতে ৰোজীয়ে তাৰ কথা শুনিছিল। তেতিয়াই ৰোজীয়ে ৰেশমাক কলে মই জোনৰ বন্ধু ৰেহানৰ লগত কথা পাতিব বিচাৰো আৰু জোন- ৰেশমাই ফোন এৰিলে আৰু ৰেহান-ৰোজীয়ে কথা পাতিব ধৰিলে। ৰেহান আৰু ৰোজীয়ে কথা পাতোতে পাতোতে এজনে আনজনৰ প্ৰতি মগ্ন হৈ পৰিছিল আৰু শেষত ৰোজীয়ে ৰেহানক প্ৰোপজ কৰিছিল আৰু ৰেহানেও মান্তি হৈছিল। এইদৰেই ৰেহান বিবাহিত আছিল যদিও ৰোজীৰ লগত গোপনে প্ৰেমৰ সম্পৰ্ক চলাই গৈ আছিল। ৰোজী আৰু ৰেহানৰ পত্নী লাভলী দুয়ো বান্ধৱী আছিল। এদিন ৰোজী লাভলীৰ ঘৰলৈ গৈছিল। দুয়ো বান্ধৱী আছিল যদিও ৰোজী লাভলীৰ পতি ৰেহানক কাহানিও দেখা নাছিল। হঠাতে ৰোজীৰ দৃষ্টি পৰিল বেৰৰ লগত উলমাই ৰখা ফটোখন। তেতিয়া ক্ক ৰোজী ঠ্ঠ ঔ লাভলি ফটোখনত জোন দাৰ লগত থকা মানুজন কোন হয় অ ?

লাভলি - তইতো মোৰ বিয়াত অহাই নাছিলি কেনেকৈ জানিবি? এইজনেই তো মোৰ পতি ৰেহান। ৰোজী এই কথা শুনি একেবাৰেই যেন সেমেকি গ'ল আৰু বহি পৰিলে তই কি কোৱাহে।

লাভলী - কি হ'ল তোৰ?

ৰোজী - কি কওঁ আৰু ? ইমান দিনেই তোৰ পতি মোক ঠগি আহিছে।

লাভলী - তাৰ মানে তই কি কব খুজিছো ।

ৰোজী- হয় ক্ক মই ঠিকেই কৈ আছো । তোৰ পতি মোৰো অন্তৰৰ মানুহ।

ৰোজী লাভলি দুয়ো বিপাঙত পৰিলে এতিয়া কি কৰা যায় ?

এদিন লাভলি তাইৰ পতি ৰেহানক সুধিলে ঠ্ঠ আপুনি ৰোজীক চিনি পায় নে ?

ৰেহান- কোন ৰোজী ?

লাভলী- মোৰ বান্ধৱী।

ৰেহান- কি কোৱা হে । তাই কেতিয়াৰ পৰা তোমাৰ বান্ধৱী হ'ল ?

লাভলী- তাই মোৰ কলেজীয়া জীৱনৰ পৰাই বান্ধৱী।

এই কথা শুনি ৰেহান নীৰৱ হৈ পৰিল। এইদৰেই এটি মাত্ৰ ভুলৰ বাবে ৰেহান-লাভলিৰ সুখৰ সংসাৰ তচ্‌নচ্ হ'বলৈ ধৰিছিল। শেষত ৰেহান সকলো ভুল স্বীকাৰ কৰি ৰোজী আৰু লাভলীৰ ওচৰত ক্ষমা বিচাৰে। আৰু অৱশেষত ৰোজীও বান্ধৱীৰ খাতিৰত সকলো পাহৰি ৰেহানক ক্ষমা কৰে। এতিয়া আকৌ ৰেহান-লাভলি দুয়ো মিলি এটি সুখৰ সংসাৰ কৰি আছে। কিন্তু সময়ৰ পৰিৱৰ্তনত জোন আৰু ৰেশমাৰ মিলন নহ'ল । জোন আৰু ৰেশমা দুয়ো বেলেগ বেলেগ ঠাইত নিজৰ নিজৰ সুখৰ সংসাৰ কৰি আছে । ক'বলৈ গ'লে ৰেহান - লাভলী, জোন আৰু ৰেশমা সকলোৱে এতিয়া সুখী আৰু নিজৰ নিজৰ ঘৰ-সংসাৰ লৈ ব্যস্ত।

# আধুনিক বাংলা কবিতাৰ প্ৰখ্যাত কবি জীৱনানন্দ দাস

■ মুহাম্মাদ ফাৰুক আব্দুল্লাহ নুৰী

'বাংলাৰ মুখ আমি দেখিয়াছি,
তাই আমি পৃথিবীৰ ৰূপ খুঁজিতে যাই না আৰঃ
অন্ধকাৰে জেগে উঠে ডুমুৰেৰ গাছে
চেয়ে দেখি ছাতাৰ মতো বড় পাতাটিৰ নিচে
বসে আছে ভোৰেৰ দয়েলপাখি
চাৰিদিকে চেয়ে দেখি পল্লবেৰ স্তূপ
জাম-বট-কাঁঠালেৰ-হিজলেৰ-অশথেৰ
কৰে আছে চুপ,
ফণীমনসাৰ ঝোপে শটিবনে
তাহাদেৰ ছায়া পড়িয়াছে,
মধুকৰ ডিঙা থেকে
না জানি সে কবে চাঁদ চম্পাৰ কাছে
এমনই হিজল-বট-তমালেৰ নীল ছায়া
বাংলাৰ অপৰূপ ৰূপ
দেখেছিল বেহুলাও একদিন
গাঙুড়েৰ জলে ভেলা নিয়ে-
কৃষ্ণা-দ্বাদশীৰ জোৎস্না যখন মৰিয়া গেছে
নদীৰ চড়ায়-
সোনালি ধানেৰ পাশে অসংখ্য অশ্বত্থ বট
দেখেছিল,' উপৰোক্ত কবিতাৰ শাৰীবিলাক যি কবিতাৰ অন্তৰ্গত তাৰ নাম হ'ল 'বাংলাৰ মুখ'। এই কবিতাটি কোনে লিখিছিল জানেনে? তেওঁৰ নাম কিন্তু আমি অনেকে জানো। তেওঁ আন কোনো নহয়, তেওঁ হ'ল আমাৰ সকলোৰে অন্যতম প্ৰিয় কবি জীৱনানন্দ দাশ। তেওঁৰ কবিতা পাঠ কৰিলে মনত অপূৰ্ব তৃপ্তি আহে। যি ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি।

জীৱনানন্দ দাশ বাংলা সাহিত্যৰ এজন অন্যতম প্ৰধান কবি। তেওঁৰ কবিতাই বাংলা বিশ্বত বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

তেখেত ১৮৯৯ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখে ব্ৰিটিছ শাসিত ভাৰতৰ বৰিশাল চহৰত জন্মগ্ৰহণ কৰিছিল। তেখেতৰ এটা নাম আছিল মিলু। তেখেতৰ দেউতাকৰ নাম সত্যানন্দ দাশ আৰু মাতৃৰ নাম আছিল কুসুমকুমাৰী দাশ। তেৰোঁ এগৰাকী কবি আছিল। দেউতাকৰ গম্ভীৰ স্বভাৱ আৰু মাকৰ কবিসুলভ দৃষ্টিভংগীৰ অপূৰ্ব সমাহাৰ ঘটিছিল জীৱনানন্দ দাশৰ জীৱনদৰ্শনত।

কবি জীৱনানন্দ দাশে বৰিশালৰ ব্ৰজমোহন বিদ্যালয়ৰ পৰা ১ম বিভাগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ব্ৰজমোহন কলেজত আইএ শ্ৰেণীত নামভৰ্তি কৰে আৰু এই কলেজৰ পৰাই তেওঁ ১ম বিভাগত আইএ পাছ কৰি কলিকতাৰ প্ৰেছিডেন্সি কলেজত বিএ পঢ়িবলৈ লয়। ১৯২১ চনত জীৱনানন্দ দাশে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত এমএ পৰীক্ষাত উত্তীৰ্ণ হয়। চিটি কলেজত অধ্যাপনাৰ যোগেদি তেখেতৰ কৰ্মজীৱন আৰম্ভ হয়। পিছত তেখেত দিল্লীৰ ৰামযশ কলেজত যোগদান কৰে।

তেখেত বিংশ শতাব্দীৰ এজন বিখ্যাত আধুনিক বাংলা কবি, লেখক আৰু প্ৰাবন্ধিক আছিল। তেখেত আছিল বাংলা কবিতাৰ আধুনিকতাৰ পথিকৃতসকলৰ মাজৰ এজন।

বাংলা গাঁৱৰ অপূৰ্ব ৰূপক তেখেতৰ কবিতাত সুনিপুণভাৱে সকলোৰে আগত তুলি ধৰিছে। তেখেতৰ এটি এটি কবিতা এক এক ৰকমৰ। ক'ব পাৰি তেখেতৰ ৰচিত প্ৰত্যেকটো কবিতাই ভিন্ন ভিন্ন অৰ্থ বহন কৰিছে। তেখেতৰ কবিতাৰ মাধুৰ্য্যই বেলেগ। তেখেতৰ কবিতাৰ শব্দবৈশিষ্ট্য উল্লেখনীয়।

জীৱনানন্দ দাশক 'ৰূপসী বাংলাৰ কবি' বোলা হয়। প্ৰখ্যাত কবি বুদ্ধদেৱ বসুৱে তেওঁক 'নিৰ্জনতম কবি' হিচাপে আখ্যায়িত কৰিছিল। কবি অন্নদাশঙ্কৰ ৰায়ে তেওঁক 'শুদ্ধতম কবি' বুলি কৈছে। বাংলা সাহিত্যৰ সমালোচকসকলৰ অধিকাংশই তেওঁক কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰ আৰু বিদ্ৰোহী কবি কাজী নজৰুল ইছলামৰ পৰৱৰ্তী, বাংলা সাহিত্যৰ প্ৰধান কবি বুলি মনে কৰিছিল। আমাৰ মতে ই অতুক্তি নহয়। ই যথাৰ্থ।

জীৱনানন্দ দাশৰ কবি জীৱনৰ আৰম্ভণি হয় ১৯২৪-২৫ চনৰ পৰা। চতুৰংগ, নিৰুক্ত, পূৰ্বাশা, কল্লোল, প্ৰগতি আদি পত্ৰিকাত তেখেতৰ কবিতা প্ৰকাশ পাইছিল।

কবি জীৱনানন্দ দাশৰ জীৱনকালত তথা তেওঁৰ মৃত্যুৰ পিছত প্ৰকাশিত কাব্যগ্ৰন্থসমূহ হ'ল- ঝৰা পলক (১৯২৭), ধূসৰ পাণ্ডুলিপি (১৯৩৬), বনলতা সেন (১৯৪২) ইয়াৰ পৰিবৰ্ধিত ৰূপ প্ৰকাশ পায় ১৯৫২ চনত। মহাপৃথিবী (১৯৪৪), সাতটি তাৰাৰ তিমিৰ (১৯৪৮), জীৱনানন্দ দাশৰ শ্ৰেষ্ঠ কবিতা (১৯৫৪)। তেওঁৰ মৃত্যুৰ পিছত প্ৰকাশ পায় ৰূপসী বাংলা আৰু বেলা-অবেলা-কালবেলা।

তেখেতৰ ৰচিত কাব্যগ্ৰন্থ বনলতা সেন নিখিলবঙ্গ ৰবীন্দ্ৰ সাহিত্য সন্মিলন ১৯৫৩ চনত পুৰস্কৃত হৈছিল। ১৯৫৫ চনত তেওঁৰ ৰচিত শ্ৰেষ্ঠ কবিতা কাব্য গ্ৰন্থখনে ভাৰত চৰকাৰৰ সাহিত্য অকাডেমী পুৰস্কাৰ লাভ কৰে। তেখেতৰ কাব্যপ্ৰতিভাৰ তুলনা নাই।

কবি জীৱনানন্দ দাশৰ কবিপ্ৰতিভা প্ৰকাশ পাইছিল তেখেতৰ ৰচিত 'বনলতা সেন'ৰ পৰা।

কবি জীৱনানন্দ দাশৰ কবিতাবিলাক বাংলা সাহিত্যৰ অমূল্য সম্পদ। তেওঁ বাংলা সাহিত্যক এক নতুন মাত্ৰা দিছিল।

ফোন ঃ ৯৯৫৭৩১০৪৩৬

## শৈশৱৰ সোঁৱৰণ

কুৰিটা বছৰ হ'ল
অতীতৰ বোকোচাত শৈশৱক এৰি অহা।
কুৰিটা বছৰ যেন কুৰিটা দিন।
আগতে ধূলি মাকতিৰে
মাৰ্বল খেলি থাকোঁতে
আয়ে পিটিছিল চেকনি এচাৰিৰে।
আঘোণৰ সোণোৱালি দিনবোৰত সোলেং লৈ
পথাৰে পথাৰে
বুটলি ফুৰা লেচেৰি,
পথাৰৰ পঙ্কিলত সাজি অহা মৃন্ময় মূৰ্তি
কুৰিটা বছৰ হ'ল।
লেটেকু,পনিয়ল, জেটুলি পকা বিচাৰি হাবিয়ে
বনে ঘূৰি ফুৰা,
বিলত পদুমৰ চকা বিচাৰি ফুৰা দিনবোৰ
আকৌ ঘূৰি অহা হ'লে এবাৰ।
গাঁৱৰ নামঘৰত ভাওনা পাতিলে
আখৰাত প্ৰৱেশ কৰিছিলোঁ ভাৱৰীয়া সৈতে,
বচনো আওৰাব পাৰোঁ সলসলীয়াকৈ।
ফৰিং ফুটা জোনাকত
চোতালৰ ঢৰাত বহি
সাধু আমি শুনিছিলো আইতাৰ মুখেৰে।
পাঠশালা বিদ্যালয়ৰ বাৰাণ্ডাত শাৰী শাৰীকৈ
নেওঁতা পঢ়া দিনবোৰ, এৰি অহা কুৰিটা বছৰ
হ'ল। কুৰিটা বছৰ যেন কুৰিটা দিন।

■ গোপাল কৃষ্ণ বাঢ়ৈ

আঞ্চলিক শক্তিসমূহৰ একত্ৰীকৰণে কা বিৰোধিতাৰ উদেশ্য আগবঢ়াই নিয়াত সুফল লাভ কৰিব " ইতিমধ্যে আমি সকলোৱে লক্ষ্য কৰিবলৈ সক্ষম হৈছো যে ৰাজ্যত 'কা' বিৰোধিতা কৰি তথা বৃহত্তৰ অসমীয়া জাতিটোক শাসনাধিস্থ বিজেপি চৰকাৰৰ হাতৰ পৰা সুৰক্ষা তথা ৰক্ষণাবেক্ষণ দিয়াৰ উদ্দেশ্যে ৰাজ্যত ভাবিব নোৱাৰা ধৰণে আঞ্চলিক শক্তিৰ জোৱাৰ উঠিছে। বিশেষকৈ লক্ষ্যণীয় বিষয় এইটোৱেই যে আগন্তুক চৰ ৰ বিধানসভা নিৰ্বাচনত শাসনাধিস্থ বিজেপি চৰকাৰক কোনটো আঞ্চলিক শক্তিয়ে তীব্ৰ প্ৰতিদন্ধিতা আগবঢ়াবলৈ সক্ষম হব। ইফালে কংগ্ৰেছ দলেও আগন্তুক বিধানসভা নিৰ্বাচনত মুখ্য উদ্দেশ্য হিচাপে কা বিৰোধিতা কৰা আৰু খিলঞ্জীয়া অসমীয়া জাতিটোক বিজেপি ৰ পৰা মুক্ত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে কিন্তু আজিৰ তাৰিখত চাবলৈ গলে যদিহে সকলোৱে নিজৰ নিজৰ উদেশ্য এটাই 'কা বিৰোধিতা' কৰা তেনেহ'লে নিশ্চিতভাৱে আগন্তুক বিধানসভা নিৰ্বাচনত বিজেপি চৰকাৰক ভাল তথা উচিত প্ৰত্যুত্তৰ আগবঢ়াবলৈ সক্ষম হ'ব তাত কোনো সন্দেহ নাই। অজিত ভূঞা ৰ দলে ইতিমধ্যে কংগ্ৰেছ, এ আই ইউ ডি এফ আৰু বাঁওপন্থীৰ দলৰ লগত মিত্ৰতা স্থাপন কৰিছে আৰু আছু আৰু কৃষক মুক্তি ৰ নেতৃত্বত জন্মলাভ কৰা আঞ্চলিক দল দুটাই কিন্তু আগন্তুক ২১ৰ মহাৰণত কোনটো ৰাজনৈতিক শক্তি ৰ লগত জড়িত হ'ব তাৰ নিশ্চয়তা বৰ্তমানলৈকে সদৰী কৰা নাই। গতিকে, কা বিৰোধিতাৰ উদ্দেশ্য আগত ৰাখি যদিহে ৰাজ্যত নতুনকৈ জন্মলাভ কৰা আঞ্চলিক দলসমূহে খিলঞ্জীয়া অসমীয়া জাতিটোৰ ভাষা, সংস্কৃতি আৰু মৰ্যাদা বিজেপি চৰকাৰৰ হাতৰ পৰা মুক্ত কৰিব বিচাৰে তেনেহ'লে নিশ্চিতভাৱে আঞ্চলিক দলসমূহৰ একত্ৰীকৰণে আগন্তুক বিধানসভা নিৰ্বাচনত শাসনাধিস্থ বিজেপি চৰকাৰৰ বিৰুদ্ধে এক তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াবলৈ সক্ষম হ'ব তাত কোনো সন্দেহ নাই।

ফোন ঃ ৮৬৩৮৩১৬০৭৩

চৰকাৰ, জনপ্ৰতিনিধিক ধিক্কাৰ

# বঙাইগাঁৱৰ নাম্বাৰপাৰা-গোলাপাৰা সংযোগী মানাহ নৈৰ ওপৰত ৰাইজে নিৰ্মাণ কৰিলে বাঁহৰ দলং



**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১৪ নৱেম্বৰ ঃ** 'ৰাইজে নখ জোকাৰিলে নৈ বয়'। এই কথাষাৰ প্ৰমাণিত কৰিলে বঙাইগাঁও জিলাৰ উত্তৰ অভয়াপুৰী সমষ্টিৰ অন্তৰ্গত নাম্বাৰপাৰা আৰু গোলাপাৰা গাঁৱৰ ৰাইজে। ২ আগষ্টত বানপানীৰ প্ৰবল সোঁতে নাম্বাৰপাৰা-গোলাপাৰা সংযোগী মানাহ নৈৰ ওপৰত থকা কাঠৰ দলংখন উটুৱাই লৈ যোৱাৰ পিছত বৃহত্তৰ অঞ্চলৰ ৰাইজে যাতায়াতৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছিল। ঠাইখনৰ যাতায়াত অব্যাহত ৰখাৰ বাবে বঙাইগাঁও জিলাৰ গড়কাপ্তানী বিভাগে এখন নাৱৰ ব্যৱস্থা কৰিছিল যদিওঁ কিছুদিন পিছত নাওখন উঠাই লৈ যোৱাৰ পিছত বৃহত্তৰ অঞ্চলৰ ৰাইজে জৰুৰীকালীন সেৱাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। ঠাইখনত দলং নিৰ্মাণৰ বাবে স্থানীয় বিধায়ক আব্দুল হাই নাগৰি, সাংসদ আব্দুল খালেকৰ লগতে চৰকাৰে কোনো গুৰুত্ব প্ৰদান নকৰাত স্থানীয় ৰাইজে ঘৰে ঘৰে গৈ ১২০০ বাঁহ, প্ৰতিটো পৰিয়ালৰ পৰা ২০০, ৩০০, ৫০০০ কৈ টকা সংগ্ৰহ কৰে। মুঠ চাৰি লাখ টকা ব্যয় সাপেক্ষে ঠাইখনত দলং নিৰ্মাণৰ কাম আৰম্ভ কৰি প্ৰায় ১২০ মিটাৰ দীঘল দলং নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে। ঠাইখনত দলং নিৰ্মাণৰ বাবে জনপ্ৰতিনিধি ক্ৰমে সাংসদ আব্দুল খালেক, বিধায়ক আব্দুল হাই নাগৰী, জিলা পৰিষদৰ সদস্য খাইৰুল ইছলাম, পঞ্চায়ত সভানেত্ৰী, আঞ্চলিক সদস্যা, কোনো এজন জনপ্ৰতিনিধিয়ে গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। ঠাইখনত ৰাইজে বাঁহৰ দলং নিৰ্মাণ কৰি পৰিৱৰ্তনকামী চৰকাৰৰ উন্নয়নৰ ফোঁপোলা স্বৰূপ উদঙাই দিছে। ৰাজ্য চৰকাৰে গুৰুত্বপূৰ্ণ ঠাইখনত পকী দলং নিৰ্মাণৰ দাবী জনাইছে ৰাইজে। আজি জাকজমকতাৰে স্থানীয় ৰাইজে সভা অনুষ্ঠিত কৰি অৱসৰপ্ৰাপ্ত শিক্ষক আব্দুৰ ৰশিদ আহমেদ আৰু জ্যেষ্ঠ নাগৰিকসকলৰ দ্বাৰা যাতায়াতৰ বাবে দলংখন মুকলি কৰে।



# ভেল্লাত চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত আঁচনিৰ উদ্বোধন বৰপেটা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাসৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১৪ নৱেম্বৰ ঃ** নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যত বৃদ্ধি পাইছে প্ৰতিটো ৰাজনৈতিক দলৰ তৎপৰতা। ৰাইজৰ কাষ চপাৰ বাবে সকলো দলৰ প্ৰতিনিধিয়ে ৰচিছে নতুন নতুন কৌশল। মুঠতে যি কোনো প্ৰকাৰে নিজৰ নিজৰ আসনখন পুনৰ নিজৰ মুঠিতে ৰখাৰ বাবে এতিয়াৰে পৰা নামিছে যুদ্ধত। কোনোবা প্ৰতিনিধিয়ে যদি নিজৰ সমষ্টিত বিভিন্ন ধৰণৰ সভা সমিতিত অংশগ্ৰহণ কৰি ৰাইজৰ সমাদৰ লাভ কৰিবলৈ চেষ্টা চলাইছে আন কোনোবা প্ৰতিনিধিয়ে নামি পৰিছে আঁচনি উদ্বোধনত। নিৰ্বাচনৰ আগমুহূৰ্তত যেন আচনি উদ্বোধনীৰ অঘোষিত প্ৰতিযোগিতাত নামি পৰিছে প্ৰতিজন বিধায়কেও। বৰপেটা বিধানসভা সমষ্টিৰ বিধায়ক গুণীন্দ্ৰ নাথ দাসেও এই ক্ষেত্ৰত পিছ পৰি থকা নাই। নিজৰ সমষ্টিৰ বিভিন্ন পঞ্চায়তত বিধায়কৰ পুঁজিৰ জৰিয়তে হওক নতুবা পঞ্চায়তৰ অধীনস্থ আচঁনিয়ে হওক মুঠতে আঁচনি উদ্বোধন কাৰ্য লানি নিছিগাকৈ কৰি আহিছে প্ৰতিনিধিসকলে। বৰপেটা সমষ্টিৰ অন্তৰ্গত ১নং ভেল্লা গাঁও পঞ্চায়তত বিধায়ক গুণীন্দ্ৰ নাথ দাসে বিগত কিছুদিন ধৰি কেইবাটাও আঁচনিৰ শুভ উদ্বোধন কৰে। জিলা পৰিষদৰ চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত আবণ্টন হোৱা প্ৰায় ৪.৫ লাখ টকা ব্যয় সাপেক্ষ বৰপেটা-দৌলাশাল-হাজো পথৰ পৰা ভেল্লা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ যোৱা পথটো পকীকৰণৰ কাম উদ্বোধন কৰে তেওঁ। ইয়াৰ পূৰ্বেও উক্ত পথৰ পৰা বালাচৰ পথলৈ যোৱা পথটো পেভাৰ ব্লক ইটাৰে পকীকৰণৰ কামটো উদ্বোধন কৰে। কালিও ভেল্লা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত এখন স্থায়ী মঞ্চৰ বাবে আবণ্টন হোৱা আঁচনি এটি উদ্বোধন কৰে বিধায়ক গুণীন্দ্ৰ নাথ দাসে। ভেল্লা পঞ্চায়তত ৰূপায়ণ হোৱা বিভিন্ন আঁচনিৰ কাম পৰিদৰ্শন কৰি কামত সন্তুষ্ট হৈ বিধায়কগৰাকীয়ে পঞ্চায়ত সভানেত্ৰী আফিয়া বেগমক প্ৰশংসা কৰে। বিধায়কগৰাকীয়ে কয় যে বৰপেটা জিলাৰ ভিতৰতে বৰ্তমান ভেল্লা গাঁও পঞ্চায়তত চৰকাৰী আঁচনি সকলোতকৈ সফলভাৱে ৰূপায়ণ হৈছে। ভেল্লাৰ সামগ্ৰিক উন্নয়নৰ বাবে চৰকাৰে ভেল্লাত অধিক আঁচনি আবণ্টন দিয়াটো উচিত বুলি বিধায়ক গুণীন্দ্ৰ নাথ দাসে কয়। এই ক্ষেত্ৰত বিধায়কগৰাকীয়েও উল্লেখযোগ্য ভূমিকা ল'ব বুলি কয়। উদ্বোধনী অনুষ্ঠানত ভেল্লা অঞ্চলৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে উপস্থিত থাকে।

## ৰঙাপৰা বৰজুলি হাটখোলাৰ ধৰ্মপ্ৰাণ মহিলা মিনা বেগমৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৪ নৱেম্বৰ ঃ** চাহ নগৰী হিচাপে খ্যাত ৰঙাপৰা নগৰৰ গাতে লাগি থকা বৰজুলি হাটখোলাৰ বাসিন্দা প্ৰয়াত আব্দুল ওৱাদিৰ পত্নী মিনা বেগম (৭২) কালি নিশা বাৰ্ধক্যজনিত ৰোগত আক্ৰান্ত হৈ নিজা বাসগৃহত মৃত্যু হয়। তেওঁৰ মৃত্যুত আজি বৰজুলি হাটখোলাৰ ব্যৱসায়ীসকলে দোকান-পোহাৰ বন্ধ কৰি তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অতি ধৰ্মপৰায়ণ, সহজ-সৰল, সকলোকে আদৰ কৰা বয়োজ্যেষ্ঠ মহিলাগৰাকীৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে । তেওঁৰ বৰপুত্ৰ ফাৰুক আহমেদ অঞ্চলটোৰ এগৰাকী জনপ্ৰিয় যুৱ নেতা, সমাজকৰ্মী হোৱা হেতুকে ৰাইজে এনে শোকৰ সময়ত পৰিয়ালটিৰ কাষত থিয় দিয়া পৰিলক্ষিত হয় । ইপিনে আজি বৰজুলি হাটখোলা ৰাজহুৱা কবৰস্থানত দিনৰ ১০ বজাত তেওঁৰ জানাজা নামাজত ইছলাম ধৰ্মাৱলম্বী ৰাইজে অংশগ্ৰহণ কৰাৰ লগতে সমাজৰ সকলো শ্ৰেণীৰ লোক উপস্থিত হৈ পৰিয়ালটিলৈ সমবেদনা জ্ঞাপন কৰে । মৃত্যু সময়ত বেগমে তিনিগৰাকী পুত্ৰ, জী-জোঁৱাই, নাতি-নাতিনী, আত্মীয়-স্বজন এৰি যায়।

## সংখ্যালঘু পৰিষদৰ ৯জন সদস্যক বহিষ্কাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১৪ নৱেম্বৰ ঃ** সংগঠন বিৰোধী কাৰ্য্যকলাপত জড়িত থকাৰ বাবে বিটিচি ধৰ্মীয় সংখ্যালঘু পৰিষদৰ পৰা ৯জন সদস্যক বহিষ্কাৰ। আজি এক প্ৰেছ বিবৃতিত ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সভাপতি আব্দুল আওৱাল মণ্ডলে প্ৰকাশ কৰে । বিবৃতিত উল্লেখ কৰা অনুসৰি কেন্দ্ৰীয় সমিতিত উপ-সভাপতি মোঃ ছাইফুল ইছলাম, কেন্দ্ৰীয় কমিটীৰ তিনিজন সদস্য ক্ৰমে মোঃ হুছেইন আলী, তমছেৰ আলী, হাছমত আলী, ওদালগুৰি জিলাৰ দুজনকৈ উপ-সভাপতি ক্ৰমে সমৰ আলী আৰু হাকিমুদ্দিন আলী, ওদালগুৰি জিলাৰ সাধাৰণ সম্পাদক হবিবৰ ৰহমান আৰু জিলা সমিতিৰ দুজনকৈ সদস্য ক্ৰমে কামাল উদ্দিন আৰু ছাহাজুদ্দিনক বহিষ্কাৰ কৰিছে । তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ এই ৯জন সদস্যক বহিষ্কাৰ কৰি প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰিছে ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সভাপতিজনে । বিটিচি পৰিষদীয় নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত এই বহিষ্কাৰৰ ঘটনাই তাৎপৰ্য বহন কৰিছে ।

## বিহালীত হাতী-মানুহৰ সংঘাত

### ৰাজ্য চৰকাৰে কেতিয়া কৰিব ইয়াৰ স্থায়ী সমাধান ?



**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ১৪ নৱেম্বৰ ঃ** সমগ্ৰ ৰাজ্যত হাতী-মানুহৰ সংঘাত অব্যাহত থকাৰ সময়তে যোৱা এসপ্তাহ ধৰি বিশ্বনাথ জিলাৰ অন্তৰ্গত বিহালীৰ বিভিন্ন অঞ্চলত ত্ৰাস চলাই পকা ধান খাই ক্ষতি সাধন কৰি আহিছে। বিহাৰী পথাৰ, বটিয়ামাৰী চেনীমাৰী, বেঙাবাৰী, বৰাজুলি আদি পথাৰত প্ৰায় অৰ্ধশতাধিক বনৰীয়া হাতীৰ দলে বহু লোকৰ পকা ধান খাই ক্ষতি সাধন কৰে । তদুপৰি যোৱানিশা ৰাংছালীৰ হেমন্ত দাস, লক্ষ্য হাজৰিকা, পুতুল দাস বুবুলী হাজৰিকা, শ্ৰীমন্ত দাস আদি প্ৰায় ৫০ বিঘা পকা ধান খাই ক্ষতি-সাধন কৰে। উল্লখ্য যে যোৱা দুবছৰ ধৰি বনৰীয়া হাতীয়ে খেতিয়কৰ ক্ষতি-সাধন কৰাৰ পিছত খেতিয়কে বন বিভাগক ক্ষতিপূৰণ বিচাৰি আবেদন জনাইছিল যদিও আজিকোপতি ক্ষতিপূৰণ লাভ কৰিবলৈ সক্ষম নহ'ল। এইক্ষেত্ৰত খেতিয়ক ৰাইজে মন্ত্ৰী ৰঞ্জিৎ দত্তৰ হস্তক্ষেপৰ দাবী জনাইছে।

# সাংবাদিক পৰাগ ভূঞাৰ ৰহস্যজনক মৃত্যুত সৰৱ টিহু মহকুমা সাংবাদিক সন্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিহু, ১৪ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰৰ প্ৰতিভাশালী তথা একনিষ্ঠ সাংবাদিক পৰাগ ভূঞাৰ ৰহস্যজনক পথ দুৰ্ঘটনাত মৃত্যু হোৱা ঘটনাক লৈ প্ৰতিবাদেৰে সৰৱ হৈছে টিহু মহকুমা সাংবাদিক সন্থা । আজি এই ঘটনাৰ এক উচিত তদন্তৰ দাবী কৰি টিহু মহকুমা সাংবাদিক সন্থাই অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰে। টিহু মহকুমা সাংবাদিক সন্থাৰ সভাপতি পংকজ বেজবৰুৱা আৰু সম্পাদক ভাস্কৰজ্যোতি কলিতা স্বাক্ষৰিত টিহু ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰক-পত্ৰত কোৱা হয় যে এগৰাকী সাহসী সাংবাদিক পৰাগ ভূঞাৰ ৰহস্যজনক মৃত্যু সাহসী আৰু আপোচহীন সাংবাদিকতাৰ ক্ষেত্ৰখনৰ বাবে অশনি সংকেত । সাংবাদিকগৰাকীৰ মৃত্যুত সন্থাই গভীৰ শোক প্ৰকাশেৰে দুৰ্নীতিবিৰোধী স্থিতিৰে ধাৰাবাহিক বাতৰি পৰিৱেশন কৰা



ভূঞাৰ মৃত্যুৰ সন্দৰ্ভত এক নিৰপেক্ষ তদন্ত কৰি দোষীক উপযুক্ত শাস্তি প্ৰদান কৰাৰ লগতে ভৱিষ্যতে কোনো সাংবাদিকৰ ক্ষেত্ৰতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয় তাৰ বাস্তৱ ব্যৱস্থা ল'বলৈ চৰকাৰৰ ওচৰত দাবী জনায় । উক্ত স্মাৰক-পত্ৰত চৰকাৰে পৰাগ ভূঞাৰ পৰিয়াললৈ আৰ্থিক সাহায্য আগবঢ়োৱাৰ লগতে সাংবাদিকগৰাকীৰ পত্নীক উপযুক্ত সংস্থাপন দিবলৈও দাবী জনায়। টিহু মহকুমা সাংবাদিক সন্থাৰ সভাপতি পংকজ বেজবৰুৱা আৰু সম্পাদক ভাস্কৰজ্যোতি কলিতাৰ নেতৃত্বত টিহু ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ যোৱা সজাতী দলটোত সন্থাৰ কাৰ্যকৰী সভাপতি কিশোৰ গোস্বামী, উপ-সভাপতি ৰূপকুমাৰ শৰ্মা, সহকাৰী সম্পাদক লিখন ঠাকুৰীয়া, জ্যেষ্ঠ সাংবাদিক হেমন্ত কুমাৰ শীল, কিশোৰ কুমাৰ শৰ্মা, বিমান কলিতা আৰু মানস প্ৰতিম ডেকায়ো ভাগ লৈ সাংবাদিক ভূঞাৰ মৃত্যুৰ ঘটনাৰ প্ৰতিবাদ কৰে ।

## সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুৰ উচিত তদন্তৰ দাবীত কাকপথাৰত সাংবাদিকৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ১৪ নৱেম্বৰ ঃ** ৰহস্যজনক দুৰ্ঘটনাত মৃত্যু হোৱা প্ৰয়াত সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুৰ উচিত তদন্তৰ দাবীত কাকপথাৰত সাংবাদিকসকলে আজি প্ৰতিবাদ সাব্যস্ত কৰে । কাকপথাৰ শ্বহীদ বেদীৰ সন্মুখত বৃহত্তৰ কাকপথাৰ অঞ্চলৰ সাংবাদিকসকলে পৰাগ ভূঞাৰ হত্যাৰ ন্যায়ৰ দাবী উত্থাপন কৰাৰ লগতে ন্যায় নোপোৱা পৰ্যন্ত ধাৰাবাহিক আন্দোলন কৰাৰ পণ লয় । পৰাগ ভূঞাৰ লগত কটোৱা সময় সোঁৱৰণ কৰি শোকাকুল হৈ পৰে সাংবাদিকসকল । প্ৰায় অৰ্ধশতাধিক সাংবাদিকে হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ কৰা দেখা যায় । ইফালে সাংবাদিক পৰাগ ভূঞাৰ বাসগৃহত আজি উপস্থিত হয়হি মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা ঋষিকেশ গোস্বামী। গোস্বামীয়ে সাংবাদিকগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে পৰিয়ালবৰ্গক সমবেদনা জনায় । লগতে ঘটনাটো চি আই ডিক তদন্তৰ দায়িত্ব দিয়া হৈছে বুলি উল্লেখ কৰি দোষীয়ে শাস্তি পাবই বুলি মত প্ৰকাশ কৰে। উপদেষ্টাগৰাকীয়ে পৰাগ ভূঞা, জগদীশ ভূঞা ঘৰৰ লগত ব্যক্তিগতভাৱে এক মধুৰ সম্পৰ্ক থকা বুলি জানিবলৈ দিয়ে ।

## সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুত শোক প্ৰকাশ শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ১৪ নৱেম্বৰ ঃ** ৰাজ্যৰ এগৰাকী নিৰ্ভীক-নিৰপেক্ষ তথা জ্যেষ্ঠ সাংবাদিক পৰাগ ভূঞাৰ পৰিকল্পিত হত্যাকাণ্ডৰ তীব্ৰ গৰিহণা দিয়াৰ লগতে সাংবাদিক গৰাকীৰ অকাল মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে শ্ৰীৰামপুৰ প্ৰেছ ক্লাবে। হত্যাৰ বলি হোৱা সাংবাদিক পৰাগ ভূঞাৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি প্ৰেছ ক্লাবৰ সদস্যসকলে মৌনতা অৱলম্বন কৰি এগছি কৈ বন্তি প্ৰজ্বলন কৰে। এই উপলক্ষে শ্ৰীৰামপুৰ প্ৰেছ ক্লাবৰ মুখ্য উপদেষ্টা স্বপন কুমাৰ এছৰ সভাপতিত্বত অনুষ্ঠিত শোক সভাত ক্লাবৰ সভাপতি বিশ্বজিৎ চৌধুৰী, উপ-সভাপতি অৰুণ গুপ্তা, উপদেষ্টা কামাখ্যা সৰকাৰ সহ ক্লাবৰ সমূহ সদস্য উপস্থিত হৈ প্ৰয়াত সাংবাদিকগৰাকীৰ স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে। চৰকাৰী আৰু বেচৰকাৰীভাৱে নিৰ্ভীক সাংবাদিকসকলৰ ওপৰত ধাৰাবাহিকভাৱে চলাই থকা আতিশয্য আনকি নিৰ্বিচাৰে হত্যা কৰি থকা হৈছে। তথাপি স্বাধীনচেতা সাংবাদিকসকলৰ কণ্ঠ ৰোধ কৰিব পৰা নাই ফেচিষ্টসকলে। চৰকাৰ তথা চৰকাৰৰ ভেৰোণীয়াসকলৰ দ্বাৰা আক্ৰান্ত সাংবাদিকসকলৰ সুৰক্ষাৰ বাবে প্ৰশাসন নহয় ৰাইজেই আমাৰ ভৰসা। কণ্টকপূৰ্ণবাটেৰে তথা তীব্ৰপ্ৰতিকূলতাৰ মাজতে মৃত্যুৰ ভাবুকিকো আওকাণ কৰি যিসকল সাংবাদিকে নিজৰ দায়িত্ব-কৰ্তব্য পালন কৰি আছে সেয়া সঁচাকৈ শলাগ ল'বলগীয়া।আনহাতে যিসকলে সাংবাদিকৰ নামত দালালী কৰি আছে তেওঁলোকৰ বাবে কোনো প্ৰত্যাহ্বান নাই যদিও সমাজত সেইসকলৰ কোনো মূল্য নাই।পৰাগ দাসৰ পৰা পৰাগ ভূঞা লৈ বহুতো সাংবাদিক এইৰাজ্যত হত্যাৰ বলি হৈছে কিন্তু সাংবাদিকৰ কণ্ঠ কিন্তু ৰোধ হোৱা নাই। পৰাগ ভূঞাৰ বিদেহ আত্মাৰ চিৰশান্তি তেতিয়াইপাব যেতিয়া তেওঁৰ হত্যাকাৰী শাস্তি পাব। এই ভাষ্য ক্লাবৰ মুখ্য উপদেষ্টা স্বপন কুমাৰ এছৰ। পৰাগ ভূঞা হত্যাকাণ্ডৰ উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনায় সভাপতি বিশ্বজিৎ চৌধুৰীয়ে।

## তুলসীবাৰীত শ্যামা পূজা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ১৪ নৱেম্বৰ ঃ** ৰঙিয়াৰ ঐতিহ্য মণ্ডিত তুলসীবাৰী গড়ালি সৰ্বজনীন ৩৫সংখ্যক শ্ৰীশ্ৰীশ্যামা পূজা দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয় । ক'ভিড নিৰ্দেশনা অনুসৰণ কৰি অনুষ্টুপীয়াকৈ আয়োজন কৰা কাৰ্যসূচী অনুসৰি পুৱা ধৰ্মীয় পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি ৰজনী কলিতাই ইয়াৰ পাছতে গছপুলি ৰোপণৰ সমান্তৰালভাৱে ৰূপায়িত ধৰ্মালোচনী অনুষ্ঠানত ৰাজ্যৰ জলসিঞ্চন মন্ত্ৰী তথা স্থানীয় বিধায়ক ভৱেশ কলিতাৰ লগতে গোপীনাথ বৰদলৈ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অনিল চন্দ্ৰ মণ্ডলে অংশগ্ৰহণ কৰে। উদ্‌যাপন সমিতিৰ সম্পাদক সৰাসন বিশ্বাসে আত ধৰা অনুষ্ঠানত সমিতিৰ কাৰ্যকৰী সভাপতি খগেন বিশ্বাস, সহঃ সম্পাদকদ্বয় বিশাল দত্ত, জীৱেশ দাসৰ লগতে কোষাধ্যক্ষ অজয় কুমাৰ ৰয়ো উপস্থিত থাকে। উক্ত অনুষ্ঠানতে সাংবাদিক মহেন্দ্ৰ কলিতাকো সম্বৰ্ধনা জ্ঞাপন কৰা হয় । নিশাৰ ভাগত ৰূপায়িত পূজাৰ কাৰ্যসূচীত অঞ্চলটোৰ ধৰ্মপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে।



## ২৫ বছৰে বিনা বেতনে শিক্ষকতা কৰা ৰমেন ডেকাৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১৪ নৱেম্বৰ ঃ** ওদালগুৰি জিলাৰ অন্তৰ্গ ৰৌমাৰী গাঁৱৰ নিৱাসী তথা পশ্চিম মাজিকুছি জগন্নাথ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ৰমেন ডেকাই ২৫ বছৰে বিনা বেতনে ছাত্ৰ -ছাত্ৰী সকলক শিক্ষাদান কৰি অৱশেষত শুক্ৰবাৰে মৃত্যু হয়। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ উপৰি সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদকৰ পৰা শৰণীয়া কছাৰী সন্মিলনী অসমৰ গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত হৈ আছিল ডেকা। তেওঁৰ মৃত্যুত জিলাৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰাৰ উপৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। ইপিনে সদৌ অসম শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ সভাপতি প্ৰবীণ ডেকা শৰণীয়া , সাধাৰণ সম্পাদক দীপজ্যোতি শৰণীয়া, শৰণীয়া কছাৰী সন্মিলনী অসমৰ সভাপতি মঙ্গেশ্বৰ শইকীয়া, সাধাৰণ সম্পাদক তৰুণ দাস শৰণীয়া, গণতান্ত্ৰিক নাৰী মঞ্চৰ সভানেত্ৰী প্ৰমীলা দাস, সাধাৰণ সম্পাদিকা ধৰ্মেশ্বৰী শৰণীয়া, শৰণীয়া কছাৰী সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভাপতি সোণবৰবৰুৱা, সাধাৰণ সম্পাদক বিনয় দাস, নৱগঠিত শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ অধ্যক্ষ হিতেশ ডেকা, উপাধ্যক্ষ কুমুদ দাস, আদিয়ে শোকপ্ৰকাশ কৰি কয় যে প্ৰয়াত ডেকাৰ মৃত্যুয়ে জনগোষ্ঠীৰ বাবে অপূৰণীয় ক্ষতি বুলি পৰিয়ালবৰ্গলৈ সমবেদনা জনায় । শৰণীয়া কছাৰী সন্মিলনী অসমে প্ৰয়াত ৰমেন ডেকাৰ প্ৰতি শ্ৰদ্ধা জনাই কেন্দ্ৰীয় কাৰ্যালয় আৰু ক্ষেত্ৰীয় কাৰ্যালয়সমূহত তিনি দিন অৰ্দ্ধনমিতভাৱে সন্মিলনীৰ পতাকা উৰুৱাই ৰখা হ'ব বুলিও প্ৰচাৰ সম্পাদক অৰুণ শৰণীয়াই জানিবলৈ দিয়ে।

## ভাৰতীয় জনতা যুৱ মৰ্চা দৰং জিলা সমিতিৰ উদ্যোগত মাটিৰ চাকি বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৪ নৱেম্বৰ ঃ** ফটকা ফুটাই দীপাৱলী পালন কৰি প্ৰকৃতিৰ ভাৰসাম্যতাৰ প্ৰতি বিপদ নমাই অনাতকৈ পোহৰৰ উৎসৱ দীপাৱলীত পৰিৱেশৰ ভাৰসাম্যতা আৰু প্ৰদূষণৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় জনতা যুৱ মৰ্চা দৰং জিলা সমিতিয়ে জিলাখনৰ প্ৰতিটো প্ৰান্ততে মাটিৰ চাকি বিতৰণ কৰে। ভাৰতীয় জনতা যুৱ মৰ্চাৰ অন্তৰ্গত ৮টা মণ্ডলৰ ক্ৰমে বেছিমাৰী মণ্ডল, শিয়ালমাৰী মণ্ডল, খাৰুপেটীয়া নগৰ মণ্ডল, পূব মঙলদৈ মণ্ডল, পশ্চিম মঙলদৈ মণ্ডল, মঙলদৈ নগৰ মণ্ডল, পাথৰিঘাট মণ্ডল, ছিপাঝাৰ মণ্ডলৰ কাৰ্যকৰ্তাসকলে জিলাখনৰ প্ৰতিটো প্ৰান্ততে মানুহৰ ঘৰে ঘৰে গৈ মাটিৰ চাকি বিতৰণ কৰে। উক্ত কাৰ্যসূচী আজি দিনৰ ১১.৩০ বজাৰ পৰা ৰূপায়ণ কৰা হয় । কাৰ্যসূচীত যুৱ মৰ্চা দৰং জিলাৰ ভিন্ন কাৰ্যকৰ্তাসকলে এক ব্যাপক মাত্ৰা প্ৰদান কৰে । উক্ত কাৰ্যসূচীত জিলা সভাপতি দিব্যজ্যোতি শৰ্মা, সাধাৰণ সম্পাদক বিতোপন ডেকা, জ্যোতিপ্ৰসাদ ডেকাৰ লগতে ভাৰতীয় জনতা যুৱ মৰ্চাৰ মঙলদৈ লোকসভা সমষ্টিৰ প্ৰভাৰী ৰিপুঞ্জয় শইকীয়া উপস্থিত থাকি অসমবাসী ৰাইজলৈ পবিত্ৰ দীপাৱালীৰ শুভেচ্ছা জনায়।



## শিৱসাগৰত জিলা ভিত্তিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৪ নৱেম্বৰ ঃ** শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত, জিলা তথ্য আৰু জনসংযোগ বিভাগ তথা শিৱসাগৰ প্ৰেছ ক্লাব আৰু শিৱসাগৰ ই-মিডিয়া সংস্থাৰ সহযোগত অহা ১৬ নৱেম্বৰত দিনৰ ১০.৩০ বজাত শিৱসাগৰ প্ৰেছক্লাবৰ প্ৰেক্ষাগৃহত জিলা ভিত্তিত ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদ্‌যাপন কৰা হ'ব। জিলা উপায়ুক্ত লক্ষীনন্দন গগৈয়ে ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰিব। ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ অনুষ্ঠানটিত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰিব বিশিষ্ট সাংবাদিক শোভিত ছেত্ৰীয়ে। তেওঁ এই বছৰৰ ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ মূল আলোচ্য বিষয় "সংবাদ মাধ্যমৰ ওপৰত ক'ভিড-১৯ অতিমাৰীৰ প্ৰভাৱ আৰু এই সময়ত সংবাদমাধ্যমৰ ভূমিকা" -ৰ ওপৰত বক্তৃতা প্ৰদান কৰিব। উল্লেখযোগ্য যে, ভাৰতৰ সংবাদ জগতৰ স্বাধীনতা আৰু নিৰপেক্ষতা বৰ্তাই ৰাখিবৰ বাবে প্ৰেছ কাউঞ্চিল অৱ ইণ্ডিয়াই ১৯৬৬ চনৰ ১৬ নৱেম্বৰত জন্ম লাভ কৰিছিল। উক্ত দিনটোক ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰূপে উদযাপন কৰি অহা হৈছে। ভাৰতীয় সংবাদৰ নীতি আৰু গতি নিৰ্ধাৰণ কৰা এই সংস্থাই সাংবাদিকৰ স্বাধীনতা, নীতি, প্ৰমূল্যবোধ আৰু তথ্য আধাৰিত মুক্ত সংবাদ পৰিৱেশনৰ পৰিৱেশ ৰচনাতব্ৰতী হৈ আহিছে।

## নগাঁৱৰ আলহাজ হুছেইন আলী একাডেমীৰ ৩য় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, টুকটুকী, ১৪ নৱেম্বৰ ঃ** নগাঁও জিলাৰ জুৰীয়াৰ সমীপৱৰ্তী কাৰৈমাৰীৰ আলহাজ হুছেইন আলী একাডেমীৰ ৩য় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস শনিবাৰে দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। কাৰৈমাৰি গাৱঁৰ বিশিষ্ট শিক্ষাবিদ আলহাজ হুছেইন আলীয়ে গ্ৰাম্যাঞ্চলৰ সমাজ ব্যৱস্থাক শিক্ষাৰ মাধ্যমৰে গঢ় দিয়াৰ মানসেৰে ২০১৮ চনতে সংখ্যালঘু বসতিপ্ৰধান কাৰৈমাৰীত ঐকান্তিক আৰু আশাশুধীয়া প্ৰচেষ্টাত আলহাজ হুছেইন আলী একাডেমী প্ৰতিষ্ঠা কৰি মানৱতাৰ নিদৰ্শন দাঙি ধৰাৰ লগতে শিক্ষামূলক সজাগতা সৃষ্টি কৰিছিল। প্ৰতিষ্ঠাৰে পৰাই স্থানীয় অঞ্চল জুৰি এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ়ি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি অহা ব্যক্তিগত খণ্ডৰ এই একাডেমীখন বৃহত্তৰ অঞ্চলৰ শিক্ষাৰ পোহৰ বিলোৱা বন্তি স্বৰূপ। মানুহ গঢ়াৰ মন্দিৰ স্বৰূপ আলহাজ হুছেইন আলী একাডেমীৰ ৩য় বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি সম্পূৰ্ণ ক'ভিড প্ৰট'কল পালনৰ মাজতে শিক্ষানুষ্ঠান খনৰ চৌহদত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক-অভিভাৱিকা, শুভাকাংক্ষীসকলৰ উপস্থিতিত এক প্ৰকাৰ শৈক্ষিক পৰিৱেশে বিৰাজমান কৰে। পুৱা বিভিন্ন কাৰ্যসূচীৰ অন্তত দিনৰ ১ বজাত একাডেমী প্ৰাংগণত মুকলি সভা অনুষ্ঠিত হয়। তিনিচুকীয়া হাই মাদ্ৰাছাৰ অধ্যক্ষ মুকিতুৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক অমেৰেন্দ্ৰ শৰ্মা, জুৰীয়া ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডা: তাফাজ্জুল হুছেইন, সমাজ সেৱক ৰফিকুল ইছলাম, প্ৰধান শিক্ষক আব্দুল কালাম, আব্দুল বাৰেক, বিশিষ্ট সমাজ কৰ্মী ৰাৱোল হুছেইন, একাডেমীৰ প্ৰধান শিক্ষক ৰাশিদ আহমেদ, আমছুৰ যুৱ নেতা ছাব্বিৰ আলী উপস্থিত থাকি শিক্ষামূলক ভাষণ প্ৰদান কৰে । সভাত কেইবাজনো বিশিষ্ট ব্যক্তিৰ লগতে একাডেমীৰ শিক্ষক - শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰী উপস্থিত আছিল ।

## হোজাইত স্বেচ্ছাসেৱী সংস্থা মৰ্কজুল মা আৰিফৰ প্ৰশংসনীয় পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ১৪ নৱেম্বৰ ঃ** ৮০ গৰাকী দৰিদ্ৰ যুৱতী আৰু অসহায় মহিলাক প্ৰদান কৰিলে এটাকৈ চিলাই মেচিন। একোটা কৈ চিলাই মেচিনৰ লগতে আগবঢ়ালে নগদ ৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান। ইয়াৰ ওপৰিও ৩০ গৰাকী দৰিদ্ৰ লোকৰ মাজত বিতৰণ কৰিলে একোটাকৈ ঠেলাগাড়ী। লগতে ৬৪ গৰাকী বিধৱা মহিলাক ৫ হাজাৰ টকাকৈ মুঠ ১ লাখ ৬০ হাজাৰ টকা বিতৰণ কৰে স্বেচ্ছাসেৱী সংস্থাটোৱে। আজমল চি এছ আৰৰ ন্যাসৰক্ষী তথা ধুবুৰীৰ সাংসদ মৌলানা বদৰুদ্দিন আজমলৰ উপস্থিতিত আজি হোজাইত চিলাই মেচিন, ঠেলাগাড়ী আৰু আৰ্থিক অনুদানসমূহ বিতৰণ কৰা হয়। বিতৰনী কাৰ্যসূচীত উপস্থিত থাকি সাংসদ আজমলে কয় যে লক ডাউনৰ বাবে বহু লোকে কৰ্মসংস্থাপন হেৰুৱাইছে। কৰ্মহীন হৈ এই লোকসকলে ভয়ানক আৰ্থিক সংকটত ভুগিছে।এইসকলক সহায় কৰিবলৈ আজমল চি এচ আৰে বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।যি সকলে ঠেলাগাড়ী আৰু চিলাই মেচিনেৰে নিজৰ পৰিয়ালক পোহপাল দিবলৈ সক্ষম হ'ব সেইসকলক আজমলে পুনৰ বিভিন্ন আঁচনিত অন্তৰ্ভুক্ত কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে ।আজমল চি এচ আৰৰ জৰিয়তে কৰ্মউদ্যোগী সকলক বিনা সুদত ঋণ দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে সাংসদ আজমলে। ইফালে এই বিতৰণী অনুষ্ঠানত আজমলৰ সহায় লাভ কৰি আজমলৰ সন্মুখতেই উচুপি উঠে এগৰাকী মহিলাই।আজমলে মহিলাগৰাকীক চিলাই মেচিন আৰু নগদ ধন প্ৰদান কৰি আগন্তুক দিনতো সহায় সহযোগিতা কৰাৰ প্ৰতিশ্ৰুতি দিয়ে বিধৱা মহিলাগৰাকীক।



# পোহৰৰ উৎসৱ দীপান্বিতা



নগেন তালুকদাৰ

সমগ্ৰ ভাৰতবৰ্ষতে প্ৰাচীন কালৰে পৰা কাতি মাহৰ কৃষ্ণ চতুৰ্দশী তিথিত পৰম্পৰাগতভাৱে পোহৰৰ উৎসৱ দীপান্বিতা অতি উলহ-মালহেৰে উদ্‌যাপিত হৈ আহিছে। এই উৎসৱ পালন কৰা সম্পৰ্কে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত নানা কাহিনী জনগণৰ মাজত প্ৰচলিত হৈ আহিছে। এই তিথিটোত দেশখনৰ বিভিন্ন স্থানত বিভিন্ন কাৰণে দীপান্বিতা পালন কৰি আহিছে। দীপান্বিতা পালনৰ চৈধ্যটা কাৰণ আছে।(১) বলিৰজা সুতলৰ পৰা পৃথিৱীলৈ আগমন (২) লক্ষ্মীদেৱীক সাগৰৰ পৰা উদ্ধাৰ (৩) ৰামচন্দ্ৰৰ বনবাসৰ পৰা সীতা সহিতে অযোধ্যালৈ আগমন (৪) বৈদ্য সমাজে ধন্বন্তৰিৰ উদ্দেশ্যে দীপ দান কৰে (৫) নৰকাসুৰ বধ (৬) হৰ-পাৰ্বতীৰ পাশাখেলৰ বাবে (৭) শ্ৰীকৃষ্ণৰ মহাপ্ৰয়াণ (৮) এবাৰ লক্ষ্মীদেৱীক যম ৰজাই পলুৱাই লৈ গৈছিল। সেই সময়ত লক্ষ্মীয়ে ছয়টা ডালিমৰ গুটি খোৱা কাৰণে ছমাহ যমপুৰীত থাকি পুনৰ আগমন হয় (৯) উত্তৰ ভাৰতৰ কিছুমান ঠাইত বিক্ৰমাদিত্যৰ ৰাজ্যাভিষেকৰ স্মৃতিত দীপ জ্বলোৱা হয় (১০) কাতি মাহৰ অমাৱস্যাৰ দিনা দোকমোকালিতে মহাবীৰে মহাপ্ৰয়াণ কৰি নিৰ্বাণ লাভ কৰে। সেইবাবে দীপান্বিতা পাতি এই মহামানৱৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয় (১১) ঠায়ে ঠায়ে সমাধিপতি কুবেৰৰ উদ্দেশ্যে দীপ দান কৰা হয় (১২) মহাৰাষ্ট্ৰত যমপূজা উৎসৱৰ উপলক্ষে দীপ দান কৰা হয় (১৩) ভাৰতৰ বিভিন্ন তীৰ্থস্থানত এই তিথিত পৰিয়ালৰ মৃতসকলৰ স্মৃতিত দীপ জ্বলোৱা হয় আৰু (১৪) বাৰানসীত মহাদক্ষৰ পূজা হয় আৰু সেই উপলক্ষে দীপ জ্বলোৱা হয়। এই কাৰণসমূহৰ বাবে দীপান্বিতা পৰ্ব পালন কৰিলে অক্ষয় পুণ্য লাভ হয় বুলি লোকবিশ্বাস আছে।

চৈধ্যটা কাৰণৰ (৫) নং কাৰণটো বিতংভাৱে ব্যাখ্যা কৰিবলৈ লৈছোঁ - কামৰূপ ৰজাৰ ৰজা নৰকাসুৰে মৃগ মাৰিবলৈ এদিন নীলাচল পাহাৰলৈ আহিল। পানীৰ পিয়াহত ৰজা নৰকাসুৰৰ অণ্ঠ-কণ্ঠ শুকাই যোৱাত হঠাতে এটি নিজৰা দেখি নিজৰাত নামি ৰজাই হেঁপাহ পলুৱাই শীতল পানী খাই পাৰলৈ উঠি আহি ৰজাৰ হাতৰ আঙুলিত থকা আঙুঠিটো নেদেখি ৰজাই পুনৰ নিজৰাত নামি আঙঠিটো বিচাৰি থাকোঁতে হাতত লাখুঁটি ধৰি থুকুৰ-বুকুৰ কৰি বুঢ়ী এজনী আহি ৰজাৰ কি হেৰাইছে বুলি প্ৰশ্ন কৰে। উত্তৰত ৰজাই আঙঠি বুলি কোৱাত বুঢ়ীয়ে তেতিয়া নিজৰাত শৰ এপাত নিক্ষেপ কৰিলে, শৰৰ মূৰত আঙঠিটো লাগি আহিব বুলি কোৱাত ৰজাই তেতিয়া শৰ নিক্ষেপেৰে আঙঠিটো উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আঙঠি পাই ৰজাই বুঢ়ীজনীক কোন তুমি মহা অন্তৰ্যামী বুলি প্ৰশ্ন তুলি অতি বিলম্বে সত্য কৰি ক'বলৈ অনুৰোধ কৰে। ৰজাৰ কথা শুনি বুঢ়ী কিছু সময় মৌন হৈ ৰৈ বুঢ়ী গুচি এজনী সুন্দৰী যুৱতী হৈ আদি-অন্ত সব কথা ৰজাৰ ওচৰত ক'বলৈ ধৰিলে। এনেধৰণে ব্ৰহ্মাৰ মানস পুত্ৰ দক্ষ ৰজাই নিজ জোঁৱায়েক মহাদেৱক বাদ দি সকলো দেৱতাকে নিমন্ত্ৰণ জনাই এক যজ্ঞৰ আয়োজন কৰিছিল। কিন্তু মহাদেৱৰ পত্নী পাৰ্বতীয়ে পিতৃ দক্ষৰজাৰ যজ্ঞলৈ তেওঁৰ স্বামীক কিয় নিমন্ত্ৰণ দিয়া হোৱা নাই এই কথা জানিবলৈ তেওঁ যজ্ঞস্থলীলৈ যাবলৈ উদ্যত হয়। মহাদেৱে সতী পাৰ্বতীক বিনা নিমন্ত্ৰণে যজ্ঞলৈ যাবলৈ মানা কৰে যদিও মহাদেৱৰ কথাক আওকাণ কৰি সতীয়ে যাবলৈ লওঁতেই মহাদেৱে ঘৰৰ দুৱাৰ মুখতে চিত হৈ শুই পৰি বাধা দিবলৈ চেষ্টা চলায়। শুই থকা মহাদেৱৰ বুকুত খোজ দি পাৰ্বতীয়ে কালী প্ৰমুখ্যে মুঠ দহটা ৰূপ ধাৰণ কৰি মহাদেৱক দেখুৱাই যজ্ঞস্থলীত উপস্থিত হয়। সতী পাৰ্বতীৰ সন্মুখত দক্ষ ৰজাই মহাদেৱক নানা ধৰণে তিৰস্কাৰ কৰিবলৈ ধৰিলে। স্বামী নিন্দা সহ্য নকৰি পাৰ্বতীয়ে যজ্ঞৰ অগ্নিতে জাঁপ দি আত্মহত্যা কৰে। বনজুইৰ দৰে এই আত্মহত্যাৰ খবৰ চৌদিশে বিয়পি পৰাত এই খবৰ মহাদেৱৰ কাণতো পৰিল। যজ্ঞস্থলীৰ পৰা স্বামী মহাদেৱে সতীৰ মৃতদেহ কান্ধত লৈ চৌদিশে অনাই-বনাই ঘূৰি ফুৰিবলৈ ধৰিলে। অন্তৰ্যামী নাৰায়ণে সকলো কথা জানি চক্ৰৰে সতীৰ দেহটোকে কাটি পেলালে। সতীৰ দেহৰ যোনী গোট নীলাচল পাহাৰত পৰে। সেই যোনী অংগৰ পৰাই কামাখ্যা দেৱী অৰ্থাৎ মোৰ জন্ম হয়। ৰূপ-যৌৱনেৰে পৰিপূৰ্ণ কামাখ্যাৰ ৰূপত মুগ্ধ হৈ নৰকাসুৰে নিজ গৃহলৈ নি ৰাজৰাণী কৰি ৰাখিবলৈ ইচ্ছা কৰে। তেতিয়া বুদ্ধি কৰি কামাখ্যাই নৰকাসুৰক নিশাৰ ভিতৰতে নীলাচল পাহাৰৰ তলৰ পৰা ওপৰলৈ খট্‌খটি এটি বান্ধি দিলে তেওঁকে স্বামীবৰণ কৰাৰো প্ৰতিশ্ৰুতি দিয়ে। নৰকাসুৰে গৃহলৈ গৈ সন্ধিয়াৰ পৰাই খটখটি বনোৱা কামত নিয়োজিত হ'ল। বনুৱাসকলৰ লগত খট্‌খটিৰ কাম কৰি প্ৰায় সম্পূৰ্ণ হোৱা দেখি কামাখ্যাই ভয়তে এটি মায়াৰূপী কুকুৰা সৃজন কৰি ৰাতি নৌপুওৱাতেই কুকুৰাটোৰ দ্বাৰা ডাক দিয়ালে। কুকুৰাৰ ডাক শুনি নৰকাসুৰে ক্ৰোধত একে ঘাপে কুকুৰাটোক দ্বিখণ্ড কৰে। দেৱী কামাখ্যাই ৰাতিৰ ভিতৰতে খট্‌খটিৰ কাম সম্পূৰ্ণ নোহোৱা বুলি কৈ বিয়াৰ প্ৰস্তাৱ উঠাই লৈ নৰকাসুৰক নিজ গৃহলৈ যাবলৈ কয়। দেৱী কামাখ্যাই ছলনা কৰা কথাটোত ৰজা নৰকাসুৰে মহা লজ্জা পাই গোটেই নাৰী জাতিটোৰ ওপৰতে ঘৃণা ভাব ওপজে। এই ক্ৰোধতে ৰজা নৰকাসুৰ অত্যাচাৰী হৈ ৰাজ্যৰ পুৰুষগণক বন্দী কৰি বহুতো লোকৰ জীৱন বধি বহুতো সুন্দৰী নাৰীক হৰণো কৰে। ইয়াৰ উপৰি যোল্ল হাজাৰ কন্যাক নৰকাসুৰে আবদ্ধ কৰি ৰাখে। অত্যাচাৰী নৰকাসুৰৰ কথা দ্বাৰকাত শ্ৰীকৃষ্ণই শুনি সত্যভামা সংগে ছমাহ বাট পথেৰে আহি নৰকাসুৰৰ ৰাজ্যত প্ৰৱেশ কৰে। নৰকাসুৰে শ্ৰীকৃষ্ণ যুদ্ধ কৰিবলৈ অহা বুলি ভাবি শ্ৰীকৃষ্ণৰ হাতৰ চক্ৰ দলিয়াই গদাৰে প্ৰহাৰ কৰাত শ্ৰীকৃষ্ণই বাগৰি পৰে। স্বামী কৃষ্ণৰ অৱস্থা দেখি সত্যভামাই কান্দি কান্দি নৰকাসুৰক বধ কৰিবলৈ আদেশ দিয়ে। সত্যভামাৰ আদেশতে প্ৰভু শ্ৰীহৰিয়ে চক্ৰৰে অসুৰক বধ কৰে। তেতিয়া দুখমনে শ্ৰীকৃষ্ণই সত্যভামাক কৈছিল— নৰকাসুৰো মোৰেই পুত্ৰ। সেয়া সত্যযুগৰ কথা। তেতিয়া তুমি আছিলা বসুমতী। এদিন প্ৰহ্লাদৰ পিতৃ হিৰণ্যক্ষই তোমাক হৰণ কৰিবলৈ খেদি লৈ ফুৰিছিল। তেতিয়া মই বৰাহৰূপে হিৰণ্যক্ষক বধ কৰি তোমাক শৃংগাৰ কৰিছিলোঁ। ৰজস্বলা সময়ত বসুমতীক শৃংগাৰ কৰাৰ কাৰণে অত্যাচাৰী আৰু অসুৰ হৈ পৰিছিল পুত্ৰ। সেই পুত্ৰটোৱেই আছিল নৰকাসুৰ। সেই পুত্ৰক তুমিয়েই মোক হত্যা কৰিবলৈ মানা কৰিছিলা আৰু ময়ো তোমাৰ আদেশ নাপালে পুত্ৰক বধ নকৰো বুলি প্ৰতিজ্ঞা কৰিছিলোঁ। কিন্তু এতিয়া দ্বাপৰ যুগৰ কথা। আজিৰ পিতৃৰ হাততে তোমাৰ আদেশতে পুত্ৰক বধ কৰি যোল্ল হাজাৰ কন্যাকো উদ্ধাৰিলোঁ। যিহেতু আজি কাতি মাহৰ কৃষ্ণা চতুৰ্দশী তিথি, সেয়ে এই তিথিটোত সকলোৱে মোৰ পুত্ৰৰ নামত বন্তি জ্বলাওক। উক্ত দিনটোৰে পৰা আজিও ভাৰতৰ বিভিন্ন প্ৰান্তত সেইদিনাৰ নিশা প্ৰতি ঘৰৰ পদূলিতে কলপুলি পুতি অলেখ চাকি-বন্তি জ্বলোৱাৰ উপৰি আতচবাজী, ফট্‌কা আদি ফুটাই এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে।

দীপান্বিতা পালনৰ মূলতে হ'ল - অজ্ঞানৰূপী অন্ধকাৰৰ জ্ঞানৰ পোহৰেৰে আগুৱাই নিয়া। দেশখনত ঐক্য-শান্তি-শক্তিসমূহ আঁতৰাই এই পোহৰে কঢ়িয়াই আনক দেশবাসীলৈ সমুজ্জ্বল সপোন। তাৰেই কামনাৰে-

ফোনঃ ৭৬৩৬৮৪৪২৬



# দীপান্বিতা

নৱজ্যোতি বৰা

শৰৎ কালৰ অমাৱস্যাৰ নিশা আন্ধাৰ দূৰ কৰি সমগ্ৰ পৃথিৱীতে পোহৰ বিলাবলৈ আয়োজন কৰা হয় জ্যোতিৰ উৎসৱ দীপান্বিতাৰ। দীপান্বিতাৰ ৰাতিটো হৈছে 'মহাৰাত্ৰি'। মোহ বা অজ্ঞতাৰে ভৰা এই ৰাতিটোত চাকি-বন্তি জ্বলাই মনৰ অন্ধকাৰ দূৰ কৰি জ্ঞানৰ পোহৰ বিলাই দিয়াটোৱে হৈছে পোহৰৰ উৎসৱ দীপান্বিতাৰ মূল উদ্দেশ্য।

পুৰাণৰ মতে, দীপান্বিতা হৈছে ভগৱান শ্ৰীকৃষ্ণৰ বিজয়ৰ প্ৰতীক। বন্তি এগছিক অগ্নি, সূৰ্য আৰু চন্দ্ৰতকৈও শ্ৰেষ্ঠ বুলি উল্লেখ কৰা হৈছে। জয় দীপ অমৃতং মাৰ্ত্বযু। প্ৰাগজ্যোতিষপুৰৰ মহাপ্ৰতাপী ৰজা নৰকাসুৰে এবাৰ বিশ্বকৰ্মাৰ কন্যাসহিতে যোল্ল হাজাৰ সুন্দৰী গাভৰুক বন্দী কৰি ৰাখিছিল। গাভৰুসকলৰ কৰুণ বিননি, আৰ্তনাদ আৰু পিতৃ-মাতৃৰ প্ৰাৰ্থনা, কাতৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি ভগৱান শ্ৰীকৃষ্ণই নৰকাসুৰৰ লগত অকলে যুদ্ধ কৰি বিজয়ী হৈ যোল্ল হাজাৰ গাভৰুক নৰকাসুৰৰ বন্দীশালৰ পৰা উদ্ধাৰ কৰি নিজ নিজ গৃহলৈ উভতাই আনে। সেই উভতাই অনা সময় কালতে প্ৰজাগণে শ্ৰীকৃষ্ণক আদৰি অনাৰ উদ্দেশ্যৰ লগতে বিজয় উল্লাসত মতলীয়া হৈ ঘৰে-পদুলিয়ে চাকি-বন্তি জ্বলাই সমগ্ৰ নগৰী আলোকিত কৰি তুলিছিল। এই দিনটোৱেই কাতি মাহৰ অমাৱশ্যা তিথি আছিল আৰু তেতিয়াৰ পৰাই দীপান্বিতা উৎসৱ মানি অহা হয় বুলি বিশ্বাস কৰে।

পুৰাণৰ মতে, দীপান্বিতা হৈছে ভগৱান শ্ৰীকৃষ্ণৰ বিজয়ৰ প্ৰতীক। বন্তি এগছিক অগ্নি, সূৰ্য আৰু চন্দ্ৰতকৈও শ্ৰেষ্ঠ বুলি উল্লেখ কৰা হৈছে। জয় দীপ অমৃতং মাৰ্ত্বযু। প্ৰাগজ্যোতিষপুৰৰ মহাপ্ৰতাপী ৰজা নৰকাসুৰে এবাৰ বিশ্বকৰ্মাৰ কন্যাসহিতে যোল্ল হাজাৰ সুন্দৰী গাভৰুক বন্দী কৰি ৰাখিছিল। গাভৰুসকলৰ কৰুণ বিননি, আৰ্তনাদ আৰু পিতৃ-মাতৃৰ প্ৰাৰ্থনা, কাতৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি ভগৱান শ্ৰীকৃষ্ণই নৰকাসুৰৰ লগত অকলে যুদ্ধ কৰি বিজয়ি হৈ যোল্ল হাজাৰ গাভৰুক নৰকাসুৰৰ বন্দিশালৰ পৰা উদ্ধাৰ কৰি নিজ নিজ গৃহলৈ উভতাই আনে। সেই উভতাই অনা সময়কালতে প্ৰজাগণে শ্ৰীকৃষ্ণক আদৰি অনাৰ উদ্দেশ্যৰ লগতে বিজয় উল্লাসত মতলীয়া হৈ ঘৰে-পদুলিয়ে চাকি বন্তি জ্বলাই সমগ্ৰ নগৰী আলোকিত কৰি তুলিছিল।

অন্য এক কাহিনী মতে, এসময়ত দেৱতা আৰু অসুৰবোৰে একেলগে মিলি বাসুকী নাগৰ জৰীৰে সাগৰ মন্থন কৰিছিল। সমুদ্ৰ মন্থনত তেতিয়া সমুদ্ৰগৰ্ভৰ পৰা মণি-মুকুতা, ঐৰাৱত, অমৃত, কল্পতৰু, হলাহলৰ সৈতে শ্ৰীশ্ৰীলক্ষ্মী দেৱী আৰু কুলক্ষী দেৱীও ওলাই আহিছিল। এই সকলো বস্তুকে দেৱতাসকলে ভগাই লৈছিল। ইন্দ্ৰই ঐৰাৱত, কল্পতৰু বৃক্ষক ৰখা হৈছিল স্বৰ্গত। অমৃত দেৱতাসকলে ভগাই খাই অমৰত্ব লাভ কৰিবলৈ সক্ষম হৈছিল। মহাদেৱে হলাহল কণ্ঠত ৰাখি নাম পাইছিল 'নীলকণ্ঠ'। শ্ৰীশ্ৰীলক্ষ্মী দেৱীক পৰলোকে পূজা কৰিছিল। কিন্তু সেই সময়ত কুলক্ষীক কোনেও স্থান নিদিয়াত ব্ৰহ্মাৰ ওচৰত শৰণ লয়। ব্ৰহ্মাই নিৰুপায় হৈ কুলক্ষীক মৰ্তলৈ পঠাই দিলে আৰু পূৰ্ণিমাত লক্ষীক পূজা কৰাৰ বিপৰীতে অমাৱশ্যাত কুলক্ষীক পূজিবৰ বাবে নৰলোকক আদেশ দিলে। সম্ভৱত তেতিয়াৰ পৰাই কাতি মাহৰ অমাৱস্যা তিথিত কুলক্ষীকো পূজা কৰা হয়। দীপান্বিতা দিনা সেয়ে মানুহে জুৱা, তাচ, পাশা খেল খেলাৰ লগতে ফটকা, বোমা, আতচবাজী, ফুলজাৰি ফুটাই বহু ধন ব্যয় কৰি কুলক্ষীক সন্তুষ্ট কৰে বুলি কোৱা হয়।

অন্য এক পৌৰাণিক কাহিনী মতে সীতা দেৱীৰ বাবেই ৰামচন্দ্ৰই লংকা জয় কৰিবলগীয়া হয়। ৰামে ৰাৱণক বধ কৰি বিভীষণক লংকাৰ ৰজা পাতি লক্ষ্মণ-সীতাৰ সৈতে ৰামে অযোধ্যাত প্ৰৱেশ কৰাৰ দিনটোও আছিল কাতি মাহৰ অমাৱশ্যা তিথি। ৰাম, লক্ষ্মণ, সীতাৰ আগমনত অযোধ্যাবাসী আনন্দত মতলীয়া হৈ চৌদিশে বন্তি জ্বলাই আলোকিত কৰি তুলিছিল। পদুলিয়ে পদুলিয়ে শাৰী শাৰী চাকি, বন্তি জ্বলাই সেই পোহৰতে ৰাম-সীতাক আদৰিছিল। সেই দিনটোৰ পৰাই দীপান্বিতা উৎসৱ পালন কৰা হয় বুলি বিশ্বাস কৰা হয়।

শিখসকলৰ জনবিশ্বাসৰ মতে, বাদশ্বাহ জাহাংগীৰৰ শাসন কালত গুৰু গোবিন্দ সিং কেইবাবছৰো গোৱালিয়ৰৰ দুৰ্গ এটিত বন্দী হৈ আছিল। বন্দীশালৰ পৰা গুৰু গোবিন্দ সিঙে বাদশ্বাহলৈ এদিন এখন পত্ৰ প্ৰেৰণ কৰে। গুৰু গোবিন্দ সিঙৰ পৰা পত্ৰ লাভ কৰাত ৰজাই তেওঁক মুক্তি দিবলৈ আদেশ দিছিল যদিও তেওঁ সকলো কাৰাবন্দীৰ মুক্তি বিচাৰিছিল। তেওঁ অশেষ কষ্ট স্বীকাৰ কৰি অৱশেষত বাদশ্বাহৰ পৰা দুৰ্গবন্দীসকলক মুক্ত কৰাবলৈ সক্ষম হয়। বন্দিত্বৰ পৰা মুক্ত হৈ তেওঁ যেতিয়া অমৃত সৰত প্ৰৱেশ কৰিছিল সেই দিনাখন অমৃতসৰবাসীয়ে তেওঁক স্বাগতম জনাবলৈ দীপাৱলীৰ আয়োজন কৰিছিল। তেতিয়াৰে পৰা দীপান্বিতা প্ৰচলন হ'ল বুলি কিছু লোকে বিশ্বাস কৰে। মুছলমান সম্ৰাটসকলৰ দিনতো উলহ-মালহেৰে দীপান্বিতা পালন কৰা বহুতো তথ্য পোৱা হয়। আইন-ই-আকবৰী'ত উল্লেখ কৰা স্তম্ভ সজাই তাৰ ওপৰত দীপান্বিতাৰ বন্তি জ্বলাইছিল। আকাশত বন্তি জ্বলোৱাৰ বাবে ইয়াৰ নাম 'আকাশবন্তি' হ'ল। হয়তো তেতিয়াৰে পৰা আকাশবন্তিৰ প্ৰচলন হৈছিল আমাৰ সমাজত।

উৎসৱ উৎপত্তিগত অৰ্থ যিয়েই নহওঁক, দীপান্বিতা শব্দটো মূলতঃ সংস্কৃত ভাষাৰ পৰা উদ্ভুত। ইয়াৰ অৰ্থ হ'ল 'আলোকৰ শাৰী'। এই আলোক হ'ল 'মন আৰু আত্মাৰ অবিনাশী পোহৰৰ প্ৰতীক স্বৰূপ'। এই উৎসৱৰ জৰিয়তে সকলো ভাৰতীই নিজ নিজ জীৱৰ আন্ধাৰ দূৰ কৰি পোহৰ বিচাৰে। আমিও এই সময়তে সকলোলৈকে দীপান্বিতাৰ শুভকামনা জনালোঁ।

ফোন ঃ ৭৫৭৮৮৮৩২৩৭




## দেশী জনগোষ্ঠীত দীপাৱলী

# 'চৰাটৈৰ ৰাইত'

মইনুল হক

পোহৰৰ উৎসৱ দীপাৱলীক দেশী জনগোষ্ঠীৰ লোকসকলে চৰাটৈৰ ৰাতি বুলি কয়। অৰ্থাৎ খুব চৰা মানে স্পৰ্শকাতৰ ৰাতি। দেশীসকলে এই দিনা বেলি মাৰ যোৱাৰ পিছত সৰু সৰু লেংটা ল'ৰা-ছোৱালীৰ দ্বাৰা কল গছৰ ঠাৰিৰে গছ বন্ধাইছিল বা পুৰণা চেণ্ডেল, জোতা আদি গছত বান্ধি দিয়াৰ উপৰি কঁঠাল বা নাৰিকল গছত হাতুৰীৰে লোৰ গজালো মাৰি দিছিল যাতে কাৰো কু-নজৰ নালাগে আৰু গছত অধিক ফল ধৰে। সিদিনা ৰাতি চোৰৰ উৎপাত হয় সেয়ে চোৰৰ চুৰি কাৰ্য্য ৰোধ কৰিবৰ বাবে জপনা মুখত বগৰী কাঁইট পুতি থোৱা বা ভঙা টিনৰ বাল্টি বা খাৰৰ হাৰি থৈ দিছিল।বিশ্বাস মতে এনে কৰিলে চোৰৰ গ্ধশাইতগ্ধ (আৰম্ভণি) কুফা হয়। এই দেৱালীৰ ৰাতি জুহালৰ কালি লগা ভঙা মাটিৰ পাত্ৰ(পা'ইলে) আৰু জুহালৰ পোৰা ইটা পদূলিমুখত থৈ দিয়া হয়। চোৰ সোমাওঁতে ইয়াক দেখা পালে বা গচকিলে যাত্ৰা (শাইত) নষ্ট হয় বুলি দেশীসকলৰ মাজত প্ৰাচীন কালৰ পৰাই লোকবিশ্বাস প্ৰচলিত হৈ আছে। আনহাতে গাঁৱৰ ডেকা- বুঢ়াই সেই ৰাতি বিভিন্ন তাচৰ জুৱা যেনে ছপছপি, হাজাৰী,তিন পাত্তি আনকি ডাবু ...খেল আদি খেলি গ্ধশাইতগ্ধ অৰ্থাৎ ভাগ্য পৰীক্ষা কৰে। কোনো দিনেই লৰা বা ঘৰৰ লগুৱাক জুৱা খেলিবলৈ নিদিয়া অভিভাৱক বা গৃহস্থয়ো সেই ৰাতিত হ'লে কাকো বাধা প্ৰদান কৰা নাছিল। আনকি গৃহস্থ, লাগুৱা-বনুৱা একেলগে জুৱা খেলিছিল। মুঠৰ ওপৰত বছেৰেকত এটাই ৰাতি সেইটো হ'ল চৰাটৈৰ ৰাতি, যি ৰাতিত অবাধে বিনা বাধাই সকলোৱে জুৱা খেলাৰ স্বাধীনতা পাইছিল। আকৌ কোনোবাই সেই ৰাতি বেলেগৰ ঘৰত জ্বলোৱা প্ৰথম দিয়া বাতি বা চাকিটো মনে মনে চুৰ কৰি তেল, শলিতা গছি পেলাই দি চাকিটো পকেটত ভৰাই নি জুৱাত বহিছিল। এনে খালী চাকি পকেটত থাকিলে হেনো জুৱাত লাভ হ'বই বুলি দেশীৰ মাজত বিশ্বাস।

সিদিনা দেশী মানুহসকলে ভেড়াৰ মাংসও খায়। বিশ্বাস যে চৰাটৈৰ ৰাতি ভেড়াৰ মাংস খালে গোটেই বছৰ ধৰি বাত বেমাৰ নহয়।



# কবিতা আৰু কবিসকল

■ দিবাকৰ ৰেণু



কবিতা অতি সহজ বিষয় নহয়। কিন্তু কবিতা অতি জটিলো নহয়। কবিতা উন্মুক্ত কিন্তু অতি ৰহস্যময় এক অনুভৱ, যিটো মাত্ৰ দেৱদূতৰূপী কবিয়েহে কৰিব পাৰে। কবিতাক বহুতেই নিজৰ স্থায়ী সম্পত্তি হিচাপে বাৰে বাৰে অত্যাচাৰ কৰি আহিছে, কিন্তু কবিতা কাৰোৱেই নহয়, কিন্তু প্ৰতিজন পাঠকৰ। ঘামৰ উৎকট গোন্ধৰ মাজতো এগৰাকী কয়লাখনিৰ বনুৱাৰ বহল বুকুত যেনেদৰে তেওঁৰ প্ৰেয়সীয়ে বিচাৰি পায় প্ৰেমৰ নিৰ্যাস, শ্মশানস্থলীৰ চণ্ডাল এজনে যেনেদৰে মৃতদেহৰ পোৰা গোন্ধত প্ৰতিদিনেই স্বাভাৱিক, ঠিক তেনেদৰেই কবিতাৰো আছে স্বকীয় স্থিতি অথচ ভাৱৰ গতিশীলতা। কোনে বাৰু কবিতাৰ দুৰ্বাৰ গতিক ৰোধ কৰিব পাৰে। কবিতাৰ ভাৱে বাৰাক ওবামাৰ পত্নীৰ সৈতে তৃপ্তিৰে এসাঁজ খোৱাক যেনেদৰে বাধা দিব নোৱাৰে, ছোমলিয়াৰ দৰিদ্ৰ শিশুৰ বক্ষ বিদাৰণ কৰি কলিজাৰ সৈতে খেলি থকা শগুন এটিক আনি পাঠকৰ হাতত এৰি দিয়াত বাধা দিব নোৱাৰে। কবিতা নিজে নিজেই পূৰ্ণ অথচ প্ৰতিজন পাঠকৰ বাবে পূৰ্ণতাৰ আৰম্ভণি। কোনে কয়, তেওঁৰ কবিতা বুলি, কবিতা কাৰোৱেই নিজৰ নহয়, কবিতা পাঠকৰ হৃদয়ৰ ভাৱৰ গতি। আমি কবিতাৰ প্ৰেমত পৰোঁ প্ৰতি পল, প্ৰতি দিনেই। প্ৰতিটো নিশাই কবিতাক আৱিষ্কাৰ কৰোঁ, প্ৰতিটো দিনত কবিতাক বিচাৰি ফুৰোঁ। কবিতা লুকাই ফুৰে জন অৰণ্যত। কবিতা লুকাই থাকে নিৰন্ন শিশুৰ শূন্য উদৰত। কবিতাই হাঁহি থাকে, মেদবহুল বনিকৰ চ'ৰাঘৰত। কবিতাক বেচা-কিনা কৰে এচাম বেপাৰীয়ে। কবিতাক পুৰস্কৃত কৰে সাহিত্যৰ সভাত। বাতৰি কাকতৰ শূন্য স্থান পূৰণ কৰি কবিতাই বহি থাকে। তথাপি কবিতাৰ স্বাধীনতা আছে। কবিতাৰ নিজৰ খুচী। কবিতা কাৰ কলমেৰে আপোনাৰ ওচৰলৈ যাব।

সেই কবিতা লিখা মানুহবোৰক লৈ-- ইতিমধ্যে বহু বিতৰ্কৰ সূচনা হৈ আহিছে। কবি আৰু কবিতা লিখা মানুহৰো বহু পাৰ্থক্য বহুতেই বিচাৰ বিশ্লেষণ কৰে ।মানুহ আৰু কবিৰ মাজতো বহু পাৰ্থক্য দেখা যায়। সংজ্ঞা নিৰূপণত আমি ব্যৰ্থ হওঁ সময়ত। আমি সময়ত ফুলনিৰ ফুলি থকা, সুগন্ধি বিলাই থকা ফুলবিলাকতকৈ পখিলা আৰু ভোমোৰাকহে বেছি গুৰুত্ব দিওঁ, আমি স্থাৱৰত কৈ অস্থাৱৰত সময় বেছি ব্যতিত কৰোঁ। আমাৰ এই দ্বন্দ্বাত্মক সময়তেই আমি কবিতা লিখা মানুহবিলাক আৰু কবিসকলক একাকাৰ কৰিব পাৰোঁনে? এই বিষয়ে বহু পৰীক্ষা-নিৰীক্ষাৰ অন্তত কবিতা লিখা মানুহ আৰু কবিৰ বিষয়ে কিছু ধাৰণা মনলৈ আহিছে। আমাৰ ধাৰণাৰে কবিসকল কেনে হোৱা উচিত—

১) কবিসকল প্ৰথমে এগৰাকী সৎ ব্যক্তিত্বৰ সঁচা অৰ্থতেই মানুহ হ'ব লাগে।

২) কবিসকলে বুকুত এখন শিলৰ পৰ্বত, এখন নৈ, এখন মৰু আৰু এখন ফুলৰ অৰণ্য লৈ ফুৰিব লাগে একে সময়তে।

৩) কবিসকল নিৰহংকাৰী আৰু সৰল হ'ব লাগে। কবিসকলে এৰা-ধৰা কৰিব লাগিবই। কবিয়ে কাৰো লগতে শত্ৰুতা কৰিব নালাগিব। বেয়া ঘটনাবিলাক কবিয়ে দুস্বপ্ন বুলি পাহৰিব লাগিব। হিংসা, অসততাৰ দৰে বিষয় কবিৰ হৃদয়ত থাকিব নালাগিব।

৪) কবি কেতিয়াও ডাষ্টবিন হ'ব নোৱাৰে, কবি হ'ব লাগে সংকৰ্ষণ।

৫) কবিসকল সামাজিকভাৱে দায়বদ্ধ হ'ব লাগে। আনৰ প্ৰতি কবিৰ থাকিব লাগে নিজতকৈও বেছি মৰম।

৬) কবিসকল প্ৰচাৰবিমুখ হ'ব লাগে। সামন্য পৰিমাণে লাজুক আৰু বৃহৎ পৰিমাণত প্ৰেমিক।

৭) কবি সকল ল'বী আৰু তোষামোদৰ পৰা বহু নিলগত থাকিব লাগে।

৮) কবিসকল ৰসিক আৰু অভিনেতাও হ'ব লাগে। নিজৰ দুখ লুকুৱাই ৰাখি আনক সুখ প্ৰদান কৰা কবিৰ দায়িত্ব।

৯) কবি মাঘপণ্ডিতৰ দৰে দানী আৰু ভগৱান বামনৰ দৰে দাবীদাৰ হ'ব লাগে।

১০) ৬৪ কলাৰ ভিতৰত চৌৰ্য, ৰন্ধন, চিত্ৰাংকন, মিতব্যয়ী, সংযমী, প্ৰেমিক, সৌন্দৰ্য চৰ্চা আদি বিশেষ গুণৰ অধিকৰী হ'ব লাগে।

১১) কবিসকলে বিলাসিতা বৰ্জন কৰিব লাগে।

১২) কবিসকল অনাহাৰে থাকিও কবিতা হাঁহি হাঁহি পাঠ কৰাৰ সাহস থাকিব লাগে।

১৩) কবিসকল কিছু পৰিমাণে প্ৰমাদ আৰু যথেষ্ট পৰিমাণে ধীমান হ'ব লাগে। ১৪) কবিসকলৰ দেহত বাৰিষাৰ বোকা, আঘোণৰ সোণ হালধীয়া ধানৰ গোন্ধ, কুৱলীৰ শুভ্ৰতা আৰু শীতৰ শীৰ্ণতা থাকিবই লাগিব। ১৫) কবিসকল দ্বিতীয় ব্ৰহ্মা। ব্ৰহ্মাৰ দৰে সৃজন গুণ কবিৰ থাকিব লাগিব।

১৬) কবিৰ আটাইতকৈ সৎ গুণটো হ'ল এৰা-ধৰা আৰু সহিষ্ণুতা। কোনো কবিয়েই কেতিয়াও ব্যক্তি অভিমান নকৰে। তেওঁ প্ৰকৃত কবি যি সামাজিক অভিমান কৰি বিদ্ৰোহ কৰে।

ওপৰোক্ত গুণসমূহ আমাৰ চিন্তাৰে মণ্ঠন কৰা। উত্তৰ পুৰুষে বিচাৰে তেনে গুণৰ অধিকাৰী একো একোজন কবি আমাৰ সাহিত্যলৈ আহক। এই গুণৰ গৰিমাৰে পাঠক সকল যেন মোহান্ধ হৈ উঠে।

ফোন ঃ ৮৬৩৮১৪৩৮১৫

## অণুগল্প

# ডাইনী



যন্ত্ৰণাদায়ক মৃত্যুৰ সময়তো তেওঁৰ দুচকুত হাঁহি বিৰিঙি উঠিছিল। মানৱতাৰ অৱক্ষয় দেখি তেওঁৰ অন্তৰে হাহাকাৰ কৰিছিল। বুকুত দাৰ ঘাপটো পৰাৰ পিছতো তেওঁ ভাবিছিল সভ্যতাই মানুহক গছৰ বাকলিৰ পিছত লজ্জা নিবাৰণৰ কাৰণে কাপোৰ পিন্ধাৰ জ্ঞান ঠিকেই দিছিল। কিন্তু আদিম বৰ্বৰ সমাজত মুখত তেজ লাগি ৰৈ যোৱাকৈ মঙহ খোৱাৰ অতৃপ্ত লালসা এতিয়াও বিদ্যমান হৈয়ে থাকিল এচাম মানুহৰ মাজত। জীৱনৰ শেষৰটো উশাহত তেওঁৰ দুচকুৰে দুধাৰি চকুলো নিগৰিছিল আৰু মানৱতাৰ মুক্তিৰ কামনা কৰিছিল। তেওঁ মুঠেও ডাইনী নাছিল। তেওঁৰ ক্ষত-বিক্ষত শৰীৰত জীৱশ্ৰেষ্ঠৰ ক'লা অধ্যায় ৰৈ গ'ল মাথোঁ।

■ জয়ন্ত দাস

ফোন ঃ ৭৮৯৬৬৮১৭৩৯

## আঁহত কলগছৰ উচুপনি

● গোপাল কৃষ্ণ বাঢ়ৈ

ব্যস্ত চহৰখনৰ চাৰিওফালে সিঁচৰতি হৈ আছে আহত
কলগছৰ দেহাবোৰ।
কান্দোনত শোকাকুল হৈ পৰিছে সমগ্ৰ চহৰখন...
হয়তো মানুহবোৰে শুনা নাই সিঁহতৰ মৰণ কাতৰ চিঞৰ,
অনুভৱ কৰা নাই যন্ত্ৰণাবোৰ...
প্ৰকৃতি প্ৰেমীসকলেও ভবা নাই সিঁহতৰ কথা।
যান্ত্ৰিকতাই গ্ৰাস কৰা পৃথিৱীখনত
হৃদয়হীন হৈ পৰিছে সকলো,
আত্মকেন্দ্ৰিক হৈ পৰিছে...
নিজৰ স্বাৰ্থৰ কাৰণে মানুহে মানুহক হত্যা কৰা এইখন
পৃথিৱীত কাৰ আহৰি আছে
সেউজীয়াবোৰৰ কথা ভাবিবলৈ?
উঃ এতিয়া জীয়াই জীয়াই মৰিব ধৰিছে সিঁহত,
মোক দেখি যেন বাঢ়ি আহিছে কান্দোনৰ ৰোল।
কিন্তু ময়ো যে আজি অসহায় আৰু নিৰুপায়।
বেদনাহত হোৱাৰ বাহিৰে,
এক সহনীয় যন্ত্ৰণাত চট্ফটাই উঠাৰ বাহিৰে আজি মই
একো কৰিব নোৱাৰোঁ সিঁহতৰ বাবে...

ফোন ঃ ৮৬৩৮৩১৬০৭৩

## উকি

● যশোৱন্ত নিপুণ

শীতৰ দূৰণিৰ নিৰ্জন এটি দুপৰীয়া
এখন নীলা ৰ'দে ধোৱা হাবিত
কোনোকালে উভতি নাহিবলৈ
চোঁ মাৰি হেৰাই গৈছিল এটি উকি ।
নৈঃশব্দৰ মুখৰ প্ৰহৰত
সুগভীৰ শূন্যতাৰ সুৰংগ ভেদি
শাণিত সেই প্ৰতিধ্বনি ।

## দীপাৱলী-জ্যোতিয়ে ৰিঙিয়াই


● পাৰুল ডেকা

অন্ধকাৰ জীৱনৰ এবছৰ বাটত
আলোকৰ প্ৰভাতী ফুলে
প্ৰগতিৰ জেউতি জ্বলে।
কালজয়ী অমাৱস্যাৰ বিনিদ্ৰ ৰজনী
দীপকে আলোকিত কৰে।

শীতৰ সেমেকা গধূলি
নিয়ৰ সেমেকা পদূলিত
শেৱালিৰ সুবাসত জ্যোতিয়ে বিজয়িত ক
অজ্ঞানতা, মূৰ্খতা, নিষ্কৰ্মণ্যতা।

ঢাপলিত এটি জোনাক ভৰা দেশলৈ
য'ত পুলকিত ৰূপহী পথ, জোনাকী বাটেৰে।

ফটকা, ফুলজাৰি, হিলৈ, বৰটোপে
ভগ্নিত কৰে মনৰ সুপ্ততা
জাগৃত প্ৰহৰী
উদ্বীপ্ত বিস্ময়েৰে আগমিত হয়
জ্যোতিৰ কাকলি
এটি নতুনত্বৰ মাত্ৰা
এটি আলোকময় শোভাযাত্ৰা।



## হেৰাই যোৱাৰ অধিকাৰ

● মূল হিন্দী ঃ মহাদেৱী বৰ্মা
অনুবাদ ঃ পূৰৱী তালুকদাৰ

সেই হাঁহি থকা ফুলপাহ
যিয়ে মৰহি যাবলৈ নাজানে,
সেই তৰাৰ পোহৰ
যি কেতিয়াও নুমাই নাযায়।

সেই শূন্য চকুযুৰি
যাৰ পৰা চকুলোৰ মুকুতা সৰা নাই,
জীৱনৰ সেই শয্যা
য'ত দুখৰ কোনো আঁচোৰ পৰা নাই।

সেই নীলাৰ মেঘ
যাৰ আকাশত নিঃচিহ্ন হোৱাৰ হেঁপাহ নাই,
সেই অনন্ত ঋতুৰাজ
যি বিদায় লোৱাৰ পথ দেখা নাপায়।

তোমাৰ এনে এখন পৃথিৱী
বেদনা নাই, য'ত নাই অৱসাদ,
দগ্ধ হ'বলৈ জনা নাই, জনা নাই
যিয়ে শেষ হোৱাৰ প্ৰশান্তি /

পাম নেকি অমৰত্বৰ জগত
তোমাৰ কৰুণাৰ উপহাৰ
হে ঈশ্বৰ, নেলাগে সেয়া / কাৰণ
এয়া যে মোৰ শেষ হৈ যোৱাৰ অধিকাৰ /

## পিতাই দেখুওৱা বাটেৰে মই

● অৰুণ গগৈ

ভালপোৱাই বকুত বাহ সাজিছে
সোণাৰুৰ হালধীয়াত হৃদয়ে হাঁহিছে

মংগল উৰুলি দিয়া কপৌ এহালিয়ে
মোৰ আগ চোতালত অগা-দেৱা কৰিছে
পদূলি মুখৰ বকুল তলত
হিম চেঁচা নিয়ৰে তোৰণ সাজিছে

এই পদূলিৰে নঙলা খুলি
দুবৰিৰ দলিচা গৰকি
ককায়ে এদিন আইতাক
পিতায়ে এদিন আইক আনি
বৰঘৰ সুমুৱাইছিল

সেই বাটেৰেই তোমাকো আনি এদিন
বকুৰ পাটমাদৈ কৰিম
সৰিয়হ হালধীয়া সপোনটো ফুলিবলৈ দিম

মোৰ পৰা তোমালৈ আৰু তোমাৰ পৰা মোলৈ
ভালপোৱাই বকুত সাজিছে বাট
এই আঘোণতে তোমাক দাৱনি কৰাত
আই-পিতাইৰ নাই কোনো অজুহাত ।

ফোন ঃ ৯৭০৭৩৯০৫৪০

## আঘোণৰ আবেলি

● ঋতুৰাজ গোস্বামী

আঘোণৰ হেন্দোলি উঠা পকাধানৰ
পথাৰখন
আলিৰ গড়াৰে
দুয়োপাৰে বাগৰি
কতখন গাঁও চুই যায়

ৰ'দৰ জিলিকনিত
চকু মন জুৰ পৰা সোণবৰণীয়া পথাৰ ।
ডাঙৰীয়ে ভৰা
চোতালখন ওপচাবলৈ,
জোনাকী জোনবাইহঁতে
চুই দিয়া মুঠিবোৰ
গজলিয়া বাঁহৰ তমালেৰে আটিঁ ধৰিছে ।

ভোগেশ্বৰহঁতে
গাঁৱলৈ কঢ়িয়াই নিছে
পথাৰৰ পৰা এটা
মলমলীয়া গোন্ধ।
আঘোণৰ পকাধানৰ পথাৰখনে
আলিটোৰ দুয়োপাৰে বাগৰি
চঞ্চল কৰি তুলিছে
গাঁওবোৰক

চৰাইৰ কিচি-মিচি শব্দত
ডেকা-বুঢ়া-মেঠাই
আলিবোৰ দেই দেই
কেঁচা-পকা গীতৰ সুৰেৰে
তামোলৰ সেলেঙি বোৱাই
এপাক নাচিয়েই দিয়ে

জীৱনৰ ছন্দপ্ৰাপ্তিৰ সুখত
গাঁওখনৰ সকলো আজি
আঘোণা, ভোগেশ্বৰ আৰু
ৰঙিলীৰ সৈতে
এতিয়া একেলগে থাকে।
নবাৰ আঁছোৰ খায়ো
মুখখন ৰঙীন হৈ থাকে
আঘোণৰ পথাৰত
আবেলিৰ হেঙুলীয়া ৰঙত

ঋতুৰাজ গোস্বামী
ফোন ঃ ৭৫৭৮০৬৩৭১২





## বুকুলৈ নিয়ৰৰ খোজ

● শান্তনু পাতৰ

আকাশ আৰু মোৰ বুকু
মাজত নিৰ্জনতা ৰিক্ত
সাঁকোবিহীন দুটি বিচ্ছিন্ন পাৰ
মন গ'লে খেলিব পোহৰৰ ঢৌ

দুটি পাৰক ৰূপালী তাঁৰে সংযোগ
দীঘল-ঠেঙীয়াই গোৱা গীত
ইপাৰ-সিপাৰ বিজুলী মায়া
ভালপোৱা ঋতুয়ে সানে ৰং

শূন্য গভীৰতাত সাঁতুৰি ফুৰা
নিয়ৰৰ ফুলবোৰে
বুকুলৈ খোজ মেলে
বুকুত আঁকিব পাৰে আকাশৰ ছবি

আকাশ আৰু মোৰ বুকু
দুয়োটিৰে নিয়ৰৰ বগা নীলা ফুল
বুকুত গজে শৰতৰ এটি পুৱা-সন্ধ্যা।

ফোন ঃ ৯৬১৩৬৪৪০৬২



## কুঁৱলীৰ স্নিগ্ধতা

● ৰূপক অধিকাৰী

আঘোণৰ ৰ'দ কাঁচিয়লি আকাশখন
আজি বগা চাদৰ মূৰত গুজি
ৰয়হি দুৱাৰমুখত দূবৰিৰ বুকুত
শতকোটি মোহময়ী মণি-মুকুতা।

ক্ষন্তেকৰ বাবে স্বৰ্গৰ স্নিগ্ধ আমেজ
আঙুলিৰ আগৰে
মুহূৰ্ততে আঁকি পেলাওঁ
একো একোখন অচিন চিত্ৰ।

প্ৰকৃতিৰ ৰাগিত মনৰ উদ্দীপনা
তুষ্টি লাভ কৰে
সোণালী বৰণীয়া ধাননি পথাৰ দেখি
ভৱিষ্যতৰ ৰঙীন স্বপ্ন আঁকিছো
দুনাই উকা ভঁৰালৰ বুকুত।

কুঁৱলীৰ পৰশত কঁপি কঁপি উঠিছে
মোৰ মৃদু ওঁঠ যোৰ
কাঁচিৰ শব্দ বিয়পিছে কেচ কেচ
পুৱাৰ কাঁচিয়লি কিৰণত
জিলিকি উঠিছে
বহু ডেকেৰী গাভৰুৰ মনোমোহা হাঁহি
তথাপি নাচাওঁ তালৈ
চপাই কাটিছোঁ কুঁৱলীৰ স্নিগ্ধতাত
মোৰ অযুত সপোনৰ সোণগুটি ।

ফোন ঃ ৯৭০৬৯-৪৮৬১১

## কঁহুৱা

● চিন্ময় কলিতা

শেৱালিৰ আগমনে শোভিত হৈছে
ঋতুৰ ৰাণীৰ বুকু ।
শাৰদী ৰাণীৰ পৰশত
ধাননি পথাৰ হৈ পৰিছে
সেউজীয়া।
এই শৰততেই লক্ষী মা আহে
প্ৰতিজনৰ ঘৰে ঘৰে
দুখ দূৰ কৰে লক্ষী মাৰ শুভাশিসে।
পুনৰ শৰৎ কালৰ মধুৰ পৰশতে
কালীপূজা, দীপান্বিতা
প্ৰতিঘৰ আলোকিত কৰে
কাৰণ শৰৎ যে উৎসৱৰ মেলা ।

## ব্যস্ততা

● স্মৃতিৰেখা সোণোৱাল

ব্যস্ততাৰ বাবে পাহৰি থাকোঁ- বুকুত বহুতো
কাঁইট আছে।
ব্যস্ততাৰ বাবে পাহৰি থাকোঁ- বুকুত কোনোবা
আছে।

পাহৰি থাকোঁ- কি কি এৰি থৈ আহিলোঁ আৰু
কি কি পালোঁ,
পাহৰি থাকোঁ- কি কি হেৰুৱালোঁ ।

ব্যস্ততাৰ বাবে প্ৰায়ে পাহৰা হয়- নোপোৱাৰ
তালিকাখন এবাৰ হিচাপ কৰিবলৈ,
পাহৰা হয় শুই থকা সপোনবোৰক পুনৰ এবাৰ
নিচুকাবলৈ।

ব্যস্ততাৰ বাবেই
মানি ল'বলৈ টান পাওঁ- তুমি মোক পাহৰি
গৈছা।
ব্যস্ততাৰ বাবেই
মানি ল'বলৈ টান পাওঁ- তুমি মোৰ পৰা
আঁতৰি গৈছা।

ব্যস্ততাৰ বাবে পাহৰি থাকোঁ- তুমি মোক দিয়া
দুখ অথবা সুখবোৰৰ কথা,
মোৰ লগত খেলা প্ৰতাৰণাৰ খেলবোৰৰ কথা
সাময়িকভাৱে পাহৰি থাকোঁ- তুমিও যে এদিন
মোৰ আপোন আছিলা।

ব্যস্ততাৰ বাবে পাহৰি থাকোঁ- আৱেগিক হ'ব
পৰাকৈ থকা দুটামান মুহূৰ্তৰ কথা।
পাহৰি থাকোঁ- ঘৃণামিশ্ৰিত তোমাৰ শ্লেষবোৰৰ
কথা।

হঠাৎ মনলৈ ভাব আহে-
তুমি মোৰ হৈ থকা নাই।
তুমি মোৰ সুখত সুখী হ'ব পৰা নাই।
জানো- তথাপি তুমি মোক মনত পেলোৱা।
বিনা ব্যস্ততাত
তোমাক ভালপোৱা নাছিলোঁ।
ব্যস্ততাৰ বাবে সকলো পাহৰিছোঁ ;
তোমাক পাহৰিব পৰা নাই অথচ তোমাক
পাহৰাটো আজি খুবেই জৰুৰী ।

ফোন ঃ ৯৮[illegible]



## তুমি নথকাৰ অজুহাতত

● এন হক (জান)

ফোন ঃ ৯১০১৮২৮১৫৯

সৰিয়হৰ ডুলিত লুকাই ৰাখিছিলোঁ ভূত
সৰিয়হে ভূত হৈ ভূতক লম্ভিলে
যেনেদৰে একাকিত্বক প্ৰত্যাহ্বান প্ৰত্যাশাত
শৰণ লৈছিলোঁ তোমাৰ হৃদয় পদূলিত
এতিয়া তুমিয়েই মোক নিঃসংগ কৰিলা।
নিসংকোচে উজাৰি দিয়া বিশ্বাসবোৰ
অনীহাৰ অধীনস্থ সময় প্ৰৱাহত উটি গৈ চৰ
পৰিল
পলাশৰ হাঁহিবোৰ নিজমতাত শুই পৰিল
বকুলতলৰ স্মৃতি স্তম্ভ খুচুৰিলে
বৈ আছে বিষাদৰ নৈ
তুমি কাষত নাই বাবে....
তুমি নথকাৰ অজুহাতত সৰি পৰে অশ্ৰু
ভিজা ওঁঠত বিৰহ বেদনাই সুহুৰি বজাই
উন্মাদ কৰি তোলে মৰা নৈৰ ঘাট
চৌদিশে মাথোঁ হাহাকাৰ
প্ৰাণৰ হাহাকাৰ
বৈৰাগ্যৰ এঙামূৰিত
তপত হুমুনিয়াহ একলহ ঢালি দি
ৰৈ আছোঁ অমানিশাৰ পিছৰ এমুঠি জোনাক
বিচাৰি
তুমি আহিবা
আহিলে ছিঙি পৰিব সমস্ত অজুহাত।



## বক্ৰতা

● যশোৱন্ত নিপুণ

মহাশূন্যত দোদুল্যমান বক্ৰতাৰে পূৰ্ণ
এটি নীলা গোলকত
সৰলৰৈখিক পথেৰে কোনে আগুৱাব
পাৰে ?
সৰল ৰেখা মাত্ৰ এটি হৰিণা পোৱালিৰ
ক্ষুধাতুৰ মাংসাহাৰীৰ গুহালৈ যোৱাৰ
পথ ।

আনকি ঈশ্বৰৰ ওচৰলৈ যোৱা
পথটোৱো প্ৰাৰ্থনা-গৃহৰ তেজেৰে
পিছল
একা-বেঁকা খটখটীৰেই পাৰ হয় ।
শূন্যতাৰ সীমাহীন বক্ৰতাতেই
ওলমি আছে গ্ৰহ-নক্ষত্ৰ, উজ্জ্বলতম
জ্যোতি
আৰু অসীম আন্ধাৰৰ অতল গহ্বৰ ।
জীৱনৰ স্বপ্নাতুৰ মসৃণতা ,
লালসাৰ অগ্নিৰ আহুতি ,
আৰু যন্ত্ৰণাবিহীন মৃত্যু বিচাৰি ,
সিপাৰৰ জুইকুৰাত
অনন্ত কাললৈ দগ্ধ নহ'বলৈকে
একা-বেঁকা পথেৰে আমাৰ পলায়ন
যাত্ৰা।



## মন মোৰ উৰে আকাশলৈ

● কল্যাণী বৰ্মন

প্ৰবীণ কুমাৰ টায়ে
মন মোৰ উৰে আকাশলৈ
পখিলাই পাখি মেলি উৰে
ফুলৰ পাহে পাহে

সুবাস বিলাবলৈ
মই বিচাৰোঁ
তোমাৰ উজ্জ্বলতা
সাঁতুৰি নাদুৰি

যাব বিচাৰোঁ
তোমাৰ বুকুৰ মাজলৈ
প্ৰকৃতি তুমি কিয়
ইমান নিষ্ঠুৰ

মোৰ প্ৰতি
উজাগৰে কটাইছিলোঁ
তোমাৰ বুকুৰ উমাল
তাপ পাম বুলি

আজিও মই আশাবাদী
তোমাৰ বুকুৰ মাজত
উমাল তাপ ল'ব
পাৰিবা জানো

এবাৰ মাথোঁ জিৰাব দিব
দিয়ানা তোমাৰ বুকুৰ মাজত
হিয়াৰ কোণত
জীৱন....





## নিষিদ্ধ গলি

● মৃদুলা দেৱী

পিছে পিছে এদল ক্ষুধাৰ্ত স্বাপদ
ঘিট-মিট আন্ধাৰত
তাই মাত্ৰ দৌৰিছে
নাজানে তাই এতিয়া ক'ত
হঠাৎ এখন বলিষ্ঠ হাতে
বাট ভেটি তাইৰ হাতত খামুচি ধৰে
নিমিষতে ৰাংকুকুৰজাক অন্তৰ্ধান
বিপদত পৰাজনে খেৰকূটাডালকে
সাবটি লোৱাৰ দৰে তাই
অচিনা অজানজনৰ হাতত ধৰি
অচিনাকি গলিটোৰে আগবাঢ়ি যায়।
দামী গাড়ীবোৰে ক'লা আইনা তুলি
আহিছে গৈছে
ঘৰবোৰৰ দুৱাৰমুখত অদ্ভুত
সাজ-সজ্জাৰে অভিসাৰিকাৰ দল
একো একোজনী যেন প্ৰেতনী
তাই ভয়ে ভয়ে ভৰি দিছিল
ৰঙীন আলোকেৰে সজ্জিত
প্ৰকাণ্ড কোঠাটোত
এটি দুঃস্বপ্নৰ পৰিসমাপ্তি
আৰু তাই আজি চহৰৰ এই
নিষিদ্ধ গলিৰ স্থায়ী বাসিন্দা
ফুল কি ৰাণী
এতিয়া তাইৰ নাই কোনো
ভয় আৰু লজ্জা
চিকাৰীৰ ভয়ত পলাই অহা
তাই এজনী পাকৈত চিকাৰী
সম্ভ্ৰান্ত গ্ৰাহকৰ প্ৰথম প্ৰচণ্ড
নিষিদ্ধ গলিৰ এপাহী ৰজনীগন্ধা।



## জোনাকৰ চকুপানী

● দীপ্তি বড়া গগৈ

জীৱনৰ বিয়লি বেলাত
হৃদয়ত থাপিলোঁ তোমাক
দুচকুত আঁকিলো ছবি
মনৰ নিবিৰত তুমিয়েই তুমি
দুৰু দুৰু কঁপে বুকু
নিশাবোৰ কিদৰে ধৰি ৰাখোঁ
তোমাৰ সুৱাস মই পাহৰা নাই
তুমি আহি দিবানে মৰম ওপচায়
মিলনৰ ক্ষণৰ বাবে মন যে ব্যাকুল
তুমি বাৰু জানা নে নাজানা
সপোন দিঠক হ'লে আশাৰ ফুল ফুলে
যিদৰে পুৱতি নিশা গছৰ ডালে পাতে
জোনাকৰ চকুপানী সৰে।

ফোন ঃ ৮৮১২৯৭৫৬৪৫



## কবিৰ প্ৰতি

সন্মান সহকাৰে কবিসকলক কাব্য বীথিকা পৃষ্ঠালৈ কবিতা প্ৰেৰণ কৰিবৰ বাবে অনুৰোধ জনোৱা হ'ল। নিৰ্দিষ্ট সময়ৰ ভিতৰত কবিতা প্ৰকাশ পাব। কবিতা তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : dbarta2014@gmail.com তো পঠিয়াব পাৰিব।

**কবিতা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

## প্ৰথম পৃষ্ঠাৰ পৰা—

### সাংবিধানিক ৰক্ষা কৱচ আৰু

টেঙা আম বিক্ৰীৰ বাবে সাজু হৈছে আছু। এই অভিযোগ হিন্দু যুৱ ছাত্ৰ পৰিষদ, অসমৰ। আজি বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতি জৰিয়তে এই অভিযোগ উত্থাপন কৰি পৰিষদৰ কেন্দ্ৰীয় সভাপতি বলেন বৈশ্য আৰু সাধাৰণ সম্পাদক মাধৱ দাসে কয় যে চুক্তি স্বাক্ষৰ হোৱাৰ প্ৰায় ৩৫ বছৰেও সাংবিধানিক ৰক্ষা কৱচ কাক কাক দিব তাৰ সঠিক নিৰূপণ কৰিব নোৱাৰা সংগঠনটোৰ নেতৃত্বই এইখন চুক্তিৰ উদ্ধৃতিৰে কেৱল মাত্ৰ নিজৰ নিজৰ সুবিধা আদায়ৰ বাহিৰে আন একো কৰা নাই। আন্দোলনৰ নামত ৰাজ্যখন অস্থিৰ কৰি ৰাজনৈতিক দল গঠন কৰি ক্ষমতা দখলৰ সপোনত মতলীয়া হৈ নৱ নিৰ্মিত দলটোৰে ভোট ভিক্ষাৰ বাবে পুনৰ সেই সাংবিধানিক সুৰক্ষা কৱচ, 'কা' আদি টেঙা আম সদৃশ ইছুৰে অসমৰ জনগণক বিভ্ৰান্ত কৰিবলৈ যো-জা চলাইছে বুলি বৈশ্য আৰু দাসে কটাক্ষ কৰে। বিবৃতিটোত বৈশ্য আৰু দাসে কয় যে আঞ্চলিক ৰাজনৈতিক দলে ক্ষমতাত আহিলেও 'কা' বাতিল অসম্ভৱ বুলি জানিও লুৰিণজ্যোতি, দিপাংকৰতে 'কা'ৰ গইনা লৈ ক্ষমতা দখল তথা মন্ত্ৰী বিধায়ক হোৱাৰ স্বাৰ্থতে ৰাজনৈতিক দল গঠন কৰিলে। ঠিক তেনেদৰে অসম চুক্তিত সাংবিধানিক ৰক্ষা কৱচ 'অসমীয়া মানুহৰ' বুলি উল্লেখ থকাৰ পিছতো অসমীয়া কোন সেয়া নিৰ্দ্ধাৰণ নকৰাকৈ সাংবিধানিক ৰক্ষা কৱচৰ ক্ষেত্ৰত উচ্চ ভাষা প্ৰয়োগেৰে মন্তব্য দি থকাতো লজ্জাজনক বুলিও বৈশ্য আৰু দাসে মন্তব্য কৰে। একেটা বিবৃতিতে অসমৰ জনসাধাৰণৰ গুৰুত্ব ভোট ভিক্ষা কৰিবলৈ যোৱাৰ পূৰ্বে সমুজ্জ্বল, দিপাংক আৰু লুৰিণক উদ্দেশ্য কৰি অসম চুক্তিত সাংবিধানিক ৰক্ষা কৱচৰ দাবীদাৰ 'অসমীয়া মানুহ' কোন? আপোনালোকে চুক্তি সম্পাদন কৰাৰ সময়ত এনে কাৰিকৰী ভুলৰ বিষয়ে নাজানিছিল নেকি? অসমীয়াৰ ঠাইত খিলঞ্জীয়া শব্দ প্ৰয়োগ কৰা হ'ব নেকি? অসমীয়াই হওক বা খিলঞ্জীয়াই হওক ইয়াৰ সংজ্ঞা নিৰূপণ কৰাৰ বাবে আপোনালোকে ৩৫ বছৰ কিয় লগালে? এই সংজ্ঞা নিৰূপণ কৰিবলৈ আপোনালোকক আৰু কিমান বছৰ লাগিব? নে এনে বিসংগতিৰে এই বিষয়বোৰ সদায় আন্দোলন কৰাৰ স্বাৰ্থতে ব্যৱহাৰ কৰি থাকিব ইত্যাদি কেইটামান গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে। এইসমূহ প্ৰশ্নৰ উত্তৰ ৰাজহুৱাকৈ দিবলৈ দাবী জনোৱাৰ লগতে এই প্ৰশ্নসমূহৰ উত্তৰ নিদিয়াকৈ একেকেটা বিষয়ক লৈ ৰাজনীতি নকৰিবলৈও বৈশ্য আৰু দাসে সকীয়াই দিয়ে।

### দুজনীয়া ডকাইতৰ দলে

হৈছে। ঘটনাৰ বিৱৰণী মতে লখিমপুৰ নগৰৰ ঠাকুৰবাৰীস্থিত আৰ চি এজেঞ্চী নামৰ প্ৰতিষ্ঠানটোৰ কৰ্মচাৰী তথা গাড়ীচালক মিলন হাজঙে আন দিনবোৰৰ দৰে আজিও তেওঁলোকৰ প্ৰতিষ্ঠানটোৱে গোগামুখৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানটোৰে বিক্ৰী কৰাৰ বাবদ পাব লগা ধনসমূহ এখন মিনি ট্ৰাক লৈ সংগ্ৰহ কৰি আছিল। এনে সময়তে নিশা প্ৰায় ৮.৩০ বজাত গোগামুখ-লখিমপুৰ পথৰ সুনীল ষ্টৰ নামৰ এখন দোকানৰ কাষত মটৰচাইকেলত অহা দুটা ডকাইতে গাড়ীখন আগচি ধৰি মিলন হাজঙক টকাৰ বেগটো দিবলৈ ধমকি দিয়ে। হাজঙে টকাৰ বেগটো দিবলৈ অমান্তি হোৱাত দুয়োপক্ষৰ মাজত টকাৰ বেগটোকে লৈ টনা-আঁজোৰা চলে। টনা-আঁজোৰা চলি থকাৰ মাজতে এটা ডকাইতে পিষ্টল উলিয়াই হাজঙক গুলীয়াই ভৰিত বেয়াকৈ আঘাত কৰে আৰু টকাৰ বেগটো লৈ উধাও হয়। পিছত গোগামুখ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ গুৰুতৰভাৱে আহত গাড়ীচালক হাজঙক উদ্ধাৰ কৰে। আহত হাজঙৰ অৱস্থা গুৰুতৰ হোৱাত ডিব্ৰুগড় অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। গোগামুখ থানাৰ কাষতে সংঘটিত এই লোমহৰ্ষক ডকাইতি কাণ্ডই গোগামুখত চেপা উত্তেজনাৰ সৃষ্টি কৰিছে আৰু দোষীক কৰায়ত্ত কৰি কঠোৰ শাস্তি বিহিবলৈ ৰাইজে দাবী জনাইছে। আৰক্ষী সূত্ৰে জনোৱা মতে ডকাইতৰ দলটোৱে ৯ এম এম পিষ্টলেৰে গাড়ীচালক হাজঙক গুলীয়াইছিল। ডকাইতৰ দলটোৱে লুটি নিয়া ধনৰ পৰিমাণ কেইবা লক্ষ হ'ব বুলি জানিব পৰা গৈছে।

### প্ৰয়াত সাংবাদিক পৰাগ ভূঞাৰ

সুকলমে সামৰণি পৰে। আজিৰ তিলনিৰ দিনা ভূঞাৰ ঘৰত আত্মীয়-কুটুম, দল-সংগঠন, সাংবাদিক আৰু বিভিন্ন গুণমুগ্ধ উপস্থিত থাকে। তদুপৰি অসমৰ মুখ্যমন্ত্ৰীৰ প্ৰেছ উপদেষ্টা হৃষীকেশ গোস্বামীও উপস্থিত থাকে। তেওঁ প্ৰয়াত সাংবাদিকগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰি কয় যে, ঘটনাটো চি আই ডিক তদন্তৰ দায়িত্ব দিয়া হৈছে আৰু তেওঁলোকে ১৩ নৱেম্বৰ পৰা তিনিচুকীয়া জিলাত থাকি কামত নামিছে। গতিকে তদন্তৰ অন্তত প্ৰকৃত ঘটনা পোহৰলৈ আহিব আৰু যি দোষী বুলি প্ৰমাণিত হ'ব তেওঁ নিশ্চয় দৃষ্টান্তমূলক শাস্তি পাব। ইয়াৰ লগতে তেওঁ জানিবলৈ দিয়ে যে, পৰাগ ভূঞা আৰু জগদীশ ভূঞাৰ ঘৰৰ লগত পূৰ্বৰে পৰা তেখেতৰ ব্যক্তিগতভাৱে এক মধুৰ সম্পৰ্ক আছে। পৰাগ ভূঞাৰ তিলনিৰ দিনাখনেই দিনৰ দুই বজাৰ পৰা কাকপথাৰ সমূহ সাংবাদিকে একে লগ হৈ কাকপথাৰ হিন্দী বিদ্যালয়ৰ সন্মুখত জাষ্টিচ ফৰ পৰাগ লিখা পষ্টাৰ হাতে হাতে লৈ প্ৰতিবাদী সভা অনুষ্ঠিত কৰে। সভাত কাকপথাৰ প্ৰেছ ক্লাব, আছাম প্ৰেছ কৰেচ্ছপণ্ডেণ্টছ ইউনিয়ন (আপকু), তিনিচুকীয়া জিলা সমিতি, বৃহত্তৰ কাকপথাৰ সাংবাদিক সন্থা, ডুমডুমা প্ৰেছ ক্লাব আদিৰ সাংবাদিকসকল উপস্থিত থাকি পৰাগ হত্যাৰ ন্যায় দাবী কৰে।



## লাহৰীঘাটৰ বমতলা গাঁৱৰ এটি পুখুৰীৰ গুলপীয়া ভেট ফুলৰ

আৰু মাছ থকা হেতুকে ভিতৰ ভাগত কোনো দৰ্শনাৰ্থীয়ে নানামে বুলি জানিব পৰা গৈছে। দৈনিক আমাৰ সাংবাদিকে যুগুত কৰি আনে বিভিন্ন ধৰণৰ বাতৰি লগতে এইবাৰ যুগুত কৰা বাতৰিটোৱে প্ৰকৃতি প্ৰেমীক দিলে এক ব্যতিক্ৰমী উপহাৰ, সেয়াও পোহৰৰ উৎসৱ দীপাৱলীত।

## বিপিএফৰ গেলা-পচা ডাষ্টবিনত থকাতকৈ বিজেপিৰ চাফ-চিকুণ ডাষ্টবিনত থকাই ভাল

দলৰ কাম-কাজত মই অসন্তুষ্ট , সেই কাৰণে মই বিপিএফ দল ত্যাগ কৰিছোঁ। বিগত সোতৰ বছৰে একনায়কত্ববাদী ব্যৱস্থাৰে চলি আছিল বিটিচি ।বিটিচিৰ শাসন কালত তেওঁলোকে জনসাধাৰণৰ সমস্যাৰ ওপৰত কোনো গুৰুত্ব দিয়া নাই ।বিটিচিবাসীৰ নিবনুৱা সমস্যা, কৃষকৰ সমস্যা, শিক্ষা-দীক্ষাৰ সমস্যা এইবোৰ বিষয়ত বিগত পাচ বছৰ ধৰি তেওঁ সন্তুষ্ট হ'ব পৰা নাই। বিটিচিত একাংশ মানুহে অসন্তুষ্ট হৈ বিটিচিত নাথাকো বুলি দাবী কৰি আন্দোলন কৰিছে আনকি বিষয়টো আদালতলৈও গৈছে। মাটি-বাৰীক লৈ অনাবড়ো মানুহৰ শংকা সৃষ্টি হৈছে। এইবোৰ সমাধানৰ বাবে বিপিএফ নেতৃত্বই ইতিবাচক কাম কৰা নাই। আনকি আমি কিছু পৰামৰ্শ দিয়াৰ পিছতো কোনো গুৰুত্ব প্ৰদান কৰা নহ'ল। আচলতে বিপিএফে লোৱা সিদ্ধান্তসমূহ জনহিতকৰ হোৱা নাছিল । মই যিমান পাৰো বিপিএফক চেষ্টা কৰিছিলোঁ জনস্বাৰ্থৰ সপক্ষে আনিবলৈ কিন্তু মই অসমৰ্থ হ'লো। মই তেওঁলোকক পৰিৱৰ্তন কৰিবলৈ গৈ নিজেহে পৰিৱৰ্তন হ'লো। বিটিচিত ৰাইজৰ অভাৱ-অভিযোগসমূহৰ প্ৰতি কোনোধৰণৰ গুৰুত্ব নিদিয়াৰ বাবে ৰাইজৰ অসন্তুষ্টি বৃদ্ধি পোৱা বুলিও তেওঁ অভিযোগ কৰে। সংবাদ মেলত তেওঁ অভিযোগ কৰে যে বিটিচিৰ বাহিৰৰ বড়ো-কছাৰীসকলৰ বাবে অসম চৰকাৰে বড়ো অটোনমাচ কাউঞ্চিল গঠনৰ যি প্ৰস্তাৱ নিজে দায়িত্ব লৈ ৩১ আগষ্টত বিল পাছ কৰাৰ কথা আছিল সেইটো হ'ব নালাগে বুলি বিপিএফে বাধা দিছিল। মই এই সিদ্ধান্তৰ বিৰোধিতা কৰোঁ। বৰ্তমান সময়ত বিটিচি ৩০০০ কোটি টকাৰ ধাৰত পোত গৈ আছে । বিটিচি এতিয়া শেষ । আগন্তুক দহ বছৰলৈকে বিটিচিত একো কাম কৰিব নোৱাৰে ।কিন্তু বিজেপি দলে চৰকাৰ গঠন কৰিলে ৰাইজৰ সৰ্বাংগীণ উন্নতি হ'ব বুলিও দৃঢ়তাৰে ঘোষণা কৰে । বিজেপি দলত কোনো জাতি-জনগোষ্ঠীৰ কথা নাই বুলি উল্লেখ কৰি তেওঁ কয় বিটিচিবাসীৰ কাৰণে বিকল্প পথ এটাই আছে । সেয়া হ'ল বিটিচিত বিজেপিৰ নেতৃত্বত এখন সুস্থিৰ চৰকাৰ গঠন কৰাটো । আগন্তুক নিৰ্বাচনত বিটিচিত বিজেপি দলে একক সংখ্যাগৰিষ্ঠতা লাভ কৰি পৰিষদীয় চৰকাৰ গঠন কৰাটো নিশ্চিত বুলিও তেওঁ দাবী কৰে। তামুলপুৰ মহকুমাৰ পাঁচটা পৰিষদীয় সমষ্টিতে বিজেপি দলৰ প্ৰাৰ্থী জয়লাভ কৰিব বুলিও তেওঁ নিশ্চিত কৰে। বিজেপি দলে বিটিচিৰ বড়ো-অনাবড়োৰ সংঘাত দূৰ হোৱাটো বিচাৰে আৰু সমাগত নিৰ্বাচনত জয়ী হৈ বিজেপি দলে বিটিচি শাসন কৰিলে সমগ্ৰ বিটিচিবাসীৰ ভাষা-সংস্কৃতি, মাটি-বাৰী আদি সকলো সমস্যা সমাধান কৰিব বুলি দোহাৰে। চন্দন ব্ৰহ্মই কৰা অভিযোগ সম্পৰ্কত তেওঁ কয়— 'ইমান দিনে চন্দন ব্ৰহ্ম নিজেই ডাষ্টবিনত আছে । মই ডাষ্টবিনৰ পৰিৱৰ্তে ৰাজনীতিত সঠিক পথত আহিছোঁ । বিপিএফৰ গেলা-পচা ডাষ্টবিনত থকাতকৈ বিজেপিৰ চাফ-চিকুণ ডাষ্টবিনত থকাই ভাল— তেওঁ কয়। বিপিএফ দলৰ আৰু কোন কোন বিধায়কে বিজেপিত যোগদান কৰিব বুলি সোধা এক প্ৰশ্নৰ উত্তৰ দি তেওঁ কয় বিপিএফ দলৰ কোন কোন বিধায়কে বিজেপিত যোগদান কৰিব বিধায়কসকলেহে জানিব। মই বিজেপিত এগৰাকী সাধাৰণ কৰ্মী হিচাপে প্ৰৱেশ কৰিম । মই বহু কথাই জানিব আছে, শিকিব আছে । বন্দে মাতৰমকে ধৰি বহু কথাই শিকিবলগীয়া আছে বুলিও স্বীকাৰ কৰে। আগন্তুক পৰিষদীয় নিৰ্বাচনত জয়ী হৈ বিটিচি দখল কৰিলে বিটিচিৰ চীফ হ'ব নেকি বুলি প্ৰশ্ন কৰাত তেওঁ কয় যে এই কথা মই নাজানো, দলেহে চিন্তা-চৰ্চা কৰিব কোন বিটিচিৰ চীফ হ'ব। আজিৰ সংবাদ মেলত সাংসদগৰাকীক সংগ দিয়ে বাগ্‌সা জিলা বিজেপিৰ সভাপতি ৰাম দাহাল, সাধাৰণ সম্পাদক ৰাজেশ বড়ো, গয়বাৰী সমষ্টিৰ প্ৰাৰ্থী হেমন্ত কুমাৰ ৰাভা, ৰাজ্যিক বিজেপিৰ সদস্য হৰেন্দ্ৰ ৰাভা, যুৱ মৰ্চাৰ কেইবাগৰাকীও কৰ্মকৰ্তা প্ৰমুখ্যে বহুসংখ্যক কাৰ্যকৰ্তা।



## এটা ৰাজনৈতিক ধমকিতে ভাৰত জিন্দাবাদো দিব, মিঞা মিউজিয়ামো নোহোৱা হ'ব

যে, শংকৰদেৱৰ কলাক্ষেত্ৰত অসমীয়া সংস্কৃতিক আঘাত কৰা কাৰ্য আমি কৰিবলৈ নিদিওঁ। অসমৰ হিন্দু-মুছলমানৰ সংস্কৃতিৰ ভিন্নতা নাই। কিছুমানৰ লগত আমাৰ সংস্কৃতি নিমিলে। আজমলে ভাৰত জিন্দাবাদ দিয়ে সঁচা কিন্তু পাকিস্তান বা বাংলাদেশ মুৰ্দাবাদ দিয়ে জানো । এতিয়া আমিহে তেওঁৰ মুখেৰে উলিয়াইছোঁ । আজমলক কটাক্ষ কৰি কয় যে এটা ৰাজনৈতিক ধমকিতে অসম জিন্দাবাদ, ভাৰত জিন্দাবাদ ক'ব তথা মিঞা মিউজিয়ামো নোহোৱা হ'ব। বাইহাটা চাৰিআলিৰ অন্তৰ্গত দেউদুৱাৰ আলিপূবৰ ৩১নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অসম চৰকাৰৰ ৰাজহ বিভাগে আবণ্টন দিয়া ১০ বিঘা ভূমিত এখন পূৰ্ণাংগ ক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰি মন্ত্ৰীগৰাকীয়ে আৰু কয় যে এই ক্ৰীড়া ক্ষেত্ৰই অঞ্চলটোৰ বৃহৎ সমস্যাৰ সমাধান কৰিব । চৰকাৰৰ দ্ৰুত উন্নয়নৰ আঁচনিয়ে বৃহত্তৰ অঞ্চলটোৰ মানচিত্ৰ সলনি কৰি পেলাব। বাইহাটা চাৰিআলি সমন্বয় ক্ৰীড়া ক্ষেত্ৰৰ অহোপুৰুষাৰ্থ চেষ্টাত গঢ় লৈ উঠা এই খেলপথাৰৰ আধাৰশিলা উপলক্ষে আয়োজন কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনত উপস্থিত থাকে কমলপুৰ সমষ্টিৰ বিধায়ক সত্যব্ৰত কলিতা, মঙলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ ৰমেন ডেকা, কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক যাদৱ চন্দ্ৰ ডেকা সমন্বিতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি তথা সমাজকৰ্মী। বাইহাটা চাৰিআলি সমন্বয় ক্ৰীড়া ক্ষেত্ৰৰ সভাপতি ছহিদুল ইছলাম, সাধাৰণ সম্পাদকদ্বয় বিপিন চন্দ্ৰ ডেকা আৰু আতোৱাৰ ৰহমান সমন্বিতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি তথা সমাজকৰ্মী । ক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলাই বৃহত্তৰ বাইহাটা চাৰিআলি অঞ্চলৰ এক দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰা বুলি মত ব্যক্ত কৰে কমলপুৰ সমষ্টিৰ বিধায়ক সত্যব্ৰত কলিতাই।

## গুৱাহাটী বিশ্ববিদ্যালয়ৰ এনএছএছ গোটৰ প্ৰদূষণমুক্ত দীপাৱলী উদ্‌যাপনৰ আহবান

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৪ নৱেম্বৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা (এনএছএছ) গোটৰ উদ্যোগত ৰাইজক প্ৰদূষণমুক্ত দিপাবলী পালনৰ আহ্বান জনোৱাৰ উদ্দেশ্যে আজি এখন ৱেবিনাৰ অনুষ্ঠিত হয়। ৱেবিনাৰখনত বিশ্ববিদ্যালয়ৰ ছাত্ৰকল্যাণ সঞ্চালক তথা এনএছএছ গোটৰ কাৰ্যসূচী সমন্বয়ক ৰঞ্জন কুমাৰ কাকতি আৰু এইছআৰআইৰ কাৰ্যবাহী বিষয়া নয়নিকা গগৈ উপস্থিত থাকে। ফটকাৰ পৰা হ'ব পৰা শব্দ প্ৰদূষণ আৰু পৰিবেশ বিনষ্ট হোৱা কাৰণবোৰৰ পৰা আমি সচেতন হোৱাৰ প্ৰয়োজন বুলি দুয়োজনে ব্যক্ত কৰে। সেউজীয়া আৰু স্বাস্থ্যকৰ পৰিবেশ বৰ্তাই পোহৰৰ উৎসৱ দিপাৱলী উদ্‌যাপন কৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰা হয়। এনএছএছৰ স্বেচ্ছাসেৱক নিতুল কলিতা আৰু পাৰ্শ্ব পাটগিৰিয়েও নিজৰ মতামত দাঙি ধৰে।

## সেউজ দীপাৱলী, মামণি ৰয়ছম গোস্বামীৰ জন্মদিন উদ্‌যাপন ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ নৱেম্বৰ ঃ** গীত-কবিতাৰে মুখৰিত হৈ পৰিল নগাঁও চহৰৰ শেৱালি কবি ৰত্নকান্ত বৰকাকতী সেতু। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নগাঁও জিলা সমিতিৰ উদ্যোগত আজি ৰত্নকান্ত বৰকাকতী সেতু সেউজ দীপাৱলী,শিশু দিৱস আৰু মামনি ৰয়ছম গোস্বামীৰ জন্মদিন উদযাপন হয়। তদুপলক্ষে জ্ঞানপীঠ বঁটা বিজয়ী মামনি ৰয়ছম গোস্বামীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সাহিত্যিক শিৱানন্দ কাকতি আৰু মোহন বৰাই। শিশু দিৱস উপলক্ষে কবিতা পাঠ কৰে অৰ্হনদীপ শইকীয়া, কৃষ্টিকানন কলিতা, নিষ্ঠাজিতা কলিতাই। শিশু দিৱসৰ লগত সংগতি ৰাখি বক্তৃতা প্ৰদান কৰে মোহন বৰাই। গীত পৰিবেশন কৰে অনিমা শৰ্মা বৰুৱা, নীপু ভূঞা, আতিকুৰ ৰহমান আৰু হেলেন পণ্ডিতে ।কবিতা পাঠ কৰে বিশিষ্ট কবি প্ৰয়াগ শইকীয়া, বিপুল বৰুৱা, গৌৰাংগ বৰা আৰু লক্ষিপ্ৰভা শইকীয়াই ।সেউজ দীপাৱলীৰ সম্পৰ্কত বক্তৃতা প্ৰদান কৰে বিশিষ্ট পৰিবেশ কৰ্মী কুলেন দাসে ।জ্ঞানপীঠ বঁটা বিজয়ী বিশিষ্ট সাহিত্যিক মামনি ৰয়ছম গোস্বামীয়ে সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাৰ ওপৰত লিখা 'তোমাৰ কণ্ঠ বাদ দি জন্মভূমিৰ চিত্ৰ আঁকিব নোৱাৰো' শীৰ্ষক কবিতা আবৃত্তি কৰে চন্দনজ্যোতি বৰাই। ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিৰ নগাঁও জিলা সমিতিৰ মুখ্য আহ্বায়ক ৰাজশেখৰ কলিতাই আঁত ধৰা অনুষ্ঠানটোত বিশিষ্ট কবি বুবুল শৰ্মা, ফটো সাংবাদিক নৃপেন শইকীয়া, চিত্ৰ শিল্পী পল্লৱী শৰ্মা, শিশু বন্ধু দুলাল বৰা ,শিল্পী নয়ণকমল শইকীয়া, ছাত্ৰ মুক্তিৰ উপদেষ্টা মনোজ সিংহৰাজা,ছাত্ৰ মুক্তিৰ নগাঁও জিলা সমিতিৰ অনুৰম বৰা, মহছিন আহমেদ, ৰূপম বৰা, দিবাকৰ বৰা, ৰাজদ্বীপ আহোম, সিদ্ধান্ত কৌশিক, কৌস্তভ বৰা কুনাল বৰা উপস্থিত থাকে। অনুষ্ঠানৰ শেষত উৰণীয়া সেঁতুত বন্তি প্ৰজ্বলন কৰা হয়।



## জয়শালমেৰত উপস্থিত হৈ মনোবল বৃদ্ধি কৰিলে ভাৰতীয় সেনাৰ

প্ৰধানমন্ত্ৰীয়ে বিশেষভাৱে আলোকপাত কৰে। উল্লেখ্য যে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছৰে পৰা নৰেন্দ্ৰ মোডীয়ে দেৱালী উদ্‌যাপনৰ বাবে ব্যতিক্ৰমী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। কেতিয়াবা লাডাখৰ বৰফাবৃত পাহাৰৰ মাজত কৰ্তব্যৰত সেনা-নিৰাপত্তা বাহিনীৰ কাষত, অন্য কেতিয়াবা পাকিস্তান-পাঞ্জাবৰ সীমান্তত উপস্থিত হৈছেগৈ আচম্বিতে। আজি পোহৰৰ উৎসৱ দেৱালী সম্পৰ্কত নিজৰ বক্তব্যৰ জৰিয়তে সেনা বাহিনীৰ জোৱানসকলক মনোবল বৃদ্ধিৰ প্ৰয়াস কৰা দেখা যায়। লগতে লোকেল ফৰ ভোকেল শ্ল'গানৰ বিষয়ে ব্যাখ্যা কৰে। প্ৰধানমন্ত্ৰীয়ে জয়শালমেৰৰ সীমান্তৰ নীৰিক্ষণ চকীত উপস্থিত হৈ কয় যে সেনাবাহিনীৰ জোৱানসকলে নিজৰ জীৱনত তিনিটা বিষয়ত সদায় অসহযোগিতা লাভ কৰিছে। প্ৰথমটো হ'ল অভ্যাস ঃ যাৰ দ্বাৰা কিবা এটা নতুনকৈ উদ্ভাৱন কৰিব পাৰি। দ্বিতীয়টো হ'ল ঃ যোগাসন কৰা কাৰ্য। এইক্ষেত্ৰত অনিহা আৰু অৱহেলাই আৱৰি ৰাখে। তৃতীয়টো হ'ল নিজৰ মাতৃভাষা। হিন্দী বা ইংৰাজী তথা অন্যান্য ভাষা শিকাটো অতি বাঞ্ছনীয়। কিন্তু কেতিয়াও নিজৰ মাতৃভাষাৰ চৰ্চা তথা ব্যৱহাৰ পাহৰিব নালাগে। ইয়াৰ লগতে লোকেল ফৰ ভোকেলৰ উদাহৰণ দাঙি ধৰি কয় যে আমি কেতিয়াও বিদেশৰ পৰা শ শ অস্ত্ৰ, গুলীবাৰুদ আমদানি কৰি সদায় দেশখন সুৰক্ষিত কৰি ৰাখিম বুলি ভাবিব নালাগে। আমি নিজাকৈ এনে ধৰণৰ সামগ্ৰী প্ৰস্তুত কৰিবলৈ সাজু হ'ব লাগে। নিজৰ সামগ্ৰীৰে আৰু নিজৰ কৌশলেৰে প্ৰস্তুত কৰা অস্ত্ৰৰ জৰিয়তে নিজৰ দেশক সুৰক্ষিত কৰিব পৰা কাৰ্য দেশমাতৃৰ সেৱাৰ অন্য এটা পদ্ধতি। আনহাতে ৰাজস্থানৰ লংগেৱালাত উপস্থিত হৈ ১৯৭১ ত এই অঞ্চলত সংঘটিত হোৱা চীনা আক্ৰমণৰ বিষয়ে বিৱৰী কয়। এনেকৈয়ে দেৱালীৰ দিনটোত দেশৰ প্ৰধানমন্ত্ৰীয়ে সেনা আৰু নিৰাপত্তাৰক্ষীৰ বাহিনীৰ সৈতে সময় পাৰ কৰি তেওঁলোকক উৎসাহিত কৰা পৰিলক্ষিত হয়।

## উপ-মুখ্যমন্ত্ৰী দুজন ? হঠাৎ

বিজেপিতকৈ ৩১ খন আসন কমকৈ লাভ কৰাৰ পিছত নীতিশ কুমাৰৰ স্থান এতিয়া ৰাজনৈতিকভাৱে অৱনমিত হৈছে। প্ৰাপ্ত তথ্য মতে বিহাৰত বিজেপিয়ে এইবাৰ দুজনকৈ উপ-মুখ্যমন্ত্ৰী নিযুক্ত কৰিব। ইয়াৰে এজন হৈছে বৰ্তমানৰ উপ-মুখ্যমন্ত্ৰী সুশিল কুমাৰ মোডী। কিন্তু দ্বিতীয়জন উপ-মুখ্যমন্ত্ৰী হিচাপে হঠাৎ চৰ্চালৈ আহিল বিহাৰ বিধান পৰিষদৰ সদস্য কামেশ্বৰ চৌপাল। এইজন চৌপালক ভৱিষ্যতে বিহাৰৰ বিজেপিৰ মূল নেতা হিচাপে প্ৰক্ষেপ কৰিব খুজিছে। সংঘ পৰিবাৰৰ কাৰ্যকৰ্তা তথা কট্টৰপন্থী হিন্দুত্ববাদী কামেশ্বৰ হ'ল দলিত সম্প্ৰদায়ৰ প্ৰতিনিধি। অন্য এক পৰিচয় আছে কামেশ্বৰ চৌপালৰ। ১৯৮৯ ত উত্তৰ প্ৰদেশৰ অযোধ্যাত প্ৰথমবাৰলৈ ৰাম মন্দিৰৰ শিলান্যাস কৰিছিল এইজন কামেশ্বৰ চৌপালে। তেতিয়াৰ পৰাই সংঘ পৰিবাৰ আৰু বিজেপিৰ বুকুৰ কুটুম হৈ পৰিছে দলিত সম্প্ৰদায়ৰ নেতাজন। পৰৱৰ্তী সময়ত বিভিন্ন ৰাজনৈতিক ক্ষেত্ৰত দায়িত্ব লাভ কৰা কামেশ্বৰে নীতিশ কুমাৰৰ দৰে দলিত আৰু মহাদলিতৰ সমৰ্থন আদায়ৰ ক্ষেত্ৰত বিজেপিক পৰৱৰ্তী সময়ত সহায় কৰাৰ সপোন দেখিছে গেৰুৱা দলটোৰ শীৰ্ষ নেতৃত্বই।

## পৰাজয়ৰ আশংকা নেকি

সাক্ষাৎ লাভ নকৰে মন্ত্ৰী বা বিধায়কৰ। কাৰণ, মন্ত্ৰীসকলে এতিয়া কোনো দৰ্শনাৰ্থীকে সাক্ষাৎ নকৰাৰ কৌশল গ্ৰহণ কৰিছে। অসম সচিবালয় বা মন্ত্ৰী-বিধায়কৰ আৱাসত প্ৰৱেশৰ বাবে অনুমতি পত্ৰ যোৱা সাতমাহ ধৰি বন্ধ ৰখা হৈছে। প্ৰয়োজনীয় কামৰ বাবে অহাসকলেও এতিয়া দিছপুৰৰ সচিবালয়ত প্ৰৱেশ কৰিব নোৱাৰে। নিজৰ নিজৰ সমষ্টিৰ মন্ত্ৰী বা বিধায়ক, নিজৰ বিভাগৰ মন্ত্ৰী আদিকো সাক্ষাৎ কৰিব নোৱৰা অৱস্থাৰ সন্মুখীন হৈছে। উল্লেখ্য যে মন্ত্ৰী-বিধায়কসকলে এতিয়া আতংকিত হৈ পৰিছে আগন্তুক নিৰ্বাচনক লৈ। বাহিৰত যিমানেই বুকু ফিন্দাই নাথাকিলেও ক'ৰনা ভাইৰাছৰ ফলত বলবৎ কৰা লকডাউনে সকলো ৰাইজকে জুৰুলা কৰিছে। সমষ্টিবাসীৰ ৰোষত পৰিছে বহুকেইজন মন্ত্ৰী-বিধায়ক। শেহতীয়াকৈ অৰুণোদয় আঁচনিৰ জৰিয়তে কটা ঘাঁত মলম সানিবলৈ প্ৰচেষ্টা চলাইছিল যদিও কটা ঘাঁত চেঙাতেল দিয়াৰ দৰেহে পৰিস্থিতিৰ সৃষ্টি হৈছে। যাৰ বাবে আগন্তুক নিৰ্বাচনত ৰাইজৰ সমৰ্থন হ্ৰাস পোৱাৰ আতংকত ভুগিছে। সেয়েহে ৰাজ্যখনৰ অন্যান্য অঞ্চলৰ কোনো দৰ্শনাৰ্থীকে মন্ত্ৰীসকলে সময় দিব নোখোজা হৈছে। নিজৰ নিজৰ সমষ্টিৰ পৰা অহা বচা বচা দৰ্শনাৰ্থীক অৱশ্যে নিজৰ বাহনেৰে চৰকাৰী আৱাস বা কাৰ্যালয় বা নিৰ্দিষ্ট স্থানলৈ লৈ গৈ আলোচনা, মিলিত হোৱা পৰিলক্ষিত হৈছে। ইয়াৰ বাহিৰে সাধাৰণ ৰাইজৰ বাবে এতিয়া দিছপুৰৰ মন্ত্ৰী-বিধায়কসকল বেলেগ গ্ৰহৰ প্ৰাণীৰ দৰে অতি দুষ্প্ৰাপ্য আৰু ৰহস্যময় হৈ পৰিছে।

## জোৱান হৰধন চন্দ্ৰ ৰায়ৰ

সেনাবাহিনীৰ 59 নং আৰ্টিলেৰী ফৰৱাৰ্ড ৰেজিমেণ্টৰ জোৱান হৰধন চন্দ্ৰ ৰায়ৰ মৃত্যুত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গভীৰ শোক প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে এই ঘটনাত নিহত হোৱা আন জোৱানসকলৰ প্ৰতিও গভীৰ শোক প্ৰকাশ কৰিছে। আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰীয়ে কয় যে শ্বহীদ হৰধন চন্দ্ৰ ৰায়ে দেশৰ বৃহত্তৰ স্বাৰ্থত আত্মবলিদান দিলে। দেশৰ একতা, অখণ্ডতা আৰু সাৰ্বভৌমত্ব অক্ষুণ্ণ ৰখাৰ বাবে নিৰ্ভীকতাৰে শ্বহীদগৰাকীয়ে যুঁজ দি দেশপ্ৰেমৰ উজ্জ্বল নিদৰ্শন দেখুৱাই থৈ গ'ল। শ্বহীদ গৰাকীয়ে দেশ মাতৃৰ সুৰক্ষাৰ বাবে যি আদৰ্শ প্ৰদৰ্শন কৰি গ'ল সেয়া দেশৰ প্ৰতিগৰাকী নাগৰিকক দেশৰ বাবে সৰ্বোচ্চ ত্যাগ কৰাৰ মানসিকতাৰে উদ্বুদ্ধ হোৱাৰ বাবে অনুপ্ৰাণিত কৰিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বীৰ শ্বহীদ গৰাকীৰ সাহস, ত্যাগ আৰু ৰাষ্ট্ৰৰ প্ৰতি দায়বদ্ধতাৰে সেৱা আগবঢ়োৱাৰ বাবে সমগ্ৰ ৰাজ্যবাসী আজি গৌৰৱান্বিত। বীৰ শ্বহীদ গৰাকীৰ কৰ্তব্য নিষ্ঠা, ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা সেৱা আৰু ত্যাগে সমগ্ৰ ৰাষ্ট্ৰৰ যুৱ প্ৰজন্মক অনুপ্ৰাণিত কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে পাকিস্তানী সেনাবাহিনীয়ে চলোৱা আকস্মিক তথা অপ্ৰৰোচিত আক্ৰমণত নিহত হোৱা অসমৰ ধুবুৰী জিলাৰ ফুটুকীবাৰী মেধিপাৰাৰ জোৱান হৰধন চন্দ্ৰ ৰায়ৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতীয় সেনাবাহিনীৰ 59 নং আৰ্টিলেৰী ফৰৱাৰ্ড ৰেজিমেণ্টৰ জোৱান হৰধন চন্দ্ৰ ৰায়ৰ শেষকৃত্য ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক নিৰ্দেশ দিয়ে।



# শিশু দিৱস পালন

যোগ্যতাসম্পন্ন নাগৰিক হিচাপে নিজকে গঢ় দিয়াৰ বাবে শিশুসকলে সংকল্প ল'ব লাগিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে শিশুসকলে ল'ৰালিকালৰ পৰাই স্বাস্থ্যৰ যত্ন লোৱাৰ লগতে খেল-ধেমালিৰ জৰিয়তে শাৰীৰিক আৰু মানসিক সুস্থতা গঢ়ি তোলাৰ বাবেও লক্ষ্য স্থিৰ কৰি ল'ব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শিশুসকলৰ উন্নয়নৰ বাবে সমাজ কল্যাণ, স্বাস্থ্য খণ্ডৰ দৰে বিভিন্ন বিভাগত বহু আঁচনি হাতত লৈছে। তেওঁ কয় যে শিশু দিৱস উদ্‌যাপনে জীৱনত সঠিক বাটত আগবাঢ়ি যোৱাৰ বাবে শক্তি প্ৰদান কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱহাৰলাল নেহৰুৰ জন্ম দিৱসত শিশু দিৱস উদ্‌যাপনৰ বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ল'ৰালিকালৰে পৰা সঠিক যত্ন ল'লেহে ভাল মানুহ গঢ়াতো সম্ভৱ। মহাত্মা গান্ধীয়ে অহিংসাৰ বাণীৰে মানৱতাৰ বীজ অংকুৰিত কৰি থৈ গৈছে। শিশুসকলক মহান মনীষী, বীৰ পুৰুষসকলৰ আদৰ্শৰে আগবঢ়াই লৈ যোৱাৰ বাবেও শিশুৰ যত্নত নিয়োজিত হৈ থকা সকলোকে মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে এছ অ' এছ শিশু গাঁৱে শিশুৰ উৎকৰ্ষ সাধনৰ বাবে কাম কৰি আহিছে। আগন্তুক দিনত শিশুসকলে যাতে শৃংখলাবদ্ধ অধ্যয়ন, অনুশাসন মানি চলি জীৱনক সুন্দৰ কৰি তুলিব পাৰে আৰু এই চৌহদে আদৰ্শবান ব্যক্তি গঢ় দিব পাৰে তাৰ বাবে দৃঢ়তাৰে সকলোৱে প্ৰয়াস চলাব লাগিব বুলিও তেওঁ কয়। অনুষ্ঠানত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাইও ভাষণ প্ৰদান কৰে। আজিৰ এই অনুষ্ঠানত দুলীয়াজান- নুমলীগড় পাইপ লাইনৰ অধ্যক্ষ ৰূপম গোস্বামী, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, উপায়ুক্ত বিশ্বজিৎ পেগু, এছ অ' এছ শিশু গাঁৱৰ সঞ্চালক সুবোধ দাস প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# দেৱালীৰ শুভেচ্ছা ঃ মোদী আৰু বৰিছ জনছনৰ





**নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ** দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেৱালীৰ প্ৰাকক্ষণত দেশবাসীলৈ আন্তৰিক শুভকামনা আৰু অভিনন্দন জ্ঞাপন কৰিছে। টুইটাৰৰ জৰিয়তে নিজৰ বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয় যে পোহৰৰ উৎসৱ দেৱালীৰ জৰিয়তে দেশবাসীৰ সকলো অমংগল আৰু অশান্তি দূৰ হ'ব লাগে। মোদীয়ে লগতে দেশৰ নিৰাপত্তাৰ হকে কাৰ্যনিৰ্বাহ কৰি থকা সেনাবাহিনীৰ জোৱানসকলকো বিশেষভাৱে দেৱালীৰ ওলগ জনাইছে। উল্লেখ্য যে দেৱালী উপলক্ষে প্ৰধানমন্ত্ৰীয়ে প্ৰতি বছৰে সেনাবাহিনীৰ সৈতে উদযাপন কৰে। প্ৰধানমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পিছৰে পৰা তেওঁ দেৱালীৰ সময়ত কেতিয়াবা উত্তৰাখণ্ড, অন্য কেতিয়াবা হিমাচল প্ৰদেশ, পাঞ্জাৱ, জম্মু-কাশ্মীৰ, লাডাখ আদি অঞ্চলত উপস্থিত হয়গৈ। এইবাৰ জয়ছালমাৰ অঞ্চলত সেনাবাহিনীৰ সৈতে দেৱালী উদযাপন কৰিছে। আনহাতে ভাৰতত উদযাপন কৰা দেৱালী আৰু ধনটেৰাছৰ বাবে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন আৰু তেওঁৰ পুত্ৰ প্ৰিন্স চাৰ্লছে হিয়াভৰা ওলগ জনাইছে। নিজৰ বাৰ্তাত জনছনে কয় যে ভগৱান ৰামে অসুৰৰ ৰজা ৰাৱণক বধ কৰি সীতাক উদ্ধাৰ কৰিছিল। তেতিয়াই আন্ধাৰৰ বিৰুদ্ধে সত্য আৰু পোহৰৰ বিজয় সূচনা কৰা কাৰ্যৰ বাবে দেৱালী উদযাপন কৰা হৈছিল। এইবাৰ কোভিড প্ৰট'কল অনুসৰি দেৱালী উদযাপন কৰা হৈছে যদিও এই দেৱালীয়ে যাতে ক'ৰ'ণা ভাইৰাছ নাশিব পাৰে তাৰ প্ৰতি তেওঁ প্ৰাৰ্থনা জনোৱা বুলি অৱগত কৰিছে।



*মুম্বাইৰ আন্ধেৰী অঞ্চলত মাটিৰ চাকিৰে উদ্‌যাপন কৰা হৈছে পোহৰৰ উৎসৱ দেৱালী*

## সংক্ষিপ্ত সংবাদ

### শিল্পা-পুত্ৰৰ দেৱালী

**মুম্বাই, ১৪ নৱেম্বৰ ঃ** জনপ্ৰিয় অভিনেত্ৰী শিল্পা চেট্টী আৰু তেওঁৰ কণমানি পুত্ৰ বিয়ানৰ দেৱালী-ৰংগুলী আয়োজনে সকলোৰে দৃষ্টি কাঢ়িছে। নিজৰ ঘৰতে ৰংগুলী তৈয়াৰ কৰাৰ পিছত সামাজিক মাধ্যমত



ভাইৰেল কৰিছে ভিডিঅ'। লগতে শিল্পাই কয় যে মা লক্ষ্মী দেৱীৰ আগমন যাতে আমাৰ পৰিয়ালৰ কাৰণে সুখজনক হয় তাৰ বাবেই পৰম্পৰাগতভাৱে প্ৰতি বছৰে এনে প্ৰয়াস চলোৱা হয়। লগতে দেশবাসীৰ কল্যাণৰ বাবেও শুভেচ্ছা জ্ঞাপন কৰিছে।

### ডাক বাকচত কেংগেৰু

**উঙগুলবা, ১৪ নৱেম্বৰ ঃ** অষ্ট্ৰেলিয়াৰ উঙগুলবা অঞ্চলৰ এটা ডাক বাকচত উদ্ধাৰ হৈছে কেংগেৰু পোৱালি। কোনোবাই এই কেংগেৰু পোৱালিটো ডাক বাকচৰ ভিতৰত সুমুৱাই থৈ আঁতৰি গুচি যায়। পিছত বিভিন্ন শব্দৰ ভিত্তিত স্থানীয় ৰাইজে ডাক বাকচটো পৰ্যবেক্ষণ কৰি ভিতৰত কেংগেৰু পোৱালিটো সুমুৱাই থৈ যোৱাৰ তথ্য উদ্ধাৰ কৰে। লগে লগে কুইনলেণ্ড ফায়াৰ এণ্ড ইমাৰজেন্সি ছাৰ্ভিচলৈ খবৰ




দিয়া হয়। অষ্ট্ৰেলিয়া প্ৰশাসনে বিশেষ তৎপৰতাৰে সংশ্লিষ্ট স্থানত উপস্থিত হৈ কেংগেৰু পোৱলিটোক উদ্ধাৰ কৰে। কোনে আৰু কি উদ্দেশ্যৰে এই পোৱালিটো এনেদৰে সুমুৱাই থৈ গৈছিল সেই বিষয়ে তদন্ত অব্যাহত আছে।

### কেজৰিৱালৰ লক্ষ্মী পূজা

**নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ** দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল আৰু তেওঁৰ কেবিনেট সতীৰ্থই দেৱালী উপলক্ষে অক্ষৰধাম মন্দিৰত লক্ষ্মী দেৱীৰ পূজা-অৰ্চনা কৰে। দিল্লীৰ উন্নয়নৰ বাবে আৰু বাসিন্দাসকলৰ কল্যাণৰ কাৰণে মন্ত্ৰীসভাৰ সকলো সদস্যই এই পূজাত ভাগ লোৱা দেখা যায়। ইয়াৰ বিপৰীতে দিল্লীত যাতে কোনো কাৰণতে আতচবাজিৰ ব্যৱহাৰ কৰা নহয় আৰু বাসিন্দাসকলে কোভিড প্ৰট'কল অনুসৰি দেৱালী-কালীপূজা উদযাপন কৰে তাৰ বাবে ৰাজ্যবাসীলৈ আহ্বান জনাইছে মুখ্যমন্ত্ৰীজনে।

# নাছাৰ অভিনৱ পদক্ষেপ ঃ মঙল গ্ৰহৰ পৰা মাটি-পাথৰ সংগ্ৰহ কৰি আনিব পৃথিৱীলৈ

**নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ** নেচনেল এৰোনাটিকছ এণ্ড স্পেচ এডমিনিষ্ট্ৰেচন চমুকৈ নাছাই গ্ৰহণ কৰিছে এক অভিনৱ পদক্ষেপ। সেই অনুসৰি উপগ্ৰহৰ জৰিয়তে মঙল গ্ৰহৰ পৃষ্ঠভূমিত উপলব্ধ মাটি-পাথৰ আদি সামগ্ৰী কঢ়িয়াই আনিব পৃথিৱীলৈ। গৱেষণাৰ বাবে এনে সামগ্ৰী সংগ্ৰহ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা বুলি কোৱা হৈছে। চলিত বৰ্ষত এইটোৱে হ'ব নাছাৰ সবাতোকৈ উল্লেখনীয় সফল অভিযান। প্ৰাপ্ত তথ্য মতে এই কাৰ্যৰ বাবে নাছাই ইউৰোপিয়ান স্পেচ এজেন্সীৰ সৈতেও সহযোগিতা কৰিছে। মঙল গ্ৰহৰ পৰা এনেধৰণৰ সামগ্ৰী সংগ্ৰহ




কৰি উপযুক্ত পৰীক্ষাৰ জৰিয়তে পৃথিৱীৰ বাহিৰতো মহাকাশত থকা অন্য গ্ৰহৰ আভ্যন্তৰীণ ৰহস্য উদঘাটনৰ সহায়ক হ'ব। এই সম্পৰ্কত নাছাৰ এগৰাকী বিজ্ঞানী থমাছ জুৰবাসেনে কয় যে যদিও এই প্ৰক্ৰিয়া ব্যয়বহুল হ'ব তথাপি মানৱ জাতিৰ বাবে অতি সফল আৰু সহায়ক অভিযান হ'ব। কাৰণ মহাকাশৰ জৈৱিক অৱস্থাৰ বিষয়ে অধ্যয়ন আৰু পূৰ্বানুমান অব্যাহত আছে যদিও হাতে কামে কোনো গ্ৰহৰ পৰা সামগ্ৰী সংগ্ৰহৰ জৰিয়তে অধিক অধ্যয়ন আগুৱাই নিয়া নাই। গতিকে এই নতুন পদক্ষেপে নিশ্চিতভাৱে মহাকাশৰ জৈৱিক পৰিৱেশৰ লগতে মাটি, বায়ু, পানী, জীৱৰ উপস্থিতিৰ বিষয়ে অধ্যয়নত বিশেষ অৰিহণা যোগাব।

# ঘৰৰ চালত দুই মোনা ধন

## দেৱালীৰ পুৱাই উত্তৰ প্ৰদেশত লক্ষ্মী দেৱী !

**মিৰাট, ১৪ নৱেম্বৰ ঃ** বিশ্বাস কৰিব নোৱাৰা ঘটনা। কিন্তু সঁচা। পুৱাই শুই উঠি মিৰাটৰ এজন ব্যক্তিয়ে নিজৰ ঘৰৰ চালত উদ্ধাৰ কৰে দুটা মোনা। তললৈ নমাই আনি মোনা দুটা খুলি চাই দেখে যে টকাই টকা। দেৱালীৰ পুৱাই স্বয়ং লক্ষ্মী দেৱীয়ে ঘৰৰ চালত আহি থিতাপি লোৱা আৰু টকা ভৰ্তি দুটা মোনা উপহাৰ দিয়া কাৰ্যই ক্ষন্তেকতে চৰ্চা লাভ কৰে।



কিন্তু ব্যক্তিজনে এই ধন লুকুৱাই নথলে। লগে লগে স্থানীয় আৰক্ষীক খবৰ দিয়ে। উল্লেখ্য যে তেওঁৰ কাষৰীয়া এজন ব্যৱসায়ীৰ ঘৰৰ পৰা দুদিনৰ পূৰ্বে ধন চুৰি হৈছিল। ঘৰুৱা লগুৱা ৰাজু নেপালী নামৰ যুৱকজনে এই ধন চুৰ কৰা বুলি সন্দেহ হয়। আৰক্ষীয়ে অনুসন্ধান অব্যাহত কৰিছে যদিও ধনৰ টোপোলা উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ল। ইয়াৰ বিপৰীতে নিজৰ ঘৰৰ চালত দুটাকৈ ধনৰ মোনা উদ্ধাৰ হোৱাৰ পিছত মোনা দুটাত ৪০ লক্ষাধিক টকা থকাটো নিশ্চিত হয়। সেই ঘটনাই ব্যক্তিজনৰ সাধুতাক বিভিন্ন মহলে শলাগিছে।

## মেহবুবাৰ পৰামৰ্শ পাক-ভাৰতে আলোচনাত বহক

**শ্ৰীনগৰ, ১৪ নৱেম্বৰ ঃ** পাক-ভাৰতৰ শেহতীয়া সংঘৰ্ষ আৰু ফলশ্ৰুতিত দুয়োপক্ষৰ সেনা-সাধাৰণ জনতাৰ মৃত্যুৰ পিছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মেহবুবা মুফটিয়ে। ৰাজ্যখনৰ পিডিপি দলৰ মুৰব্বীগৰাকীয়ে আজি কয় যে পাহাৰীয়া অঞ্চলত হঠাতে হোৱা আক্ৰমণ আৰু সংঘৰ্ষৰ বাবে পৰি থকা মৃতদেহৰ ফটোবোৰ অতি হৃদয়বিদাৰক। কেৱল ভাৰতৰ বাবেই নহয়, পাকিস্তানৰ বাবেও এনে কাৰ্য আদৰণীয় নিশ্চয় নহয়। সেয়েহে দুইখন দেশৰ সীমান্তৰ সংঘাত আৰু আক্ৰমণ-প্ৰত্যাক্ৰমণ




নোহোৱা কৰিবলৈ শীঘ্ৰে দুই ৰাষ্ট্ৰই আলোচনাত মিলিত হওঁক। অন্যথা সাধাৰণ ৰাইজৰ লগতে নিৰাপত্তাৰক্ষীয়ে নিতৌ প্ৰাণ বিসৰ্জন দিব লগা ঘটনাৰ পুনৰাবৃত্তি হ'ব। কালি সংঘটিত ঘটনাৰ পিছত এই প্ৰতিক্ৰিয়া নিজৰ টুইটাৰৰ জৰিয়ত প্ৰকাশ কৰা হৈছে।



*হঠাৎ ধুমুহা আৰু প্ৰাকৃতিক দুৰ্যোগৰ বাবে সৃষ্টি হোৱা কৃত্ৰিম বানপানীৰ পৰা সুৰক্ষিত স্থানলৈ গতি কৰিছে দক্ষিণ কোৰিয়াৰ ৰিজাল প্ৰদেশৰ একাংশ বাসিন্দাই*

# বিহাৰৰ নিৰ্বাচনী ব্যৰ্থতাক লৈ কংগ্ৰেছত সংঘাত ঃ সঘনে স্থিতি সলনি তাৰিক আনোৱাৰৰ

**পাটনা, ১৪ নৱেম্বৰ ঃ** বিহাৰ বিধানসভাৰ নিৰ্বাচনৰ পিছত কংগ্ৰেছৰ চূড়ান্ত বিপৰ্যয়ৰ বাবে ক্ষমতালৈ আহিব নোৱাৰিলে দলটো। মহাজোঁট বন্ধনৰ জৰিয়তে চলোৱা প্ৰয়াসৰ প্ৰতি বিহাৰবাসীয়ে সঁহাৰি জনাইছিল। কিন্তু কংগ্ৰেছে সঠিকভাৱে কৌশল নিৰূপণত ব্যৰ্থ হ'ল। সেয়েহে বিহাৰৰ ব্যৰ্থতা কংগ্ৰেছ নেতৃত্বই স্বীকাৰ কৰিবই লাগিব আৰু সত্যতা স্বীকাৰ নকৰিলে ভৱিষ্যতেও অধিক পৰাজয়ৰ সন্মুখীন হ'ব লাগিব বুলি তাৰিক আনোৱাৰে সকিয়াই দিছে। কংগ্ৰেছৰ সৰ্বভাৰতীয় সমিতিৰ সাধাৰণ সম্পাদক তথা বিহাৰৰ নেতা তাৰিক আনোৱাৰে কয় যে ক্ষমতা দখলৰ চূড়ান্ত সীমাত উপনীত হোৱাৰ পিছতো উভতি আহিব লগা হ'ল। উল্লেখ্য যে দলটোৱে ৭০ আসনত প্ৰতিদ্বন্দ্বিতা কৰিছিল



যদিও ১৯খন আসনতহে বিজয়ী হ'বলৈ সক্ষম হয়। ইয়াৰ বিপৰীতে মহাজোঁট বন্ধনৰ অংশীদাৰ আৰ জে ডি দলে বিধানসভাৰ সৰ্বাধিক আসন ৭৫খন লাভ কৰিছে। এই জোঁটৰ অংশীদাৰ চিপি আই এম এল দলে ১৯ খনত প্ৰতিদ্বন্দ্বিকা কৰি ১২ খনত বিজয় সাব্যস্ত কৰিছে। একেদৰে পাঁচখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ পিছত চি পিএম আৰু চি পি আই দলে দুখনকৈ আসনত জয়ী হৈছে। এনেকৈয়ে ১১০টা সমষ্টিত বিজয়ী হ'লেও ২৪৩ সমষ্টিবিশিষ্ট বিহাৰ বিধানসভাত চৰকাৰ গঠন কৰিবলৈ ১২২ জন বিধায়কৰ আৱশ্যক হয়। এই কথাতে মহাজোঁট বন্ধনৰ অন্যান্য দলবোৰক ক্ষোভিত কৰিছে। ৭০ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰি ৫১ খনতে পৰাজয়বৰণ কৰা কথাটো সহজে গ্ৰহণীয় নহয় বুলি তাৰিক আনোৱাৰে ব্যক্ত কৰিছে। বিহাৰৰ এইজন নেতাৰ এনে বক্তব্যৰ পিছতে দলটোত সৃষ্টি হৈছে প্ৰতিক্ৰিয়াৰ। সেয়েহে তেওঁ কোনো নেতাক দোষাৰোপ নাই কৰা বুলি আৰু সমুহীয়াকৈ সকলোৱে নৈতিক দায়িত্ব ল'ব লাগিব বুলিহে মন্তব্য কৰা বুলি আঙুলিয়াই দিবলৈ বাধ্য হৈছে।

# ক'ভিড-১৯ ঃ মৃত্যু বাঢ়িছে উত্তৰ ভাৰতত

## শীতৰ আগমনত নতুনকৈ সংক্ৰমণে মাতিছে সংকট

**নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ** শীতৰ আগমণৰ লগে লগে ভাৰতৰ উত্তৰাঞ্চলত হঠাতে কোভিডৰ সংক্ৰমণ বৃদ্ধি পাইছে। ইয়াৰ লগতে বাঢ়িছে মৃত্যুৰ সংখ্যা। যোৱা দহ দিনত হঠাতে সলনি হোৱা পৰিৱেশে



দেশবাসীলৈ নতুন সংকট নমাই অনাৰ ইংগিত দিছে। উল্লেখ্য যে যোৱা দহ দিনত দিল্লীত মৃত্যু হৈছে ৭২৮ জনৰ। দেশৰ ভিতৰত হঠাতে বৃদ্ধি হোৱা মৃতকৰ সংখ্যাৰ ভিত্তিত দিল্লী হৈছেগৈ দ্বিতীয়খন ৰাজ্য। সৰ্বাধিক মৃত্যু হৈছে মহাৰাষ্ট্ৰত। বিগত দহ দিনত মহাৰাষ্ট্ৰৰ বিভিন্ন জিলাত মুঠ ১,৫৫৪জন লোকৰ কৰুণ মৃত্যু হৈছে। কোভিড ১৯ৰ দ্বাৰা আক্ৰান্ত হোৱাৰ পিছত চিকিৎসালয়তে এই লোকসকলৰ মৃত্যু হোৱা বিষয়টোৱে অন্যান্য সকলো পক্ষৰ মাজত আতংকৰ কাৰণ হৈ পৰিছে। মহাৰাষ্ট্ৰৰ পিছতে হাৰিয়ানা আৰু হিমাচল প্ৰদেশতো মৃতকৰ সংখ্যা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। চৰকাৰী তথ্য মতে পাঞ্জাৱ, উত্তৰাখণ্ড আদি ৰাজ্যতো পূৰ্বতকৈ মৃত্যুৰ সংখ্যা বৃদ্ধি পাইছে। যোৱা দহ দিনত অৰ্থাৎ ২ নৱেম্বৰৰ পৰা ১২ নৱেম্বৰলৈকে পশ্চিমবংগত ৫৪৯জন, চট্টিশগড়ত ৩০৯জন ক'ৰ'ণাক্ৰান্তৰ মৃত্যু হৈছে। দিল্লীত পূৰ্বৰ দহ দিনৰ তুলনাত ৭৫ শতাংশ বাঢ়িছে মৃত্যুৰ সংখ্যা। পূৰ্বৰ দহ দিনত ৰাজধানী প্ৰদেশখনত ৪১৫ জনৰহে মৃত্যু হৈছিল। হাৰিয়ানাত পূৰ্বৰ দহদিনত মৃত্যুৰ সংখ্যা আছিল ১০৫ জন। কিন্তু নৱেম্বৰ ২-১২ তাৰিখত মৃত্যুৰ সংখ্যা ৬১ শতাংশ বৃদ্ধি হৈ ১৬৯জন হ'লগৈ। পাঞ্জাৱতো একেদৰে বৃদ্ধি হৈছে ১৩২ জনৰ পৰা ১৮৫ জনলৈ, হিমাচল প্ৰদেশত বৃদ্ধি হৈছে ৫০ জনৰ পৰা ৭৫ জনলৈ, উত্তৰাখণ্ডত বৃদ্ধি হৈছে ৫০ জনৰ পৰা ৬৪ জনলৈ। ইয়াৰ বিপৰীতে চট্টিশগড়, কৰ্ণাটক, অন্ধ্ৰপ্ৰদেশ আদিত মৃত্যুৰ সংখ্যা হ্ৰাস পাইছে। চট্টিশগড়ত পূৰ্বৰ দহ দিনত ৪৭০ জনৰ মৃত্যুৰ বিপৰীতে ৩০৯ জনলৈ হ্ৰাস পাইছে। কৰ্ণাটকত ৪০০ জনৰ পৰা ২৫৩ লৈ, তামিলনাডুত ৩২৫ৰ পৰা ২৫৭লৈ আৰু অন্ধ্ৰপ্ৰদেশত ১৭৫ৰ পৰা ১১৮লৈ কোভিড আক্ৰান্তৰ মৃত্যুৰ সংখ্যা হ্ৰাস পাইছে পূৰ্বৰ দহ দিনৰ তুলনাত শেষৰ দহ দিনত। এনেকৈয়ে শনিবাৰৰ দিনটোত ভাৰতত ক'ৰ'ণা ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হৈছে ৪৪,৬৮৪ জন আৰু মৃত্যু হৈছে ৫২০ জনৰ।


# পাক-দূতাবাসক তলব ভাৰতৰ

## জম্মু-কাশ্মীৰত অস্ত্ৰবিৰতি উলংঘাৰ বাবে ধিক্কাৰ

**নতুন দিল্লী, ১৪ নৱেম্বৰ ঃ** জম্মু-কাশ্মীৰৰ সীমান্তত পাকিস্তান চৰকাৰে সঘনে অস্ত্ৰবিৰতি উলংঘা কৰা কাৰ্যৰ বাবে ভাৰতে ধিক্কাৰ দিছে। লগতে তলব কৰা হৈছে ভাৰতত অৱস্থিত পাক দূতাবাসৰ বিষয়াক। উল্লেখ্য যে কালি পাকিস্তানে সীমান্তৰ সীপাৰৰ পৰা মৰ্টাৰৰ জৰিয়তে আক্ৰমণ কৰিছিল ভাৰতীয় সেনা বাহিনীৰ ওপৰত। প্ৰত্যুত্তৰত ভাৰতীয় সেনাই গুলীবৰ্ষণ কৰে। এই ঘটনাত পাকিস্তানৰ ১১ সেনাজোৱান নিহত আৰু অন্য ১৬জন জখম হয়। ভাৰতে নিজৰ চাৰিজন সেনা জোৱান শ্বহীদ হোৱা বুলি ঘোষণা কৰে আৰু অন্য তিনিজন আহত হৈছে। এই ঘটনাত ভাৰতৰ অন্য পাঁচজন সাধাৰণ লোকেও প্ৰাণ ত্যাগ কৰিবলৈ বাধ্য হয়। সেয়েহে এই ঘটনাৰ বাবে পাকিস্তানক জবাবদিহি কৰিছে ভাৰত চৰকাৰে। কালি সংঘটিত ঘটনাৰ পিছতে পাক কৰ্তৃপক্ষক ধিক্কাৰ দিয়া হয়। আজি তেওঁলোকৰ দূতাবাসৰ বিষয়াক তলব কৰা হয়। ভাৰতীয় বিষয়া-কূটনীতিবিদে পাকিস্তানৰ বিৰুদ্ধে উত্থাপন কৰে গুৰুতৰ অভিযোগ। কালি সীমান্তৰ উৰি আৰু গুৰেজ অঞ্চলত সঘনে সংঘটিত গুলীয়াগুলীৰ বিষয়ে পাক উচ্চায়ুক্ত জৰাড আলীক জবাবদিহি কৰা হৈছে। ভাৰতীয় প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াই ধিক্কাৰ দিছে পাকিস্তানৰ কূটনীতিবিদজনক। মুঠৰ ওপৰত কালি সংঘটিত আক্ৰমণৰ ঘটনাই দুয়োখন দেশৰ সম্পৰ্ক বিঘ্নিত কৰাৰ সম্ভাৱনা প্ৰকট কৰি তুলিছে। বিশেষকৈ পাকিস্তানৰ আইন উলংঘা আৰু চুক্তি ভংগ কৰা কাৰ্যৰ বিৰুদ্ধে ভাৰতে কঠোৰ স্থিতি প্ৰকাশ কৰিছে।




*চীনৰ কিৰাণডংগো প্ৰদেশৰ পাহাৰীয়া অঞ্চল ভাঙি নিৰ্মাণ কৰা হৈছে পথ আৰু নলা*



*মেক্সিকোৰ বেলুন উৎসৱ ঃ লিয়ন নগৰত অনুষ্ঠিত হোৱা ৰং-বিৰঙৰ সচিত্ৰ বেলুনৰ প্ৰদৰ্শনীৰ দৃশ্য*

# বিহাৰৰ দুই তৃতীয়াংশ নতুন বিধায়কৰ বিৰুদ্ধে আছে ভয়ংকৰ অপৰাধৰ গোচৰ

**পাটনা, ১৪ নৱেম্বৰ ঃ** নিৰ্বাচন প্ৰক্ৰিয়া নিকা হ'লেও বিহাৰ বিধানসভালৈ নিৰ্বাচিত নহ'ল নিকা প্ৰাৰ্থী। স্বতন্ত্ৰ পৰ্যবেক্ষক সংস্থা এছোচিয়েচন ফৰ ডেম'ক্ৰেটিক ৰিফৰ্মছৰ তথ্যত প্ৰকাশ পাইছে এই কথা। সংস্থাটোৰ প্ৰতিবেদনত কোৱা হৈছে যে দুই তৃতীয়াংশ নৱনিৰ্বাচিত বিধায়কৰ বিৰুদ্ধে আছে ভয়ংকৰ অপৰাধমূলক গোচৰ। হত্যা-অপহৰণ-ধৰ্ষণ, ধনদাবী, ভাবুকি আদি অনেক গোচৰত জৰিত হৈ আছে। সংস্থাটোৱে ২৪১ জন প্ৰাৰ্থীৰ তথ্য বিশ্লেষণ কৰিছে আৰু ইয়াৰে ১৬৩ জন অৰ্থাৎ ৬৮ শতাংশ প্ৰাৰ্থীৰ অতীত বিভিন্ন অপৰাধমূলক কাম-কাজেৰে পৰিপূৰ্ণ হৈ থকাটো পোহৰলৈ আহিছে। শপতনামাত ১২৩ জন প্ৰাৰ্থীয়ে নিজেই উল্লেখ কৰিছিল যে তেওঁলোকৰ বিৰুদ্ধে হত্যা, হত্যাৰ প্ৰচেষ্টা চলোৱা, অপহৰণ, ভাবুকি আদিৰ গোচৰ বিচাৰাধীন হৈ আছে। উল্লেখ্য যে ২০১৫ চনত বিহাৰ বিধানসভালৈ নিৰ্বাচিত ১৪২ জন অৰ্থাৎ ৫৮ শতাংশ প্ৰাৰ্থীৰ বিৰুদ্ধেহে আছিল এনেধৰণৰ অপৰাধমূলক গোচৰ। এইবাৰ দহ শতাংশ অধিক অপৰাধীয়ে বিধানসভালৈ প্ৰৱেশ কৰিবলৈ সক্ষম হোৱাটো প্ৰতিপন্ন হ'ল। নতুনকৈ নিৰ্বাচিত হোৱা ৯জন বিধায়কৰ বিৰুদ্ধে আছে নৰহত্যাৰ গোচৰ। ৩১ জনৰ বিৰুদ্ধে



আছে হত্যাৰ প্ৰচেষ্টা চলোৱাৰ গোচৰ। ইফালে আৰ জে ডি দলৰ বিধায়কসকলৰ বিৰুদ্ধেই সৰ্বাধিক অপৰাধমূলক গোচৰ আছে। দলটোৰ ৭৫জন বিধায়কৰ ভিতৰত ৫৪ জন বিধায়কৰ বিৰুদ্ধে এনে অপৰাধমূলক গোচৰ আছে। বিজেপিৰ ৭৪জন বিধায়কৰ মাজৰে ৪৭জন, জনতাদল সংযুক্তৰ ৪৩জন বিধায়কৰ মাজৰে ২০জন, কংগ্ৰেছৰ ১৯ জন বিধায়কৰ মাজৰে ১৬ জন, চিপিআই এম এলৰ ১২ বিধায়কৰ মাজৰে দহজন, এ আই এম আই এম দলৰ পাঁচজন বিধায়কৰ আটাইকেইজনৰ বিৰুদ্ধে আছে অপৰাধমূলক কাম কৰাৰ অতীত। সৰ্বাধিক গোচৰত আক্ৰান্ত হৈ আছে আৰ জে ডি দলৰ অনন্ত সিং, চিপিআই এম এল দলৰ মেহবুব আলম, আৰ জে ডি দলৰ ৰিটলাল ৰয়, চিপিআই এম এলৰ মনোজ মঞ্জিল, আৰ জে ডি দলৰ অজয় যাদৱ আৰু সতীশ কুমাৰ, জনতা দল সংযুক্তৰ অমৰেন্দ্ৰ কুমাৰ পাণ্ডে, চিপিআই এম এলৰ অমৰজিৎ কুশৱাহা,আৰ জে ডি দলৰ শশী ভূষণ আৰু অনিৰুদ্ধ কুমাৰ অন্যতম।



মহামাৰী ক'ৰনা পৰিস্থিতি কিছু ভাললৈ অহাৰ সমান্তৰালকৈ শীতৰ আগমনৰ লগে লগে নদ দ্বীপ মাজুলীলৈ আহিল দেশী-বিদেশী পৰ্যটকো, শনিবাৰৰ ছবি

## ৰহাত বিজেপি যুৱমৰ্চাৰ উদ্যোগত মাটিচাকি বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ১৪ নৱেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ ৰহা নগৰ মণ্ডল যুৱমৰ্চাৰ উদ্যোগত আজি ৰহা পুৰণা চাৰিআলিত মাটিচাকি বিতৰণ কৰে। পোহৰৰ উৎসৱ দীপাৱালী উপলক্ষে আয়োজন কৰা এই মাটিচাকি বিতৰণ অনুষ্ঠানত উপস্থিত থাকে নগাঁও জিলা যুৱমৰ্চাৰ সভাপতি সুন্দৰ শৰ্মা। ৰহা নগৰ মণ্ডল যুৱমৰ্চাৰ সভাপতি জিতুমনি দাসে আঁত ধৰা অনুষ্ঠানত ৰহা পৌৰসভাৰ প্ৰাক্তন সভাপতিদ্বয় মনজ্যোতি বৰা, ধ্ৰুৱ কুমাৰ দাস, ৰহা ভাৰতীয় জনতা পাৰ্টিৰ নগৰ মণ্ডলৰ সভানেত্ৰী দীপাঞ্জু ডেকা, জিলা সম্পাদক বিনোদ হাজৰিকা, গ্ৰাম্য মণ্ডলৰ সভাপতি চন্দ্ৰ দাস, বিজেপি জেষ্ঠ কৰ্মী ডিম্বেশ্বৰ কোঁৱৰ আদি উপস্থিত থাকে। উল্লেখ্যে যে স্থানীয় বিধায়ক ডিম্বেশ্বৰ দাসৰ সহযোগত ৰহা নগৰ মণ্ডল যুৱমৰ্চাৰ লগতে কমাৰগাঁও মণ্ডল যুৱমৰ্চায়ো এনেদৰে মাটিচাকি বিতৰণ কৰে।

### নদুৱাৰ ব্লকৰ নামত অহা আধাৰ পঞ্জীয়ন মেচিন

# ২ বিষয়া-কৰ্মচাৰীক নিলে নীতি বহিৰ্ভূতভাৱে বালিপাৰা ব্লকলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ১৪ নৱেম্বৰ ঃ** প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে অধ্যয়ন কৰি থকা অসমৰ চৰকাৰী-বেচৰকাৰী সকলো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ আধাৰ পঞ্জীয়নৰ বাবে যোৱা 3 নৱেম্বৰত অসম সৰ্বশিক্ষা মিছন সঞ্চালকে এক নীতি-নিৰ্দেশনা প্ৰস্তুত কৰে। নিৰ্দেশনা অনুসৰি অসমৰ প্ৰতিখন শিক্ষা খণ্ড কাৰ্যালয়ত দুটাকৈ আধাৰ পঞ্জীয়ন মেচিন যোগান ধৰি চাৰিজন বিষয়া-কৰ্মচাৰীক প্ৰশিক্ষণ প্ৰদান কৰা হয়। সেইমৰ্মে অবিভক্ত নদুৱাৰ ব্লকৰ বাবেও বিভাগীয় ভাৱে দুটা মেচিন প্ৰদান কৰি চাৰিজন বিষয়া-কৰ্মচাৰীক প্ৰশিক্ষণ দিয়া হৈছিল। কিন্তু কাম আৰম্ভ হোৱাৰ পূৰ্বেই নদুৱাৰ ব্লকৰ নামত অহা দুটা মেচিন আৰু

**নদুৱাৰত তীব্ৰ প্ৰতিবাদ**

প্ৰশিক্ষণ প্ৰাপ্ত চাৰিজন বিষয়া-কৰ্মচাৰীৰ ভিতৰত এটা মেচিনসহ দুজন বিষয়াক বালিপৰা ব্লকলৈ নীতি বহিৰ্ভূতভাৱে লৈ যোৱা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে নদুৱাৰ খণ্ড প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজে। ব্লক সমিতিৰ সভাপতি আৰু সম্পাদকে এক বিবৃতিত জনায় যে নদুৱাৰ খণ্ডৰ ছাত্ৰ-ছাত্ৰীৰ আধাৰ কাৰ্ড প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে তাত আমাৰ কবলগীয়া একো নাই। কিন্তু নদুৱাৰ খণ্ডৰ ছাত্ৰ-ছাত্ৰীৰ আধাৰ পঞ্জীয়ন সম্পূৰ্ণ হোৱাৰ পূৰ্বে কোনো কাৰণতে মেচিন বেলেগ ব্লকলৈ নিবলৈ দিয়া নহব। উল্লেখ্য যে সৰ্বশিক্ষাৰ মিছন সঞ্চালকৰ আগতীয়া অনুমোদন অবিহনে এটা ব্লকত কৰ্মৰত বিষয়া-কৰ্মচাৰীক আন এটা ব্লকত কামৰ দায়িত্ব দিব নোৱাৰিব বুলি 2018 চনৰ জুলাই মাহত তেতিয়াৰ সন্মানীয় মিছন সঞ্চালিকা অৰুণা ৰাজৰিয়াই এক নিৰ্দেশনা জাৰি কৰিছিল। উক্ত নিৰ্দেশনাক অংগুষ্ঠ দেখুৱাই একাংশ বিভাগীয় কৰ্তৃপক্ষই নীতি বহিৰ্ভূত ভাৱে এটা ব্লকৰ কৰ্মৰত বিষয়া-কৰ্মচাৰীক আন এটা ব্লকলৈ লৈ যোৱা কাৰ্যৰ বিৰুদ্ধে নদুৱাৰ খণ্ডৰ শিক্ষক সমাজে তীব্ৰ প্ৰতিবাদ কৰিছে। নদুৱাৰ ব্লক প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষক সমাজে এই ক্ষেত্ৰত নদুৱাৰ শিক্ষক সন্মিলনীৰ লগতে চতিয়া সমষ্টিৰ সন্মানীয় বিধায়ক মহোদয়ৰ হস্তক্ষেপ দাবী জনাইছে।

## অধ্যক্ষ দেৱান আবুল হোছেইনৰ অকাল মৃত্যুত অঞ্চল জুৰি শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৰেমাৰী, ১৪ নৱেম্বৰ ঃ** বৰপেটা জিলাৰ গৰেমাৰীস্থিত বানিয়াৰাপাৰা জনপ্ৰিয় মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱান আবুল হোছেইনৰ অকাল মৃত্যুত অঞ্চল জুৰি গভীৰ শোকৰ ছাঁ পৰিছে। বহুমূত্ৰ ৰোগত আক্ৰান্ত অধ্যক্ষ জন সম্প্ৰতি পাকস্থলীৰ পৰা তেজ সংক্ৰমিত হোৱাত গুৱাহাটী হায়াত হস্পিটালত চিকিৎসাধীন হৈ থকা অৱস্থাত 14 নৱেম্বৰত দিনৰ 11 বজাত শেষ নিশ্বাস ত্যাগ কৰে উক্ত বাতৰি প্ৰকাশ পোৱাৰ লগে লগে অঞ্চল বাসী আৰু অজস্ৰ গুণমুগ্ধই শোকত ভাগি পৰে। সন্ধিয়ালৈ আহি পোৱা মৃতদেহ প্ৰত্যক্ষ কৰিবলৈ শ শ মানুহে বাট চাই এক শোকাকুল পৰিৱেশৰ সৃষ্টি কৰে। কাইলৈ ৰাতিপুৱা পৱিত্ৰ জানাজাৰ নামাজ অনুষ্ঠিত হ'ব। এজন পুত্ৰ আৰু এজনী জীয়ৰী, পত্নীক ইহ সংসাৰত এৰি থৈ যায়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল প্ৰায় 54 বছৰ। জনপ্ৰিয় কলেজৰ অধ্যক্ষ দেৱান আবুল হুছেইনৰ মৃত্যুত বৰপেটা জিলা শিক্ষক কৰ্মচাৰী ঐক্যমঞ্চই গভীৰ শোক প্ৰকাশ কৰিছে। এক বিবৃতিত ঐক্যমঞ্চৰ বৰপেটা জিলা সমিতিৰ সভাপতি আৰু যুটীয়া সম্পাদক ক্ৰমে ছবেদ ভূঞা আৰু পুলেন্দ্ৰ দাসে জনায় যে, চৰকাৰী বঞ্চনাৰ বাবে আৰ্থিক দীনতাত ভূগি উন্নত চিকিৎসাৰ অভাৱত দেৱান আবুল হুছেইনে শেষ নিশ্বাস ত্যাগ কৰে। দেৱান আবুল হুছেইনৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনায় ঐক্যমঞ্চৰ নেতাদ্বয়ে।

# খাৰুপেটীয়া প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি - সাংবাদিক মঙ্গল সিং ঝানঝৰীৰ বিয়োগ

### খাৰুপেটীয়া প্ৰেছ ক্লাবৰ গভীৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ১৪ নৱেম্বৰ ঃ** খাৰুপেটীয়া প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি জেষ্ঠ সাংবাদিক, সাহিত্য সভাৰ আজীৱন সদস্য মঙ্গল সিং ঝানঝৰি শনিবাৰে নিজা বাসভৱনত শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখযোগ্য যে খাৰুপেটীয়া প্ৰেছ ক্লাবৰ এইজন প্ৰাক্তন সভাপতি ও সাংবাদিক মঙ্গল সিং ঝানঝৰী 2010 চনত আক্ৰান্ত হয় দূৰাৰোগ্য কৰ্কট ৰোগত। 10 বছৰ ধৰি এই ৰোগত আক্ৰান্ত হোৱাৰ পিছত বিগত তিনি বছৰ ধৰি শয্যাগত হৈ নাকত লগোৱা পাইপেৰে কেৱল ফল-মূলৰ ৰস পান কৰিয়েই জীৱন ধাৰণ কৰিছিল সাংবাদিক গৰাকীয়ে। মাৰোৱাৰী সম্প্ৰদায়ৰ 56 বছৰীয়া অবিবাহিত এই গৰাকী সাংবাদিকে 1982 চনত ছাত্ৰ অৱস্থাৰ পৰাই অবিৰতভাৱে খাৰুপেটীয়াৰ স্থানীয় সংবাদাতা হিচাপে জাগৃতি (হিন্দী) পযেকীয়া, অগ্ৰদূত, সাপ্তাহিক মঙ্গল বাতৰি, নতুন প্ৰবাহ, দৈনিক জনসাধাৰণ, আদি কাকতসমূহত সংবাদ সেৱা কৰি অহা এইজন সাংবাদিক দৈনিক পূৰ্বাচল প্ৰহৰী (হিন্দী) পত্ৰিকাত নিয়োজিত হৈ আছিল। জেষ্ঠ্য সাংবাদিক গৰাকীৰ মৃত্যুৰ খবৰে মৰ্মাহত কৰি তোলে খাৰুপেটীয়া, দলগাঁও আৰু বেছিমাৰী প্ৰেছ ক্লাবৰ সাংবাদিক মহলক। খাৰুপেটীয়া প্ৰেছ ক্লাবৰ সভাপতি শ্ৰৱন কুমাৰ ঝা, সম্পাদক আব্দুল হাকিম, জেষ্ঠ সাংবাদিক মেছেৰ আলী, সদস্য ইমদাদুল ইছলাম, ফকৰুল ইছলাম সহ খাৰুপেটীয়া প্ৰেছ ক্লাবৰ সদস্যসকল খাৰুপেটীয়া শ্মশান ঘাটত উপস্থিত হৈ গভীৰ শোক প্ৰকাশ কৰি শেষ শ্ৰদ্ধা জ্ঞাপন কৰে জেষ্ঠ সাংবাদিক ঝানঝৰীক।



মুখ্যমন্ত্ৰী গ্ৰাম্য পৰিবহণ আঁচনিৰ অধীনত বিতৰণ কৰা গাড়ীৰ যাত্ৰাৰ শুভাৰম্ভ কৰিছে কৃষি মন্ত্ৰী অতুল বৰাই

# সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুত বিভিন্ন অঞ্চলত প্ৰতিবাদ, অৱস্থান ধৰ্মঘট, উচিত তদন্তৰ দাবী

### তিতাবৰত প্ৰতিবাদী অৱস্থান ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ১৪ নৱেম্বৰ ঃ** শদিয়াৰ কাকপথাৰৰ নিৰ্ভীক আৰু স্পষ্টবাদী সাংবাদিক দিগন্ত ভূঞাৰ মৃত্যু দুৰ্ঘটনা নহয় ই এক পৰিকল্পিত হত্যাকাণ্ড। তিতাবৰ প্ৰেছ ক্লাবৰ বাকৰিত আজি গ্ৰাম্য সাংবাদিক সন্থা তিতাবৰ মহকুমা সমিতিৰ উদ্যোগত দিগন্ত ভূঞাৰ মৃত্যু দুৰ্ঘটনা নহয়, বৰং ই এটা শাসক গোষ্ঠীৰ পৰিকল্পিত হত্যাকাণ্ড। প্ৰতিদিন টাইম আৰু অসমীয়া খবৰ কাকতৰ নিষ্ঠাবান কৰ্মী সৎ সাহসী যুৱ প্ৰজন্মৰ বাবে আদৰ্শ মতবাদী সাংবাদিক পৰাগ ভূএঞাৰ ৰাজনৈতিক স্বাৰ্থ জড়িত হত্যা কাণ্ডত আজি তিতাবৰত সাংবাদিক, বিভিন্ন দল-সংগঠনৰ নেতাসকলৰ লগতে তিতাবৰৰ সচেতন নাগৰিকসকলে ঐক্যবদ্ধভাৱে চৰকাৰৰ ওচৰত প্ৰতিলক্ষ্য ৰাখি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক তিতাবৰৰ পৰা দাবী জনাইছে যে গৃহমন্ত্ৰীৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে সাংবাদিক পৰাগ ভূএঞাৰ মৃত্যু দুৰ্ঘটনাৰ চি বি আই তদন্ত কৰি দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰক। আজিৰ প্ৰতিবাদী অৱস্থান ধৰ্মঘট কাৰ্যসূচীত আছু, যুৱ ছাত্ৰ পৰিষদ, আটাছু, টাই আহোম, অসম জাতীয় পৰিষদ, কংগ্ৰেছ, অগপ, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, ইয়ং ব্ৰিগেড, টি এ ৱাই পি এ, ভি এল এছ এ, কে এম এছ এছ, আছাম টকছ, পাব্লিক প্ৰেছ, ডিৱাই 365, নিউজ টাইম আছাম, প্ৰতিদিন টাইম, নিউজ নেষ্ট ইত্যাদি সংগঠন আৰু সাংবাদকৰ্মীৰ সহযোগত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰে। কাৰ্যসূচীত চাও দেবেন্দ্ৰচৰণ বৰবৰুৱা, বিমান শইকীয়া, প্ৰমোদ গগৈ, চিৰঞ্জিত গগৈ, হৰেণ গগৈ, ৰাহুল গগৈ, চাও দীপ্তা সেউজ, ৰাতুল হাজৰিকা, ৰাজীৱ শৰ্মা, অসীম শইকীয়া, কিশোৰ দত্ত, দিগন্ত শইকীয়া, দিগন্ত বৰা, ধৰণীধৰ শইকীয়া, দিলীপ ভৰালী মাধুৰ্য্য প্ৰতীম, প্ৰকাশ বৰদলৈ প্ৰমুখ্যে নেতৃবৃন্দই বক্তৃতা প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক সাংবাদিকৰ জীৱনৰ নিৰাপত্তা দাবী কৰাৰ লগতে সাংবাদিক পৰাগ ভূএঞাৰ মৃত্যু দুৰ্ঘটনাৰ চিবিআই তদন্ত দাবী কৰিছে আৰু দোষীক উপযুক্ত শাস্তি প্ৰদান কৰাৰ লগতে সাংবাদিক ভূএঞাৰ পৰিয়াল বৰ্গলৈ উপযুক্ত সাহায্য প্ৰদানৰ দাবী জনাইছে। গ্ৰাম্য সাংবাদিক সন্থাৰ সম্পাদক ইউচুফ আলিয়ে আঁতধৰা কাৰ্যসূচীত কৃতজ্ঞতা জ্ঞাপন কৰে সন্থাৰ সভাপতি প্ৰনৱ কলিতাই।

### নাজিৰাত যুৱ কংগ্ৰেছ - এন এছ ইউ আইৰ উত্তাল প্ৰতিবাদ

**নাজিৰা ঃ** জাতি মাটি ভেটি নিৰাপত্তাৰ জয়ঢোল কোবাই অহা বি জে পি নেতৃত্বাধীন চৰকাৰে আজি সৰ্বসাধাৰণ জনগণকো নিৰাপত্তা দিয়াৰ ক্ষেত্ৰত চৰম ভাৱে ব্যৰ্থ হৈছে। দ্বিতীয়তে গণতন্ত্ৰকো হত্যা কৰি এখন ফেচিবাদৰ চৰকাৰলৈহে পৰ্যবেক্ষিত হোৱা পৰিলক্ষিত হৈছে বৰ্তমানৰ এই বি জে পি নেতৃত্বাধীন চৰকাৰখন। তদুপৰি সকলোধৰণৰ ছিণ্ডিকেট বন্ধ কৰাৰ ঘোষণা সততে উচ্চাৰিত হৈ অহাৰ পিছতো মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই ছিণ্ডিকেট ব্যৱস্থা দুগুণলৈ নিয়াৰ কৌশলৰ বাবেই আজি অসমৰ চৌদিশে শাসকীয় দলৰ নেতা-পালিনেতাই সৰ্বদিশতে ছিণ্ডিকেট ৰাজ চলাই আহিছে। এই ছিণ্ডিকেট ৰাজ আৰু দুৰ্নীতিৰ ক্ষেত্ৰত আপোচ নকৰাকৈ অতি নিষ্ঠা আৰু নিৰ্ভীকতাৰে সংবাদ সেৱা আগবঢ়াই অহা পৰাগ ভূএঞাৰ দৰে সাংবাদিকে অকালতে ৰহস্যজনক ভাৱে মৃত্যুক আকোঁৱালি ল'ব লগা হ'ল। এইজন নিৰ্ভীক সাংবাদিকৰ ৰহস্যজনক মৃত্যুৰ চি আই ডিৰ তদন্ত আৰু ঘটনাৰ লগত জড়িতসকলক শীঘ্ৰে গ্ৰেপ্তাৰ কৰি আইনগতভাৱে দৃষ্টান্তমূলক শাস্তিৰ দাবী জনাই আজি নাজিৰাৰ ৰাজপথত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে সমষ্টি যুৱ কংগ্ৰেছ আৰু এন এছ ইউ আয়ে। এই কথা ব্যক্ত কৰি সমষ্টি যুৱ কংগ্ৰেছৰ সভাপতি আৰফান আজম, প্ৰাক্তন পৌৰপতি আব্দুল ৰহমান, পৰশমণি কলিতা অহিদুল খান আদিকেধৰি ভালেকেইজন বিষয়-ববীয়াই নাজিৰা এছ বি আইৰ সমীপত ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ পদত্যাগৰো দাবী জনায়। যুৱ কংগ্ৰেছ আৰু এন এছ ইউ আইৰ শতাধিক বিষয়ববীয়া, কৰ্মীয়ে অংশগ্ৰহণ কৰা এই প্ৰতিবাদী কাৰ্যসূচী মৰ্মে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিকৃতি দাহ কৰে। গণতন্ত্ৰ ৰক্ষা কৰক, নাগৰিক তথা সাংবাদিক পৰাগ ভূএঞাৰ ৰহস্যজনক মৃত্যুৰ চি আই ডিৰ জৰিয়তে ন্যায়িক তদন্ত কৰক, গণতন্ত্ৰ হত্যাকাৰী বি জে পি নেতৃত্বাধীন চৰকাৰ নিপাত যাওক আদি বিভিন্ন শ্ল'গানেৰে নাজিৰা যুৱ কংগ্ৰেছ আৰু এন এছ ইউ আইৰ কৰ্মীসকলে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

### নামতি, শিমলুগুৰি আৰু শিৱসাগৰত সাংবাদিক মহলৰ শ্ৰদ্ধাঞ্জলি

**গেলেকী ঃ** বিশ্ব, দেশ তথা ৰাজ্যতো নিতৌ বৃদ্ধি পাব ধৰিছে অপৰাধ আৰু অপৰাধীৰ সংখ্যা। অপৰাধ ৰোধ কৰাত ব্যৰ্থ দুৰ্নীতি নিবাৰণ শাখা, চৰকাৰ প্ৰশাসন। সম্প্ৰতি ৰাজ্যত সংবাদ-মাধ্যম আৰু সাংবাদিক নিগ্ৰহৰ ঘটনা সংঘটিত হ'ব ধৰিছে। আজিও ন্যায় নাপালে সত্যনিষ্ঠ সাংবাদিক পৰাগ দাসে। চৰকাৰ আৰু আৰক্ষী প্ৰশাসনৰ হেমাহিৰ বাবে সাংবাদিক পৰাগ দাসৰ হত্যাকাৰী আজিও মুকলি আকাশৰ তলত। সেই ক'লা অধ্যায় এতিয়াও ম্লান পৰা নাই। ৰহস্যজনকভাৱে দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা কাকপথাৰৰ সাংবাদিক পৰাগ ভূএঞালৈ নামতি, শিমলুগুৰি আৰু শিৱসাগৰ নগৰৰ সাংবাদিকসকলে একত্ৰিত হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। নামতি প্ৰেছ গীল্ডৰ উদ্যোগত সাংবাদিক পৰাগ ভূএঞা হত্যাকাণ্ডৰ উচিত তদন্ত আৰু সাংবাদিকসকলৰ জীৱনৰ নিৰাপত্তা দাবীত নামতি চাৰিআলিত মৌন সমদল, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। শিমলুগুৰিত সাংবাদিক পৰাগ ভূএঞাৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। শিৱসাগৰ নগৰৰ দ'লমুখ চাৰিআলিত ডাঃ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তিৰ সন্মুখত প্ৰয়াত সাংবাদিকগৰাকীৰ প্ৰতি বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধা নিবেদন কৰা আৰু তেওঁৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে উপস্থিত সাংবাদিকসকলে। এই ৰহস্যজনক দুৰ্ঘটনাৰ উচিত তদন্ত দাবীৰে মৃত্যুৰ কাৰণ নিশ্চিত কৰি হত্যাকাণ্ড বুলি প্ৰমাণিত হ'লে দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী জনায় সংবাদিকসকলে। আনহাতে সাংবাদিকৰ ওপৰত চলি অহা নিৰ্যাতন, অত্যাচাৰ বন্ধ কৰা আৰু এনে সংকটৰ সময়ত সকলো সাংবাদিকক একত্ৰিত হৈ এনে অশুভ শক্তিৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিবলৈ আহ্বান জনায় শিৱসাগৰ জিলা সাংবাদিক মহলে।

### ৰঙিয়া প্ৰেছ ক্লাৱৰ অৱস্থান ধৰ্মঘট, মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ

**তুলসীবাৰী ঃ** সাংবাদিক পৰাগ ভূএঞাৰ ৰহস্যজনক মৃত্যুৰ উচিত তদন্তৰ দাৱীত আজি ৰঙিয়া প্ৰেছ ক্লাবৰ সাংবাদিকসকলে ক'লা বেজ পৰিধান কৰি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সাংবাদিক পৰাগ ভূএঞাৰ হত্যাকাৰীক অতিশীঘ্ৰে চিনাক্ত কৰি দৃষ্টান্তমূলক শাস্তিৰ দাবীত ৰঙিয়া প্ৰেছ ক্লাবৰ সন্মুখত দুঘণ্টীয়া প্ৰতিবাদী কাৰ্যসূচীত আছু, এজেপি, অসম সংগ্ৰামী মঞ্চ আদি সংগঠনৰ নেতৃবৃন্দইও সহযোগ কৰে। সাংবাদিকৰ সুৰক্ষা নিশ্চিত হ'ব পৰাকৈ আইন প্ৰণয়ন কৰক, পৰাগ ভূএঞাৰ পৰিয়ালৰ ক্ষতিপূৰণ দিয়ক, সাংবাদিক হত্যা বন্ধ কৰক, পৰাগ ভূএঞাৰ হত্যাকাৰীক চিনাক্ত কৰি উচিত শাস্তি দিয়ক, পৰাগ ভূএঞাৰ হত্যাৰ উচিত বিচাৰ লাগে, পৰাগ ভূএঞাৰ হত্যাকাণ্ডৰ তদন্ত ক্ষিপ্ৰতৰ কৰক, সাংবাদিকৰ সুৰক্ষা সুনিশ্চিত কৰক, সাংবাদিকৰ ওপৰত অত্যাচাৰ বন্ধ কৰক, সাংবাদিকৰ সুৰক্ষা আইন প্ৰণয়ন কৰক আদি শ্ল'গানেৰে উত্তাল কৰি তোলে প্ৰতিবাদ স্থলী। কাৰ্যসূচীৰ অন্তত উত্থাপিত দাবী সম্বলিত এক স্মাৰকপত্ৰ ৰঙিয়াৰ মহকুমাধিপতিৰ জৰিয়তে ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়।

### যোগীঘোপা প্ৰেছ ক্লাবৰ এঘণ্টীয়া অৱস্থান ধৰ্মঘট

**যোগীঘোপা ঃ** ৰাজ্যৰ জ্যেষ্ঠ সাংবাদিক তথা দুৰ্নীতি, ভ্ৰষ্টাচাৰ আদিৰ বিৰুদ্ধে ধাৰাবাহিকভাৱে বাতৰি পৰিৱেশন কৰি কিছু লোকৰ চকুৰ কুঁটা দাঁতৰ শাল হৈ পৰা তিনিচুকীয়া জিলাৰ কাকপথাৰৰ জ্যেষ্ঠ নিৰ্ভীক সাংবাদিক পৰাগ ভূএঞাৰ এক ৰহস্যজনক মৃত্যুৰ ঘটনাই ৰাজ্য জুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইহজগতৰ পৰা অকালতে বিদায় লোৱা আপোচবিহীন সাংবাদিক পৰাগ ভূএঞাক পৰিকল্পিতভাৱে গাড়ীৰে খুন্দিয়াই হত্যাকৰাৰ সন্দেহ প্ৰকাশ কৰি আজি যোগীঘোপা প্ৰেছ ক্লাবৰ উদ্যোগত কবাইটাৰীত এঘণ্টীয়া অৱস্থান কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰেছ ক্লাবৰ সভাপতি ৰফিকুল ইছলাম আৰু সম্পাদক মনোৱাৰ হুছেইনৰ নেতৃত্বত জ্যেষ্ঠ আৰু কনিষ্ঠ সকলো সাংবাদিকৰ লগতে বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মীৰ সহযোগত মুখত ক'লা কাপোৰ বান্ধি হাতে হাতে প্লেকাৰ্ড লৈ সাংবাদিক পৰাগ ভূএঞাৰ হত্যাকাণ্ডৰ এক উচ্চস্তৰীয় তদন্তৰ দাবী জনোৱাৰ লগতে হত্যাকাণ্ডৰ লগত জড়িত দোষীক কঠোৰ শাস্তি বিহাৰ দাবী উত্থাপন কৰাৰ লগতে সাংবাদিকৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈও চৰকাৰক দাবী জনায়।

### কালুগাঁও প্ৰেছ ক্লাব আৰু শলগুৰি আছুৰ শ্ৰদ্ধাঞ্জলি

**কালুগাঁও ঃ** কাকপথাৰৰ 'প্ৰতিদিন টাইম'ৰ নিৰ্ভীক সাংবাদিক পৰাগ ভূএঞাক গাড়ীৰে খুন্দিয়াই পৰিকল্পিতভাৱে হত্যা কৰা ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে কালুগাঁও প্ৰেছ ক্লাব আৰু শলগুৰি আঞ্চলিক ছাত্ৰসন্থাই। আজি সন্ধিয়া কালুগাঁও প্ৰেছ ক্লাবৰ কাৰ্যালয়ৰ সন্মুখত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ উপ-সভাপতি তথা কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি পৰাগ ভূএঞাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট সমাজকৰ্মী দিলীপ আৱন্ধৰাই। ইয়াৰ পাছতেই অচিন্ত্য বৰঠাকুৰে আঁত ধৰা এক প্ৰতিবাদী সভাত, শিৱসাগৰ জিলা ছাত্ৰসন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে সাংবাদিক পৰাগ ভূএঞাৰ মৃত্যুৰ তদন্ত চি আই ডিক ক্ষীপ্ৰ গতিত সম্পন্ন কৰাৰ দাবী উত্থাপন কৰে। সভাত ৰাজ্যিক অধিবিদ্যা পৰিষদৰ সম্পাদক পবিত্ৰ প্ৰাণ ভট্টাচাৰ্য, কালুগাঁও প্ৰেছ ক্লাবৰ উপদেষ্টা সৌৰভ নেওগ, শিৱসাগৰ জিলা ছাত্ৰসন্থাৰ সহঃ সাধাৰণ সম্পাদক মণ্টু চাহু আৰু দীপাংকৰ শইকীয়া, শিৱসাগৰ মহকুমা ছাত্ৰ সন্থাৰ সভাপতি সুভাষ চন্দ্ৰ দাস, কালুগাঁও প্ৰেছ ক্লাবৰ সভাপতি ৰাজকুমাৰ শ্ৰীকনচেং আদিয়ে ভাষণ প্ৰদান কৰি পৰাগ ভূএঞাৰ হত্যাকাণ্ডৰ উচিত তদন্তৰ লগতে পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান আৰু সাংবাদিকসকলৰ জীৱনৰ সু-নিশ্চিত নিৰাপত্তাৰ বাবে চৰকাৰৰ ওচৰত দাবী জনায়। উক্ত অনুষ্ঠানত সমাজকৰ্মী বসন্ত দত্ত, শিৱসাগৰ জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক জয়জ্যোতি গগৈ, বিৰাজ কুমাৰ ভূএঞা, বিতোপন ভূএঞা, সত্যজিৎ নাথ, দিলীপ নাথ, সাগৰ বৰঠাকুৰ, সমীৰ বিশ্বাস, হৰেন চন্দ্ৰ নাথ, দেৱকান্ত কাকতি, পলাশ প্ৰতিম বৰদলৈকে আদি কৰি অঞ্চলটোৰ ভালেসংখ্যক ব্যক্তি উপস্থিত থাকে।

### বৰক্ষেত্ৰী এছএফআইৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**মুকালমুৱা ঃ** তিনিচুকীয়া কাকপথাৰৰ প্ৰতিদিন টাইমৰ সাংবাদিক পৰাগ ভূএঞালৈ আজি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে বৰক্ষেত্ৰী এছ এফ আইয়ে। নলবাৰী জিলাৰ মুকালমুৱাত আজি সন্ধিয়া ভাৰতৰ ছাত্ৰ ফেডাৰেচন চমুকৈ এছ এফ আই বৰক্ষেত্ৰী আঞ্চলিক সমিতিৰ উদ্যোগত মুকালমুৱা ৰাজহুৱা প্ৰেক্ষাগৃহত নিৰ্ভিক সাংবাদিক গৰাকীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এছ এফ আই বৰক্ষেত্ৰী আঞ্চলিক সমিতিয়ে সাংবাদিকগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত লিখি কেইবা গচি বন্তি প্ৰজ্বলনৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তদুপৰি ছাত্ৰ সংগঠনটোৱে কেৱল বন্তি প্ৰজ্বলনেৰে এইবেলি প্ৰদুষণমুক্ত দীপাৱলী উদ্‌যাপন কৰে। ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু প্ৰদুষণমুক্ত দীপাৱলী অনুষ্ঠানটোত বৰক্ষেত্ৰী এছ এফ আইৰ সাধাৰণ সম্পাদক গাজিউৰ ৰহমান চৌধুৰী, পশ্চিম নলবাৰী কৃষক সভাৰ নেতা ভূৱনেশ্বৰ বৰ্মন, সদৌ অসম সাংবাদিক সন্থাৰ উপ সভাপতি ৰাজেন ডেকা, স্থানীয় সাংবাদিক জয়ন্ত ডেকা, এছ এফ আই নেতা ৰেকিবুল হক, যুগনাথ বৰ্মন,আতিকুৰ ৰহমান, জেনি আহমেদ, নাজমিন বেগমসহ ভালেকোইজন ছাত্ৰ কৰ্মী উপস্থিত থাকি সাংবাদিক গৰাকীলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সাংবাদিক গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বৰক্ষেত্ৰী এছ এফ আইৰ সাধাৰণ সম্পাদক গাজিউৰ ৰহমান চৌধুৰী, পশ্চিম নলবাৰী কৃষক সভাৰ নেতা ভূৱনেশ্বৰ বৰ্মনে ৰহস্যজনক দুৰ্ঘটনাটোৰ চিআইডিৰ পৰিবৰ্তে চিবিআইৰ তদন্ত দাবী কৰে। ইপিনে সদৌ অসম সাংবাদিক সন্থাৰ উপ-সভাপতি ৰাজেন ডেকাই সাংবাদিক গৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সাংবাদিকসকলে শাসকীয় পক্ষক সমালোচনা কৰিলেই সাংবাদিকসকলৰ ওপৰত আক্ৰমণাত্মক ভূমিকা গ্ৰহণ কৰি আহিছে বুলি মন্তব্য কৰে।





*লখিমপুৰত সদৌ অসম আদিবাসী ছাত্ৰ সন্থাই বীৰছা মুণ্ডাৰ ১৪৫সংখ্যক জন্ম বাৰ্ষিকী উদ্‌যাপন কৰাৰ দৃশ্য*

জুৱাৰীক মুকলি কৰি দিয়াক কেন্দ্ৰ কৰি ব্যাপক প্ৰতিক্ৰিয়া

# নগাঁৱত বৃহৎ পৰিমাণৰ ধনসহ ১৩ জনকৈ জুৱাৰীক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৪ নৱেম্বৰ ঃ** পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে নগাঁও চহৰত জুৱাৰ ৰমৰমীয়া আড্ডা চলি আছে। চহৰখনৰ বিভিন্ন হোটেল, ব্যৱসায়িক প্ৰতিষ্ঠান, এপাৰ্টমেণ্ট আদিত আজি প্ৰায় তিনি দিন ধৰি জুৱাৰীসকলে আৰক্ষীৰ চকুত ধূলি দি বহাই আহিছে জুৱাৰ ৰমৰমীয়া আড্ডা। এই আড্ডাত দৈনিক লাখ লাখ টকাৰ খেল হয় বুলি জানিব পৰা গৈছে। বিশেষকৈ একাংশ প্ৰতিষ্ঠিত ব্যৱসায়ী, চৰকাৰী চাকৰিয়াল, ঠিকাদাৰ আদিয়ে এনে জুৱাৰ আড্ডাত মছগুল হৈ পৰিছে। উল্লেখ্য যে, দীপাৱলী উপলক্ষে প্ৰতি বছৰেই নগাঁও চহৰত জুৱাৰ আড্ডা অনুষ্ঠিত হৈ আহিছে। চহৰখনৰ উপৰি জিলাখনৰ কেতবোৰ বিশেষ অঞ্চল আৰু চাহ বাগিচা এলেকাত জুৱাৰ আড্ডা হৈ আহিছে। দেৱালী উপলক্ষে নগাঁৱত জুৱা চলাই থকাৰ সন্দৰ্ভত আৰক্ষীয়ে খবৰ লাভ কৰাৰ পৰিপ্ৰেক্ষিতত যোৱানিশা নগাঁও আৰক্ষীয়ে এক অভিযান চলাই চহৰখনৰ হয়বৰগাঁও লাওখোৱা পথ এলেকাৰ এক গোপন স্থানত চলি থকা জুৱাৰ আড্ডাৰ পৰা ১৩জনকৈ জুৱাৰীক হাতে-লোটে আটক কৰাৰ লগতে তেওঁলোকৰ পৰা বৃহৎ পৰিমাণৰ ধনো জব্দ কৰিবলৈ সক্ষম হয়। এনেদৰে ১৩জনকৈ জুৱাৰীক আৰক্ষীয়ে আটক কৰা ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে আটক কৰা জুৱাৰীকেইজন হ'ল- কৃষাণ মুণ্ডা, বলো বৰ্ধন, অনিল আগৰৱাল, বিনোদ জৈন, দিলীপ গুজৰাণী, নন্দলাল আগৰৱাল, ৰমেশ শৰ্মা, ৰবীন্দ্ৰৰ সিং, শ্ৰীৰাম চৌধুৰী, বিপ্ৰ মোদক, বংশীধৰ মহেশ্বৰী, ওম প্ৰকাশ আগৰৱাল, ৰতনলাল কোহাৰ । ধৃত জুৱাৰী কেইজনক আজি আৰক্ষীয়ে মুকলি কৰি দিয়া ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# ভগামুখত শিক্ষকৰ দ্বাৰা কিশোৰী ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ১৪ নৱেম্বৰ ঃ** যোৰহাট জিলাৰ ভগামুখ থানাৰ অন্তৰ্গত মৰিজাঁজী অঞ্চলৰ এখন উচ্চ মাধ্যমিক বিদ্যালয়ৰ এগৰাকী সহকাৰী শিক্ষকৰ বিৰুদ্ধে এগৰাকী ষষ্ঠ শ্ৰেণীৰ ছাত্ৰীক যৌন নিৰ্যাতন চলোৱাৰ এক গুৰুতৰ অভিযোগ উঠিছে। জানিব পৰামতে বিদ্যালয়খনৰ জনৈক ৰহমান উপাধিৰ সহকাৰী শিক্ষকগৰাকীয়ে বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰীগৰাকীক যোৱা ১১ নৱেম্বৰত বিদ্যালয়তে যৌন নিৰ্যাতন চলাই। শিক্ষক গৰাকীয়ে কিশোৰীগৰাকীৰ দেহৰ বিভিন্ন অংগত হাত দি যৌন উৎপীড়ন চলোৱাৰ লগতে এই কথা ঘৰত ক'বলৈও মানা কৰাৰ অভিযোগ উঠিছে। নিৰ্যাতিতা কিশোৰীগৰাকীয়ে ঘৰলৈ গৈ সমগ্ৰ ঘটনা মাতৃৰ আগত কান্দি-কাটি বিৱৰি কোৱাত কিশোৰীগৰাকীৰ পিতৃয়ে শিক্ষকগৰাকীৰ বিৰুদ্ধে ১২ নৱেম্বৰত ভগামুখ থানাত এজাহাৰ দাখিল কৰে। এজাহাৰত উল্লেখ কৰা অনুসৰি অভিযুক্ত শিক্ষকগৰাকীয়ে কিশোৰীগৰাকীক পূৰ্বেও এনেদৰে যৌন উৎপীড়ন চলাই আহিছে। আৰক্ষীয়ে এজাহাৰৰ ভিত্তিত ৩১/২০২০ নম্বৰৰ এটা গোচৰ পঞ্জীয়ন কৰিছে যদিও বাতৰি যুগুত কৰাৰ সময়লৈকে নিৰ্যাতিতা কিশোৰীগৰাকীৰ জবানবন্দী বিধিগতভাৱে লিপিবদ্ধ নকৰাৰ লগতে স্বাস্থ্য পৰীক্ষাও কৰা নাই বুলি প্ৰকাশ। আনহাতে, অভিযুক্ত শিক্ষকগৰাকীকো এই মুহূৰ্তলৈকে আৰক্ষীয়ে সোধা-পোছা কৰা নাই বুলি জানিব পৰা গৈছে। ইফালে সংশ্লিষ্ট বিদ্যালয়খনৰ পৰিছালনা সমিতিয়ে শিক্ষকগৰাকীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ ভিত্তিহীন বুলি দাবী কৰাই নহয়, অভিযুক্ত শিক্ষকগৰাকীক একপ্ৰকাৰৰ ক্লীনশ্বিট দিয়াৰ লগতে নিৰ্যাতিতা কিশোৰীগৰাকীৰ পৰিয়ালক ভৱিষ্যতে এনে অভিযোগ উত্থাপন নকৰিবলৈ সকীয়নি দি যোৱা ১৩ নৱেম্বৰত একপত্ৰ প্ৰেৰণ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে, পত্ৰখনত ভৱিষ্যতে এনে অভিযোগ উত্থাপন কৰিলে কিশোৰীগৰাকীৰ পৰিয়ালৰ বিৰুদ্ধে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও সকীয়াই দিয়া হৈছে। আনহাতে, ঘটনা সন্দৰ্ভত অভিযুক্ত শিক্ষকগৰাকীক সংবাদকৰ্মীসকলে যোগাযোগ কৰিছিল যদিও শিক্ষকগৰাকীয়ে মতামত দিবলৈ অস্বীকাৰ কৰা বুলি প্ৰকাশ।

# বৰক্ষেত্ৰীত ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া আধাৰ কাৰ্ডৰ ব্যৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুকালমুৱা, ১৪ নৱেম্বৰ ঃ** বৰক্ষেত্ৰী শিক্ষা খণ্ডৰ চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ৰ ৬-১৮ বছৰৰ তলৰ সকলো ছাত্ৰ-ছাত্ৰীৰে বিনামূলীয়া আধাৰ কাৰ্ড প্ৰস্তুত কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলে কেৱল নিজৰ জন্মৰ প্ৰমাণ-পত্ৰ আৰু এখন পাছপ'ৰ্ট আকাৰৰ ফটোৰ বাহিৰে অন্য কোনো ধৰণৰ তথ্য জমা নিদিয়াকৈয়ে আধাৰ কাৰ্ড লাভ কৰিব। অৱশ্যে ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে যোগান ধৰা নিৰ্দিষ্ট প্ৰ-পত্ৰত নিজ বিদ্যালয়ৰ প্ৰধান শিক্ষকগৰাকীৰ স্বাক্ষৰযুক্ত প্ৰ-পত্ৰহে গ্ৰহণ যোগ্য হ'ব।এই উদ্দেশ্যে ইতিমধ্যে শিক্ষা খণ্ডটোৰ চাৰিগৰাকী কৰ্মচাৰীক উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।প্ৰতিদিনে ১০০গৰাকী ছাত্ৰ-ছাত্ৰীৰ আধাৰ কাৰ্ড প্ৰস্তুতৰ লক্ষ্য আগত ৰাখি শিক্ষা খণ্ডটোৱে প্ৰথম অৱস্থাত দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ আধাৰৰ কাম আৰম্ভ কৰিব। তাৰ পাছত পৰ্যায়ক্ৰমে তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ আধাৰৰ কাম সমাপন কৰিব। কালি বৰক্ষেত্ৰী শিক্ষা খণ্ডৰ কাৰ্যালয়ত বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া কনকন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত ছাত্ৰ-ছাত্ৰীৰ আধাৰ পঞ্জীয়ন পৰ্যালোচনা সভাত এই বিষয়ে বিতংকৈ আলোচনা কৰি নৱেম্বৰ মাহৰ শেষৰ ফালে ছাত্ৰ-ছাত্ৰীৰ আধাৰ পঞ্জীয়নৰ কাম আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।



*বিশ্ব ডায়েবেটিছ দিৱসত নেমকেয়াৰ হাস্পতালত উপস্থিত অভিনেত্ৰী নিশিতা গোস্বামী, গুৱাহাটীত*

# মাজুলীত দীপাৱলী উপলক্ষে বিজেপি যুৱ মৰ্চাৰ প্ৰশংসনীয় পদক্ষেপ

দৈনন্দিন **দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৪ নৱেম্বৰ ঃ** পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষত ভাৰতীয় জনতা যুৱ মৰ্চা , মাজুলী জিলা সমিতিয়ে মৃৎ শিল্পীক সম্বৰ্ধনা জ্ঞাপন কৰা লগতে জিলাখনৰ কেইবাটাও স্থানত মাটিৰ চাকি বিতৰণ কৰে । সেইমৰ্মে অসমৰ সাতামপুৰুষীয়া মৃৎ শিল্পৰ বাবে বিখ্যাত উজনি শালমৰা চুপহা নামঘৰত জিলা যুৱ মৰ্চাৰ সভাপতি ঋতুপৰ্ণ শৰ্মাই স্থানীয় বুথৰ সমিতিৰ সভাপতি মানিক কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত পাঁচ গৰাকী মৃৎ শিল্পীক সম্বৰ্ধনা জনোৱা হয় । যুৱ মৰ্চাৰ সভাপতি শৰ্মাই পৰম্পৰাগত মৃৎ শিল্পৰ উত্তৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ শলাগ লোৱাৰ লগতে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক কৃতজ্ঞতা জ্ঞাপন কৰে । লগতে থলুৱা সামগ্ৰী ব্যৱহাৰ কৰি প্ৰদূষণ মুক্ত অসম গঢ়াৰ চৰকাৰৰ যি সংকল্প তাৰ বাবে সজাগতা সৃষ্টিৰো আহবান জনায় । অনুষ্ঠানত শালমৰাৰ মৃৎ শিল্পৰে জড়িত খাৰী ভূঞা , বুধবৰী বৰা , কদমী বৰা , মামণি কলিতা আৰু ৰমেশ হাজৰিকাক একোখনকৈ সম্বৰ্ধনা পত্ৰ আৰু অংগ বস্ত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে । অনুষ্ঠানত স্থানীয় ৰাইজৰ লগতে জিলা যুৱ মৰ্চাৰ বিষয়ববীয়া , চাৰিওটা মণ্ডলৰ কাৰ্যকৰ্তা সকল উপস্থিত থাকে । অনুষ্ঠানৰ আঁত ধৰে যুৱ মৰ্চাৰ সম্পাদকদ্বয় ক্ৰমে নৱজ্যোতি দেউৰী , প্ৰশান্ত কলিতাই । মাটিৰ চাকি বিতৰণ : সমূহীয়া দ্বীপ প্ৰজ্বলন :: যুৱ মৰ্চাই আজি জিলাখনৰ চাৰিওটা মণ্ডলৰ সহযোগত জিলাখনৰ বিভিন্ন স্থানত মাটিৰ চাকি বিতৰণ কৰে । ইয়াৰ জৰিয়তে পাৰিপাৰ্শ্বিকতাৰ ওপৰত সচেতনতা বৃদ্ধি আৰু থলুৱা মৃৎ শিল্পী সকলক উৎসাহিত কৰা পৰিলক্ষিত হয় ।এই কাৰ্যসূচীৰ অংশ হিচাপে আউনীআটী সত্ৰত হৈ থকা পালনামত স্থানীয় কাৰ্যকৰ্তাৰ সহযোগত সমূহীয়া ভাৱে দ্বীপ প্ৰজ্বলন কৰা হয় । বন্তি প্ৰজ্বলনত আউনীআটীয় সত্ৰাধিকাৰ ডঃপীতাম্বৰদেৱ গোস্বামীয়ে অংশগ্ৰহণ কৰে ।

## ধুবুৰীত ব্ৰাউন ছুগাৰ জব্দ ধুবুৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৪ নৱেম্বৰ ঃ** যোৱানিশা ধুবুৰীৰ পাৰ্শ্বৱৰ্তী ছাগলচৰা অঞ্চলত ব্ৰাউন ছুগাৰ নামৰ মাদকদ্ৰব্যসহ দুজন বাইক আৰোহী আৰক্ষীৰ জালত পৰা বুলি জানিব পৰা গৈছে। ঘটনা সন্দৰ্ভত জানিব পৰানুসৰি যোৱানিশা ধুবুৰী চহৰৰ পাৰ্শ্বৱৰ্তী ছাগলচৰা অঞ্চলত এ এছ-১৭ জি/৭১২৮ নম্বৰৰ এখন মটৰচাইকেলৰ দুজনকৈ আৰোহীৰ পৰা আৰক্ষীৰ তালাচীত "ব্ৰাউন ছুগাৰ" জব্দ কৰা হৈছে। ব্ৰাউন ছুগাৰসহ ধৃত দুই বাইক আৰোহী ধুবুৰী চহৰৰ পাৰ্শ্বৱৰ্তী কিছমত হাছদহ দ্বিতীয় খণ্ড গাঁও নুৰজামাল হক (৩৭) আৰু ধৰ্মশালাৰ চতুৰ্থ খণ্ডৰ বুলবুল হক (২৭) বুলি প্ৰকাশ। ইতিমধ্যে ঘটনা সন্দৰ্ভত ধুবুৰী সদৰ থানাত এনডিপিএছ আইনৰ ২২ (চি) ধাৰাৰ অধীনত ১৬৭৪/২০২০ নম্বৰৰ এটা গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰা বুলি জানিব পৰা গৈছে।

## খাৰুপেটীয়া প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতিৰ মৃত্যুত আমছুৰ শোক প্ৰকাশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ১৪ নৱেম্বৰ ঃ** খাৰুপেটীয়া প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি জ্যেষ্ঠ সাংবাদিক , সাহিত্য সভাৰ আজীৱন সদস্য মঙল সিং ঝানঝৰিৰ বিয়োগত আমছুৱে শোক প্ৰকাশ কৰে। উল্লেখযোগ্য যে খাৰুপেটীয়া প্ৰেছ ক্লাবৰ এইজন প্ৰাক্তন সভাপতি আৰু সাংবাদিক মঙ্গল সিং ঝানঝৰী ২০১০ চনত আক্ৰান্ত হয় দুৰাৰোগ্য কৰ্কট ৰোগত । ১০ বছৰ ধৰি এই ৰোগত আক্ৰান্ত হোৱাৰ পিছত বিগত তিনি বছৰ ধৰি শয্যাগত হৈ নাকত লগোৱা পাইপেৰে কেৱল ফল-মূলৰ ৰস পান কৰিয়েই জীৱন ধাৰণ কৰিছিল সাংবাদিক গৰাকীয়ে । মাৰোৱাৰী সম্প্ৰদায়ৰ ৫৬ বছৰীয়া অবিবাহিত এই গৰাকী সাংবাদিকে ১৯৮২ চনত ছাত্ৰ অৱস্থাৰ পৰাই অবিৰত ভাৱে খাৰুপেটীয়াৰ স্থানীয় সংবাদাতা হিচাপে জাগৃতি (হিন্দী) পযেকীয়া, অগ্ৰদূত, সাপ্তাহিক মঙ্গল বাতৰি, নতুন প্ৰবাহ, দৈনিক জনসাধাৰণ, আদি কাকত সমূহত সংবাদ সেৱা কৰি অহা এইজন সাংবাদিক দৈনিক পূৰ্বাচল প্ৰহৰী (হিন্দী) পত্ৰিকাত নিয়োজিত হৈ আছিল । সাংবাদিকগৰাকীৰ মৃত্যুত সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক আব্দুৰ ৰহমান বিশ্বাসে গভীৰ শোক প্ৰকাশ কৰি কয় যে তেখেত এজন সৎ সাহসী আৰু সত্য নিষ্ঠাবান সাংবাদিক আছিল। তেখেতৰ মৃত্যুৱে সংবাদ জগতৰ বাবে এক অপূৰণীয় ক্ষতি হ'ল। আমছুৰ পৰিয়ালৰ ফালৰ পৰা তেখেতেৰ বিদেহ আত্মাৰ চিৰ শান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গ ও তেখেতৰ অনুগামীসকলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে।

# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ত কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৪ নৱেম্বৰ ঃ** বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত ছাত্ৰ-ছাত্ৰীৰসকলৰ বাবে কম্পিউটাৰ শিক্ষাৰ গুৰুত্ব অপৰিসীম হিচাপে বিবেচিত হৈছে। সেয়া প্ৰাথমিক পৰ্যায়তে হওক নতুবা মহাবিদ্যালয়-বিশ্ববিদ্যালয় পৰ্যায়তে নহওক কিয়। একবিংশ শতিকাৰ প্ৰযুক্তিবিদ্যাৰ আজিৰ পৃথিৱীখনত সেয়ে কম্পিউটাৰ শিক্ষাৰ জ্ঞান প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ থকাটো গুৰুত্বপূৰ্ণ হৈ পৰিছে। যি শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে পৃথিৱীখনক চকুৰ সন্মুখত ৰাখি অধ্যয়ন কৰাৰ সুবিধা লাভ কৰে। এই মন্তব্য চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ। কালি পূব ভৰলীপাৰৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ এটি কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন কৰি এইদৰে কয় বিধায়ক হাজৰিকাই। ২২টাকৈ আধুনিক কম্পিউটাৰেৰে সমৃদ্ধ কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটিত সীমিত ব্যয়ৰে ছাত্ৰ-ছাত্ৰীসকলে কম্পিউটাৰৰ শিক্ষা গ্ৰহণ কৰিব পৰাৰো ব্যৱস্থা কৰিছে মহাবিদ্যালয় কৰ্তৃপক্ষই। কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটিৰ উদ্বোধনী অনুষ্ঠানটিত মহাবিদ্যালয়খনৰ অধ্যক্ষ ডঃ অজিত হাজৰিকাই কয় যে সীমিত ব্যয়ৰে এই কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰটিত কেৱল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েই নহয় বৰঞ্চ স্থানীয় যুৱক-যুৱতীসকলেও কম্পিউটাৰ শিক্ষা গ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হৈছে। মহাবিদ্যালয়খনত সীমিত খৰচত ছাত্ৰ-ছাত্ৰীসকলৰ লগতে স্থানীয় যুৱক-যুৱতীসকলৰো কম্পিউটাৰ শিক্ষা প্ৰশিক্ষণৰ বাবে মুকলি কৰা এই প্ৰশিক্ষণ কেন্দ্ৰই বহু ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব পাৰিব বুলিয়েই আশা কৰিব পাৰি।

## ধুবুৰী অধিবক্তা সন্থাৰ নিৰ্বাচন

# এন আই চৌধুৰী সভাপতি, সম্পাদক আব্দুছ ছামাদ মিঞা নিৰ্বাচিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৪ নৱেম্বৰ ঃ** শুকুৰবাৰে সন্ধিয়া প্ৰায় ৭ বজাৰ লগে লগে ধুবুৰী অধিবক্তা সন্থাৰ নিৰ্বাচনৰ ভোট গণনাৰ আৰম্ভ হোৱাৰ পিছত নিশা এঘাৰ বজাত সম্পূৰ্ণ হয় ভোট গণনাৰ ফলাফল । উল্লেখ্য যে, ৰাজ্যৰ আটাইতকৈ পুৰণি ধুবুৰী অধিবক্তা সন্থাৰ শুকুৰবাৰে হোৱা নিৰ্বাচনৰ ফলাফল অনুসৰি ধুবুৰীৰ জ্যেষ্ঠ অধিবক্তা এন আই চৌধুৰী সভাপতিৰূপে নিৰ্বাচিত হোৱাৰ বিপৰীতে দুগৰাকীকৈ অধিবক্তা ক্ৰমে মহম্মদ মাজাহাৰ আলী আৰু নুৰ মহম্মদ উপ-সভাপতি ৰূপে নিৰ্বাচিত হোৱা বুলি জানিব পৰা গৈছে। ধুবুৰী অধিবক্তা সন্থাৰ সম্পাদক হিচাপে আব্দুছ ছামাদ মিঞা নিৰ্বাচিত হৈছে। ইফালে সহকাৰী সম্পাদকৰূপে আহমেদ আলী, মহুৱা দাস আৰু দিলদাৰ হুছেইন নিৰ্বাচিত হোৱা বুলি জানিব পৰা গৈছে। আনপিনে কাৰ্যবাহী সদস্যৰ ১৩ জন সদস্যৰ ভিতৰত ১৫ বছৰ সম্পূৰ্ণ কৰা অধিবক্তা সকলৰ আব্দুল কাইয়ুম আহমেদ, আলেক চান্দ, হাবিবুল আলম খান, ইছলাম উদ্দিন আহমেদ আৰু কিছমত আলী শ্বেখ, ৭ বছৰ সম্পূৰ্ণ কৰা সকলৰ ভিতৰত এ এফ মোখলেছুৰ ৰহমান, ওছমান গনি শ্বেখ, ৰোবুল্লা মণ্ডল, সোণা উল্লাহ শ্বেখ, জাহিৰুল ইছলামকে ধৰি ৩ বছৰ সম্পূৰ্ণ কৰা অধিবক্তাসকলৰ ভিতৰত আশ্ৰাফুল ইছলাম শ্বেখ, মাহমুদুল হক চৌধুৰী আৰু কাজি বাহাৰুল ইছলাম কে ধৰি মুঠ ১৩জন কাৰ্যবাহী সদস্য নিৰ্বাচিত হৈছে।

# অসমত গোৰ্খা সমাজক বাদ দি অসমীয়া জাতি সম্পূৰ্ণ হ'ব নোৱাৰে ঃ বিধায়ক পদ্ম হাজৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৪ নৱেম্বৰ ঃ** 'অসমত যুগ যুগ ধৰি বসবাস কৰি অহা গোৰ্খা জনগোষ্ঠীক বাদ দি অসমীয়া জাতিয়ে কেতিয়াও পূৰ্ণতা পাব নোৱাৰে। গোৰ্খা জাতি বৃহৎ অসমীয়া জাতিসত্তাৰ অভিন্ন অংগ।' এই মন্তব্য চতিয়া বিধানসভা সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ। চতিয়াৰ দক্ষিণ নাগশংকৰ গোৰ্খা সমাজৰ বিশেষ সম্বৰ্ধনা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি অখণ্ড ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত গোৰ্খাসকলে আগবঢ়োৱা অৰিহণাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে ভাৰতৰ স্বাধীনতা আন্দোলন, অসমীয়া ভাষা-সাহিত্য, সংস্কৃতি, শিক্ষা, প্ৰশাসন আদিৰ ক্ষেত্ৰত গোৰ্খা জনসাধাৰণে আগবঢ়োৱা অৱদানৰ বিষয়ে নিজৰ ভাষণ প্ৰসঙ্গত উল্লেখ কৰে বিধায়কগৰাকীয়ে উল্লেখ্য যে আজি দক্ষিণ নাগশংকৰৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সভাগৃহত আয়োজিত বিশেষ সম্বৰ্ধনা সভাত অলপতে গোৰ্খা উন্নয়ণ পৰিষদৰ কাৰ্যবাহী সদস্য হিচাপে দায়িত্বভাৰ লোৱা বিশ্বনাথ জিলা তথা চতিয়া বিধান সভা সমষ্টিৰ একমাত্ৰ সদস্য মতি কুমাৰ নেৱাৰক দক্ষিণ নাগশংকৰৰ অঞ্চলৰ ৩০টাতকৈ অধিক বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে সামুহিক সম্বৰ্ধনা জনায়। স্থানীয় অৱসৰী শিক্ষক ভৱানী শৰ্মাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে দক্ষিণ নাগশংকৰৰ গোৰ্খা সমাজৰ সম্পাদক ঋষিৰাজ শৰ্মাই। সভাত আদৰণী ভাষণ প্ৰদান কৰে গোৰ্খা সমাজৰ সভানেত্ৰী পাৰ্ৱতী শৰ্মাই। ইয়াৰ পিছতেই নৱ নিৰ্বাচিত কাৰ্যবাহী সদস্য মতি কুমাৰ নেৱাৰে অনাগত দিনত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ সমাহাৰত গোৰ্খা জনগোষ্ঠীৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে নিষ্ঠাৰে কাম কৰি যাব বুলি সভাত অৱগত কৰে।স্থানীয় সাংবাদিক অঞ্জন বাচকোটাই আঁত ধৰা সভাখনত সমজুৱাৰ হৈ বক্তব্য আগবঢ়ায় নাট্যকাৰ পূৰ্ণ কুমাৰ শৰ্মাই।



*শিশু দিৱসত অভিনেতা কপিল বৰাই সাহায্য বিতৰণ কৰাৰ দৃশ্য, গুৱাহাটীৰ কালাপাহাৰত, শনিবাৰে*

# যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১৪ নৱেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ - ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিবেশন 13নবেম্বৰত লাকুৱা আঞ্চলিক সমিতিৰ আমন্ত্ৰণ মৰ্মে লাকুৱা সৃজনী প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায় । পুৱা পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পনৰ পাছতেই এক সম্বৰ্ধনা সভা অনুষ্ঠিত হয় । লাকুৱাৰ পৰা প্ৰতিনিধিত্ব কৰি পৰিষদৰ কেন্দ্ৰীয় যুটীয়া সম্পাদকৰ দায়িত্ব পোৱা আৰু বৰ্তমান অসম জাতীয় পৰিষদৰ আহ্বায়ক বিশ্বজিত টিপমীয়াক জিলা সমিতি আৰু কেন্দ্ৰীয় সমিতিয়ে বিশেষভাবে বিদায় সম্বৰ্ধনা জনাই ।আনহাতে লাকুৱাৰ বহুকেইজন প্ৰাক্তন যুৱ ছাত্ৰ কৰ্মীক বিদায় সম্বৰ্ধনা জনোৱা হয় ।ইয়াৰ পাছতেই অনুষ্ঠিত জিলা সমিতিৰ প্ৰতিনিধি সভা উদ্ধোধন কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক পলাশ চাংমায়ে ।ভাষণ প্ৰশংগত চাংমায়ে কেন্দ্ৰীয় চৰকাৰে অসমত জাপি দিয়া জাতিধ্বংসী কা আইন বাতিল নোহোৱা পৰ্যন্ত পৰিষদ ক্ষান্ত নাথাকে বুলি কয় ।অসমত জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদ জীয়াই ৰখাৰ স্বাৰ্থত কাম কৰি যাবলৈ যুৱ ছাত্ৰৰ কৰ্মীসকলক তেখেতে আহ্বান জনাই ।সন্ধিয়া অনুষ্ঠিত মূল প্ৰতিনিধি সভাত জিলাখনৰ 10 খন আঞ্চলিকৰ দুই শতাধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে । কেন্দ্ৰীয় সমিতিৰ বিত্তসম্পাদক শিৱ কলিতা আৰু কাৰ্যনিৰ্বাহ সদস্য ৰাতুল বৰগোহায়ে পৰ্যবেশক হিচাপে উপস্থিত থকা প্ৰতিনিধি সভাই আগন্তুক দুটা বছৰৰ বাবে উৎপল কোৱঁৰক সভাপতি ,দাদুল নেওগ ,প্ৰয়াগ গোস্বামী আৰু পৰিশিত ৰাজকোঁৱৰক উপসভাপতি ,মিঠুবৰাক সাধাৰণ সম্পাদক ,পলাশ ৰাজকোঁৱৰ ,শংকুমনি কলিতাক যুটীয়া সম্পাদক হিচাপে লৈ পৰিষদৰ শিৱসাগৰ জিলা সমিতিখন গঠন কৰা হয় ।

# সোমবাৰে শ্ৰীশ্ৰীগড়মূৰ সত্ৰত অহোৰাত্ৰ পালনাম

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৪ নৱেম্বৰ ঃ** মাজুলীৰ ৰজাঘৰীয়া চাৰিসত্ৰৰ অন্যতম শ্ৰীশ্ৰী গড়মূৰ সত্ৰত অহা সোমবাৰ ১৬ নৱেম্বৰৰ পুৱাৰ পৰা বাৰ্ষিক পালনাম আৰম্ভ হ'ব । সত্ৰ প্ৰতিষ্ঠাৰ পৰা পৰম্পৰাগত ভাৱে পালন কৰি অহা অহোৰাত্ৰ পালনামৰ বাবে সত্ৰ পৰিচালনা সমিতিয়ে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে । গড়মূৰ সত্ৰৰ পালনামৰ বিশেষত্ব এয়ে যে দুটা শাৰীত বিভক্ত হৈ পাঠকে কীৰ্তন পুথি আৰু আনটো শাৰীত নামলগোৱাই ভাগৱত ঘোষা পাঠ কৰে । এই সত্ৰৰ পালনামৰ পুৱা আইসকলে নাম পৰিবেশন কৰাৰ পিছতে নিত্য-নৈমিত্ৰিক প্ৰসংগৰ পিছত ১ বজাৰপৰা প্ৰথম খণ্ডৰ পালনাম আৰম্ভ হ'ব । দিত্বীয় খণ্ডৰ নাম ৰাতি ৮ বজাৰ পৰা পিছদিনা পুৱালৈকে নিৰবচ্ছিন্নভাৱে চলি থাকিব ।এইসত্ৰৰ বাৰ্ষিক পালনামলৈ অগণন ভক্তৰ সমাগম ঘটে ।বাৰ্ষিক আধ্যাত্মিক অনুষ্ঠানভাগিত ধূপ-বন্তি-লোণ-অৰিহণা দি ভক্তসকলে আশীৰ্বাদ লয় ।

# নগাঁৱৰ ভিন্ন স্থানত পথ সুৰক্ষাৰ ওপৰত এলানি কাৰ্যসূচী গ্ৰহণ জনসেৱা পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৪ নৱেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰিৰ অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান জনসেৱা পৰিষদে পথ সুৰক্ষাৰ ওপৰত এলানি সজাগতামূলক কাৰ্যসূচী হাতত লৈছে। বিভিন্ন কাৰণত সঘনাই সংঘটিত হোৱা পথ দুৰ্ঘটনাৰ পৰিপ্ৰেক্ষিতত সংগঠনটোৱে ভাৰত চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰণালয়ৰ সহযোগত অনুষ্ঠিত কৰিব লগা এই সজাগতামুলক কাৰ্যসূচী পাঁচ দিনীয়া কাৰ্যসূচী অহা ১৭ নৱেম্বৰৰ পৰা আৰম্ভ হ'ব। কাৰ্যসূচী অনুসৰি, ১৭ নৱেম্বৰত জনসেৱা বহুমুখী জাতীয় বিদ্যালয়ত কুইজ, ৰচনা আদি প্ৰতিযোগিতা, ২০ নৱেম্বৰত আলিটাঙনীত সজাগতা সভা, ২৩ নৱেম্বৰত জুৰীয়াৰ দগাঁৱত মহামাৰী কভিড-১৯ ওপৰত সজাগতা সভা, ২৫ নৱেম্বৰত নগাঁও চহৰত পথ সুৰক্ষাৰ ওপৰত বাটৰ নাট আৰু ৫ ডিচেম্বৰত ৰূপহী মহাবিদ্যালয়ত পথ সুৰক্ষাৰ বাবে চালকে পৰিধান কৰিব লগা হেলমেড, ছিট বেল্ড আদিৰ উপকাৰীতাৰ ওপৰত আলোচনা সভা অনুষ্ঠিত হ'ব। উক্ত কাৰ্যসূচী সমূহত স্থানীয় ৰাইজৰ সহযোগিতা আৰু অংশগ্ৰহণ কামণা কৰিছে উদ্যোক্তা সংগঠনৰ সম্পাদক হজৰত আলীয়ে।




*বেনু মিশ্ৰ মেম বিয়াল ট্ৰাষ্টৰ সদস্যৰ সংবাদমেল সম্বোধনৰ সময়ত, গুৱাহাটী প্ৰেছক্লাবত*

# দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ ২০২১ বৰ্ষজোৰা ৰূপালী জয়ন্তী উদ্‌যাপনৰ সিদ্ধান্ত

## সাংবাদিক পৰাগ ভূঞাৰ ৰহস্যজনক মৃত্যুত গভীৰ শোক - কামৰূপ জিলা সাংবাদিক পৰিষদৰ উচিত তদন্তৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ১৪ নৱেম্বৰ ঃ** দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ নৱ-নিৰ্বাচিত কাৰ্যনিৰ্বাহক আজি উপৰহালীস্থিত গুৱাহাটী মহকুমা নিয়ন্ত্ৰিত বজাৰ সমিতিৰ সভাকক্ষত ক্লাবৰ স্থায়ী সভাপতি ধীৰাজ কুমাৰ দাসৰ সভাপতিত্বত এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহ সভা অনুষ্ঠিত হয়। দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক পবিত্ৰ কুমাৰ দাস উদ্দেশ্য ব্যাখ্যা সভাত ১৯৯৬ চনত জন্ম লাভ জিলাখনৰ ঐতিহ্যপূৰ্ণ সাংবাদিক সাহিত্যিক তথা শিল্পীৰ সংগঠনটোৱে চলিত বৰ্ষত ২৫ বছৰত ভৰি দিয়ে। এই উপলক্ষে দক্ষিণ কামৰূপ প্ৰেছ ক্লাৱে আগন্তুক ২০২১ বৰ্ষটো ৰূপালী জয়ন্তী বৰ্ষ হিচাপে উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। আজি ক্লাবৰ উপদেষ্টা মিলন কুমাৰ দাস, কমল চন্দ্ৰ মেধি, মোবাৰক হুছেইনসহ বহু সদস্য-সদস্যাৰ উপস্থিতিত এই সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে ক্লাবৰ উন্নয়ন, মিৰ্জাত থকা নিজস্ব ভূমিত স্থায়ী কাৰ্যালয় ভৱন নিৰ্মাণ, গাঁৱলৈ যাওঁ ব'লক, শিল্পী-সাহিত্যিকক সম্বৰ্ধনা জনোৱা, বিশিষ্ট ব্যাক্তি তথা জনপ্ৰতিনিধিৰ সৈতে মুখামুখি অনুষ্ঠান আয়োজন কৰা, মাহেকীয়া বাৰ্তালোচনী প্ৰকাশ, প্ৰতিষ্ঠিত সংবাদ গোষ্ঠী, ৱেব প'ৰ্টেলৰ স্বীকৃতিপ্ৰাপ্ত সাংবাদিকক নতুন সদস্য ভৰ্তি আদি বিষয়ত বিশদভাৱে আলোচনা কৰে। দক্ষিণ কামৰূপ প্ৰেছ ক্লাবৰ ঐতিহাসিক ২৫ বছৰীয়া বৰ্ণিল যাত্ৰাৰ সেন্দূৰীয়া পথত নতুনত্বৰ বীজ ৰোপণৰ মানসৰে প্ৰেছ ক্লাবৰ এই যাত্ৰা পথত সমাজৰ সকলো শ্ৰেণীৰ লোকক ৰূপালী জয়ন্তী উদ্‌যাপনৰ কাৰ্যসূচীত সামৰি লোৱা হ'ব বুলি জানিবলৈ দিয়ে সাধাৰণ সম্পাদক পবিত্ৰ কুমাৰ দাসে। এই সভাত কাৰ্যকৰী সভাপতি অশ্বিনী কুমাৰ তালুকদাৰ, উপ-সভাপতি হেমন্ত কলিতা, আলোচনী সম্পাদক বিশ্বজিৎ কলিতা, সহঃ সম্পাদক ফটিক ঠাকুৰীয়া, কাৰ্যালয় সম্পাদিকা সৰস্বতী ঠাকুৰীয়া আদি অংশগ্ৰহণ কৰে। সভাত ডিব্ৰুগড়ৰ সাংবাদিক পৰাগ ভূঞাৰ ৰহস্যজনক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে এয়া পৰিকল্পিত হত্যাকাণ্ড বুলি সন্দেহ কৰি আৰক্ষী প্ৰশাসনক উচিত তদন্ত কৰি দুষ্ট চক্ৰক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি দাবী কৰে লগতে পৰাগ ভূঞাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায় আৰু পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে, কামৰূপ জিলা সাংবাদিক পৰিষদ অসমৰ কামৰূপ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি দীপক কলিতা আৰু সাধাৰণ সম্পাদক পবিত্ৰ কুমাৰ দাসেও এক বিবৃতিযোগে সাংবাদিক পৰাগ ভূঞাৰ ৰহস্যজনক হত্যাৰ ঘটনাক গৰিহণা দিয়াৰ লগতে পৰিয়ালক ন্যায্যতা দিবলৈ দাবী জনায়।




# সাংবাদিক পৰাগ ভূঞাৰ হত্যাকাণ্ডৰ প্ৰতিবাদত তিনিচুকীয়াত অসম জাতীয় পৰিষদৰ অৱস্থান ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিনিচুকীয়া, ১৪ নৱেম্বৰ ঃ** কাকপথাৰৰ নিৰ্ভীক সাংবাদিক পৰাগ ভূঞাৰ মৃত্যু কোনো দুৰ্ঘটনা নহয়, এয়া এক পৰিকল্পিত হত্যাকাণ্ডহে। এই দাবী অসম জাতীয় পৰিষদৰ। অসম জাতীয় পৰিষদ আৰু জাতীয় যুৱ শক্তি তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত তিনিচুকীয়াত আজি অনুষ্ঠিত এক প্ৰতিবাদী অনুষ্ঠানত সাংবাদিক পৰাগ ভূঞাৰ মৃত্যুক এক নিখুত পৰিকল্পিত হত্যাকাণ্ড আখ্যা দিয়াৰ লগতে চি বি আইৰ তদন্তৰ দাবী উত্থাপন কৰে। অসম জাতীয় পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সম্পাদক ৰুবুল বৰুৱাই কয় যে, পৰাগ ভূঞাৰ মৃত্যু এক দুৰ্ঘটনা কেতিয়াও হব নোৱাৰে। কিয়নো কাকপথাৰ আৰক্ষী থানাৰ কাষতে থকা পৰাগ ভূঞাৰ বাসগৃহৰ সন্মুখত আছে তিনিটাকৈ বেৰিকেড আৰু স্পীড ব্ৰেকাৰ। তেনে ক্ষেত্ৰত এখন গাড়ীয়ে এনেকৈ দুৰ্ঘটনা সংঘটিত কৰি ১২ ফুট দূৰত্বত এজন ব্যক্তিক ওফৰাই পেলোৱাতো কোনোপধ্যেই সম্ভৱ নহয়। চোৰাং কাঠ কয়লাৰ বিৰুদ্ধে বাতৰি পৰিৱেশন কৰাৰ বাবেই এইদৰে ষড়যন্ত্ৰৰ বলি হব লগা হৈ অকালতে প্ৰান হেৰুৱালে পৰাগ ভূঞাই। অসম জাতীয় পৰিষদ আৰু জাতীয় যুৱ শক্তিৰ আহ্বানত তিনিচুকীয়াৰ থানা চাৰিআলিত আজি দিনৰ ১১ বজাৰ পৰা ২ বজালৈ তিনিঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচীত কেন্দ্ৰীয় সমিতিৰ আহ্বায়ক ইজৰাইল নন্দ, চিত্ৰৰঞ্জন বসুমতাৰী, কেন্দ্ৰীয় শক্তিৰ কেন্দ্ৰীয় আহ্বায়ক কুশল কুজুৰ, ডম্বৰু গগৈ, তাহিৰ ইকবাল হাজৰিকা, দিপাংকৰ সোণোৱাল, জাতীয় পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি,সম্পাদকদ্বয় নৱজ্যোতি বৰা আৰু ৰুবুল বৰুৱা, যুৱ শক্তিৰ তিনিচুকীয়া জিলাৰ সভাপতি, সম্পাদকদ্বয় ক্ৰমে অনুপম দত্ত আৰু সিদ্ধাৰ্থ বৰুৱাসহ বহু কেইজন গন্য মান্য ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানত অংশগ্ৰহণ কৰি তিনিচুকীয়াৰ জেষ্ঠ্য সাংবাদিক অমূল্য খাটনিয়াৰে সাংবাদিক পৰাগ ভূঞাৰ ৰহস্যজনক দুৰ্ঘটনাৰ ১৬ ঘণ্টা পৰ্যন্ত প্ৰশাসনে হাত সাবটি বহি থকা কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। আনহাতে, আঞ্চলিক গণ মৰ্চাৰ আহ্বায়ক বংকিম চন্দ্ৰ গগৈয়ে ধৰ্মঘটত উপস্থিত থাকি ভাষণ প্ৰদান কৰে। প্ৰতিবাদী কাৰ্যসূচীত সকলোৱে একেমুখে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ ৰক্ষক সাংবাদিকৰ ওপৰত সংঘটিত এই আক্ৰমণক গৰিহণা দিয়াৰ লগতে চি বি আইৰ তদন্তৰে অপৰাধীক ধৰা পেলাই কঠোৰতম শাস্তিৰ দাবী উত্থাপন কৰে। প্ৰতিবাদৰ সময়ত পৰাগ হত্যাৰ ন্যায় লাগে, অসম চৰকাৰ হুচিয়াৰ, সৰ্বানন্দ সোণোৱাল হায় হায় আদি ধৰ্ণা শ্ল'গানেৰে পৰিস্থিতি উত্তাল কৰি তোলে। আনফালে সাংবাদিক পৰাগ ভূঞাৰ হত্যাকাণ্ডৰ ঘটনাক কঠোৰ ভাষাৰে নিন্দা কৰিছে বৃহত্তৰ মাৰ্ঘেৰিটা সাংবাদিক সমাজে। বৃহত্তৰ মাৰ্ঘেৰিটা সাংবাদিক সমাজৰ সভাপতি অদিত গগৈয়ে এক প্ৰেছ টোকাৰ জৰিয়তে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালত সাংবাদিক সুৰক্ষিত নহয় বুলি মন্তব্য কৰাৰ লগতে ৰিপাব্লিক টিভিৰ অৰ্ণৱ গোস্বামীৰ ক্ষেত্ৰত যিদৰে মাত মাতিছে সেই দৰে অসমৰ সাংবাদিকৰ ক্ষেত্ৰতো মাত মাতি বলৈ দাবী জনায়।

# জাগুনৰ প্ৰয়াত উমা দেৱী থাপা প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাত তিনিচুকীয়া ট্ৰাষ্ট এলেভেন বিজয়ী

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগুন, ১৪ নৱেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ অন্তৰ্গত অসম-অৰুণাচল সীমান্ত জাগুনৰ ৰামপুৰ খেলপথাৰত যোৱা ৩ নৱেম্বৰৰ পৰা জাগুন গাঁও পঞ্চায়ত আৰু ৰামপুৰ যুৱ সংঘৰ উদ্যোগত অনুষ্ঠিত হোৱা স্বৰ্গীয় উমা দেৱী থাপা সোঁৱৰণী প্ৰাইজমনি দিবা-নৈশ ফুটবল প্ৰতিযোগিতাৰ ১৩ নৱেম্বৰৰ তাৰিখে অন্ত পৰে । অসমৰ বিভিন্ন জিলাৰ লগতে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ মুঠ ১৬টা ফুটবল দলে অংশগ্ৰহণ কৰা এই ফুটবল প্ৰতিযোগিতাখনিৰ চূড়ান্ত খেলখন তিনিচুকীয়া ট্ৰাষ্ট এলেভেন বনাম টী স্পষ্ট একাডেমি দুলীয়াজনৰ মাজত অনুষ্ঠিত হয়। খেলৰ প্ৰথম আৰু দ্বিতীয় ফিল্ডত দুয়োটা দলৰ ০-০ গল হয় শেষত টাইব্ৰেকাৰত তিনিচুকীয়া ট্ৰাষ্ট এলেভেনে দুলীয়াজানক ৩-০ গলত পৰাস্ত কৰি বিজয়ী খিতাপ অৰ্জন কৰিবলৈ সক্ষম হয়। বিজয়ী দলে নগদ এক লাখ টকাৰ উপৰি ট্ৰফী প্ৰদান কৰা হয় এই ট্ৰফীটো প্ৰদান কৰে মাৰ্ঘেৰিটা আঞ্চলিক পঞ্চায়তৰ সভাপতি সুখদেৱ শৰ্মাই আৰু ৰানাচআপ দলটিক যাঠিহেজাৰ নগদ ধনৰ উপৰিও ট্ৰফী প্ৰদান কৰে জাগুনৰ ব্যৱসায়ী প্ৰদীপ আগৰৱালাই। আজিৰ এই চূড়ান্ত খেলখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মা, মহকুমা আৰক্ষী বিষয়া পোনা গগৈ, ডিগবৈৰ ব্যৱসায়ী আনন্দ গোৱেলৰ ক্ৰীড়া সন্থাৰ বিষয়ববীয়া, বিশিষ্ট ব্যক্তিৰ উপৰি প্ৰায় ১৫ সহস্ৰ দৰ্শকৰ উপস্থিত দেখিবলৈ পোৱা গ'ল। জাগুন গাঁও পঞ্চায়তে নিজৰ অঞ্চল উন্নয়নৰ লগতে ক্ৰীড়া ক্ষেত্ৰতো স্থানীয় উঠি অহা নৱ-প্ৰজন্মক প্ৰেৰণা আৰু উৎসাহ প্ৰদান কৰাক লৈ প্ৰশংসা কৰিছে স্থানীয় জনতাই।




# মহিলা আৰু শিশুসকলৰ বাবে শিৱসাগৰত জিলা পৰ্যায়ৰ যুটীয়া টাস্ক ফ'ৰ্চৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৪ নৱেম্বৰ ঃ** শিৱসাগৰ জিলা উপায়ুক্ত কাৰ্যালয়ৰ চ্যুকাফা সভাকক্ষত শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত জুনুমণি সোণোৱালৰ অধ্যক্ষতাত বৃস্পতিবাৰে মহিলা আৰু শিশুসকলৰ বাবে গঠিত হয় জিলা পৰ্যায়ৰ যুটীয়া টাস্ক ফ'ৰ্চৰ এখন বৈঠক। এই বৈঠকত জিলা পৰ্যায়ৰ যুটীয়া টাস্ক ফৰ্চৰ কাৰ্যপন্থা, ভৱিষ্যৎ পৰিকল্পনা আৰু সংশ্লিষ্ট বিভাগসমূহৰ দায়িত্ব ইত্যাদি সাঙুৰি কাৰ্যপন্থা প্ৰস্তুতকৰণৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা অতিৰিক্ত উপায়ুক্ত গৰাকীয়ে শিশু আৰু মহিলাৰ অধিকাৰ আৰু সুৰক্ষা সুনিশ্চিত কৰাৰ দিশত সংশ্লিষ্ট সকলোকে সম্পূৰ্ণ গুৰুত্ব সহকাৰে আৰু দায়বদ্ধতাৰে কাম কৰি যাবলৈ আহ্বান জনায়। বাল্য বিবাহ, শিশু শ্ৰম, শিশু, মানৱ সৰবৰাহ আৰু মহিলাৰ প্ৰতি শাৰীৰিক আৰু মানসিক নিৰ্যাতন আদিৰ বিৰুদ্ধে তেওঁ জনসাধাৰণৰ মাজত ব্যাপকভাৱে সজাগতা বৃদ্ধি কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহৰ লগতে স্বেচ্ছাসেৱী সংগঠন সমূহকো আহ্বান জনায়। বাল্য বিবাহৰ কোনো ঘটনা পৰিলক্ষিত হ'লে, সেয়া তৎক্ষণাৎ আৰক্ষীক অৱগত কৰি পঞ্জীয়নভুক্ত কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। শিশু, কিশোৰ-কিশোৰী আৰু মহিলাৰ অধিকাৰ আৰু সুৰক্ষা বিঘ্নিত হোৱা যিকোনো ঘটনা দৃষ্টিগোচৰ হ'লে ততাতৈয়াকৈ আৰক্ষী আৰু জিলা প্ৰশাসনক যোগাযোগ কৰিবলৈও তেওঁ সংশ্লিষ্ট সকলোকে নিৰ্দেশ দিয়ে। বৈঠকত তেওঁ স্বাস্থ্য বিভাগক শিশুসকলৰ বাবে পৰিপূৰক দৰব যেনে আইৰণ আৰু ফলিক এচিড আদি নিয়মীয়াভাৱে যোগান ধৰিবলৈ আহ্বান জনায়। শিৱসাগৰ জিলা ভাৰপ্ৰাপ্ত সমাজ কল্যাণ বিষয়া দুদু দত্তই উদ্দেশ্য ব্যাখ্যা কৰা বৈঠকত ইউনিচেফৰ দ্বাৰা প্ৰযোজিত "মমতা-এইচ আই এম চি"ৰ জিলা সমন্বয়ক ৰাজশ্ৰী শইকীয়াই জিলা টাস্ক ফৰ্চৰ সংগঠন, পৰ্যালোচনা, জিলা পৰ্যায়ৰ কাৰ্যপন্থাৰ ৰূপৰেখা, আন্তঃবিভাগীয় সমন্বয়, নডেল বিভাগসমূহৰ ভূমিকা, সহযোগী সংস্থাসমূহৰ ভূমিকা আদিৰ ওপৰত এক বিস্তৃত প্ৰতিবেদন পাৱাৰ পইণ্ট প্ৰেজেণ্টেচন যোগেদি আগবঢ়ায়। উক্ত বৈঠকত জিলা উপ-আৰক্ষী অধীক্ষক নিন্‌খ'দেই চিংচন, বিদ্যালয় সমূহৰ পৰিদৰ্শক আব্দুল জেলিল, বিভিন্ন চৰকাৰী বিভাগ যেনে স্বাস্থ্য, শিক্ষা, সমাজ কল্যাণ, শ্ৰম, শিশু সুৰক্ষা সমিতিৰ বিষয়ববীয়াৰ লগতে জিলাখনৰ অধিকাংশ মহিলা আৰু শিশুৰ সুৰক্ষা আৰু উন্নয়নৰ বাবে কাম কৰি থকা স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধিসকলে অংশ গ্ৰহণ কৰে।

# শুৱালকুছিত শিশু দিৱসৰ দিনাই প্ৰকৃতি সংৰক্ষণৰ বাৰ্তা এজাক খেলুৱৈৰ

## প্ৰীতি ফুটবল মেচত দামপুৰ ড্ৰীম ফুটবল একাডেমীৰ জয়লাভ



**দৈনন্দিন বাৰ্তৰ সেৱা, শুৱালকুছি, ১৪ নবেম্বৰ** গুৱাহাটীক ক্ৰীড়াৰ ৰাজধানী হিচাপে গঢ়িবলৈ সপোন পুহি ৰখা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আহ্বানৰ এখন প্ৰতিচ্ছবি পৰিলক্ষিত হৈছে শুৱালকুছিত। আজি ১৪ নৱেম্বৰ শিশু দিৱস, এই শিশু দিৱসৰ দিনটোতেই বস্ত্ৰনগৰী শুৱালকুছি ন কৈ গঢ়ি উঠা স্পৰ্টছ একাডেমী অব শুৱালকুছিৰ উদ্যোগত তথা শুৱালকুছি TICS ৰ সহযোগত শিশুসকলৰ মাজত খেলৰ জৰিয়তে শিশু দিৱস উদযাপন কৰে। পুৱা শুৱালকুছি খেলপথাৰত স্পৰ্টছ একাডেমী অৱ শুৱালকুছি আৰু দামপুৰ ড্ৰীম ফুটবল একাডেমীৰ মাজত এখন প্ৰীতি ফুটবল খেল অনুস্থিত হয়। খেলখন উদ্বোধন কৰে কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি বাপুকণ আলীয়ে। উক্ত খেলখনত দামপুৰ ড্ৰীম ফুটবল একাডেমীয়ে ১-০ গ'লৰ ব্যৱধানত বিজয় সাব্যস্ত কৰে। খেলখন পৰিচালনা কৰে ধৰণী দাস, তপেশ কুমাৰ আৰু লাচিত দাসে। আনহাতে, এই কাৰ্যসূচীত অন্তৰ্ভুক্ত হয় এটা পৰিৱেশকেন্দ্ৰিক বিষয়। খেলপথাৰৰ মাজত লুপ্তপ্ৰায় এটা বৃহদাকাৰ হাড়গিলা পক্ষীৰ প্ৰতীকী ৰূপ ৰাখি খেলুৱৈসকলক হাড়গিলা সংৰক্ষণৰ বিষয়ে অৱগত কৰাৰ চেষ্টা কৰে স্প'ৰ্টছ একাডেমী অৱ শুৱালকুছিয়ে। আৰু হাতে হাতে হাড়গিলা সংৰক্ষণৰ বাৰ্তা লৈ এইসৈকল শিশুৱে শিশু দিৱসৰ দিনটোত দিছে পৰিৱেশ ৰক্ষাৰ বাৰ্তা। এই কাৰ্যসূচী সফল ৰূপায়ণত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই হাড়গিলা পক্ষী সংৰক্ষক তথা পৰিৱেশ বিজ্ঞানী পূৰ্ণিমা দেৱী বৰ্মনে।

# নগাঁও প্ৰেছ ক্লাবত দুখনকৈ গ্ৰন্থ উন্মোচন

## ■ আমি ইতিহাসৰ বহু কথা নাজানো— প্ৰাক্তন আৰক্ষী বিষয়া দিলীপ বৰা

## ■ কবিতা সৃষ্টিৰ বাবে সাধনা লাগিব— লক্ষেশ্বৰ শৰ্মা




**দৈনন্দিন বাৰ্তাৰ সেৱা, বড়মপুৰ, ১৪ নবেম্বৰ ঃ** "সংস্কৃতি নাথাকিলে, ইতিহাস নাথাকিলে, জাতি জীয়াই থাকিব নোৱাৰে। সংস্কৃতি আৰু ইতিহাসৰ প্ৰতি নব- প্ৰজন্মক আকৃষ্ট কৰি তুলিব লাগিব।" এই মন্তব্য বিশিষ্ট সাহিত্যিক তথা অসম আৰক্ষীৰ অবসৰপ্ৰাপ্ত উচ্চ পদস্থ বিষয়া দিলীপ বৰাৰ। আজি নগাঁও প্ৰেছ ক্লাবত নবীন কলিতাৰ "ইতিহাসৰ পাতত নগএঞা শইকীয়া ভোটাই ডেকা" নামৰ গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত এই মন্তব্য কৰি দিলীপ বৰাই কয়- আমি অসমৰ ইতিহাসৰ বহু কথা নাজানো আৰু লাহে লাহে আৰু নজনা হ'ম। প্ৰসংগ ক্ৰমে তেওঁ কয়- আমাৰ সুন্দৰ সুন্দৰ কথা কোৱাৰ অভ্যাস আছে কিন্তু সৃষ্টি কৰা কামৰ বাবে আমি সচেষ্ট নহয়। তেওঁ লগতে কয়-প্ৰতিখন গ্ৰন্থই নতুনত্বৰ সন্ধান দিয়াৰ লগতে পুৰণি বিষয়ৰো উন্মেষ ঘটায়। নবীন কলিতাৰ কাব্য গ্ৰন্থ "নিস্তব্ধ অনুৰণন" উন্মোচন কৰি কবি সাহিত্যিক লক্ষেশ্বৰ শৰ্মাই কয়-গ্ৰন্থ উন্মোচন ডাঙৰ সভা। এয়া জাতীয় জীৱনৰ বাবে উল্লেখনীয় দিশ। কবিতাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় কবিতা মানুহৰ বুকুৰ বস্তু, কবিতাই হৃদয় চুই যায়। কবিতা সৃষ্টিৰ বাবে কল্পনা লাগিব। কল্পনা নহ'লে কোনেও ভাল কবিতা লিখিব নোৱাৰে । কল্পনা নাথাকিলে মনলৈ অনুভূতি নাহে । কবিতা সৃষ্টিৰ বাবে সাধনাৰ প্ৰয়োজন। নগাঁও প্ৰেছ ক্লাবৰ সভাপতি কনক হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰান কুমাৰ বৰুৱাই কয়-সকলোৱে সাহিত্যৰ পথাৰত ভৰি দিব লাগিব। অসমীয়া সাহিত্যক আগুৱাই নিব লাগিব। সাহিত্য সংস্কৃতিৰ জৰিয়তেহে অসম আৰু অসমীয়াৰ পৰিচয় বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিম। তেওঁ লগতে কয় কবিতা কঠিন, কবিতা সহজ নহয়, কবিতা মানুহৰ হৃদয়ৰ স্পন্দন। কাব্য সাহিত্যই সৃষ্টিৰ বাবে প্ৰেৰণা যোগাই। নগাঁৱৰ বিৰিখ প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা গ্ৰন্থ দুখনৰ উন্মোচনী অনুষ্ঠানত অবসৰপ্ৰাপ্ত শিক্ষক কমলাকান্ত বৰা, শিশু সাহিত্যিক দুলাল বৰা আদিয়ে অংশগ্ৰহণ কৰে। হেমন্ত বৰাই আঁতধৰা অনুষ্ঠানচ্ছুত কিৰণ কলিতা আৰু বিকাশ হাজৰিকাই কবিতা আবৃত্তি কৰে। লিখক নবীন কলিতাই নিজৰ অনুভৱ সভাত ব্যক্ত কৰে।

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি